

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত



ত্ৰয়োদশ বছৰ ■ সংখ্যা ১০২ ■ গুৱাহাটী ■ শুকুৰবাৰ, ১৮ নৱেম্বৰ, ২০২২, ১ আঘোণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XIII ISSUE NO. 102 Dainandin Barta ■ Guwahati, Friday ■ 18 November, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



*শুকুৰবাৰে পহিলা আঘোণ, ডো খাই পৰিছে গুটিধানৰ ঠোক*

## দৰিদ্ৰতা নে প্ৰলোভন কিন্তু মাৰাত্মক

**ওদালগুৰি জিলাৰ পানেৰীত মানৱ সৰবৰাহকাৰী গ্ৰেপ্তাৰ ঃ দহ হাজাৰ টকাত দিল্লীত বিক্ৰী কৰিছিল ২গৰাকী কিশোৰীক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ১৭ নৱেম্বৰ ঃ** ৰাজ্যখনত মানৱ সৰবৰাহকাৰীৰ ঘটনাই এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বিশেষকৈ বিটিচিৰ অন্তৰ্ভুক্ত ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত পানেৰী আৰক্ষীয়ে পুনৰ মানৱ সৰবৰাহকাৰী এগৰাকীক গ্ৰেপ্তাৰ ■ ৮ পৃষ্ঠাত

## যোগীলৈ পত্ৰ বিজেপি বিধায়কৰ

■ শ্ৰদ্ধা ৱাকাৰ হত্যা ঃ 'লাভ জেহাদ' গোচৰত কঠোৰ শাস্তি বিহিবলৈ আইন সংশোধন কৰক



*গুৱাহাটীত সংবাদ মেল সম্বোধন বক্সাৰ লাভলিনা বৰগোহাঞিৰ*

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৭ নৱেম্বৰ ঃ** শ্ৰদ্ধা ৱাকাৰ হত্যাই এতিয়া দেশ জোকাৰি আছে। এনে সময়তে লাভ জেহাদৰ বিৰুদ্ধে অধিক কঠোৰ হ'বলৈ আইন সংশোধনৰ পোষকতা কৰিছে এগৰাকী বিজেপি বিধায়কে। বিজেপি বিধায়ক ৰাজেশ্বৰ সিঙে বৃহস্পতিবাৰে উত্তৰ ■ ৮ পৃষ্ঠাত



## অসম মাতৃৰ কলংকিত পুত্ৰ-কন্যা আৰু আমাৰ কামনা

■ অৰূপ ডেকা

দৈনন্দিন বাৰ্তা

অসম আমাৰ ৰূপহী গুণৰো নাই শেষ। প্ৰাণ ঢালি গাইছিল সুধাকণ্ঠই। এইখন অসমত ওলাল মানুহ নামধাৰী কেইজনমান কুলাংগাৰ। আজি কিছুদিন পূৰ্বে এজনী কিশোৰীৰ মৃত্যু হৈছিল ৰহস্যজনকভাৱে। স্থান আছিল মঙলদৈৰ ধূলা। কিশোৰীজনীৰ মৃত্যু হৈছিল দেশ ৰক্ষাৰ নামত বুলেট কামুৰি শপত লোৱা এজন সেনাৰ ঘৰত। কৃষ্ণ কমল বৰা। দেশৰ বাবে প্ৰাণ দিবলৈ সাজু থকা জাগ্ৰত প্ৰহৰী। বিকৃত মানসিকতাৰ ■ ৮ পৃষ্ঠাত

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়ৰ, ১৭ নৱেম্বৰ ঃ** উজনিৰ অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অৰাজক পৰিস্থিতিৰ সৃষ্টি হৈছে। পুনৰ নতুন বিতৰ্কত নাহৰৰ দেশ ডিব্ৰুগড় বিশ্ববিদ্যালয়। কেইমাহমানৰ পূৰ্বে বিশ্ববিদ্যালয়ত মাচুল বৃদ্ধিক লৈ হৈছিল এক অপ্ৰীতিকৰ পৰিস্থিতি। এই ঘটনাৰ পিছত এইবাৰ ছাত্ৰৰ ■ ৮ পৃষ্ঠাত

## ৰাজ্যত পথ দুৰ্ঘটনাত হতাহত বহুজন

**খালিংদুৱাৰ বনাঞ্চলত টহলদাৰী বনকৰ্মীৰ হাতত চোৰাং চিকাৰী নিহত**

**ৰহাৰ বাৰপূজীয়াত প্ৰাতঃ ভ্ৰমণলৈ স্বামীৰ লগত আহি মৃত্যু পত্নীৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৭ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত কটকীয়াৰ ৩১নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱতি নিশা এক পথ দুৰ্ঘটনাত এজনী যুৱতী থিতাতে নিহত হোৱাৰ বিপৰীতে আন এগৰাকী যুৱতীৰ লগতে গাড়ীখনৰ চালক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাটোত হতাহত তিনিওগৰাকীৰ ঘৰ গুৱাহাটীৰ ওদালবাক্ৰাত বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণী অনুসৰি তিনিগৰাকীয়ে এ এছ-০৪ আৰ-৪৩২২ নম্বৰৰ ছুইফট্ ডিজেয়াৰ গাড়ীখনেৰে গুৱাহাটীৰ পৰা নলবাৰীৰ ৰাস মহোৎসৱ উপভোগ কৰাৰ বাবে আহি থকা মুহূৰ্তত উক্ত স্থানত পুৱতি নিশা গাড়ীখনে নিয়ন্ত্ৰণ হেৰুৱাই লুটিবাগৰ মৰাৰ লগতে পথটোৰ ৰেলিঙত প্ৰচণ্ড খুন্দা মাৰে। ফলত গাড়ীখন চূৰ্ণ-বিচূৰ্ণ হোৱাৰ উপৰি পৰিস্মিতা কলিতা (২৮) নামৰ যুৱতীগৰাকী থিতাতে নিহত হয়। আনহাতে, পৰিস্মিতাৰ বায়েক সুস্মিতা ■ ৮ পৃষ্ঠাত

# ৰাজধানীত লাচিত জয়ন্তী

**সফল আয়োজনৰ বাবে দিল্লীত বিত্তমন্ত্ৰী অজন্তা নেওগৰ ব্যাপক তৎপৰতা**



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৭ নৱেম্বৰ ঃ** অসম চৰকাৰে ২৩ নৱেম্বৰৰ পৰা নতুন দিল্লীত মহাবীৰ লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্ম-জয়ন্তীৰ আয়োজন কৰিছে। এই উপলক্ষে গঠন কৰা খাদ্য সমিতিৰ অধ্যক্ষ তথা অসম চৰকাৰৰ বিত্ত, মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ ইতিমধ্যে প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে নতুন দিল্লীত উপস্থিত হৈছে। বিত্তমন্ত্ৰী নেওগে আজি বিজ্ঞান ভৱনলৈ গৈ কাম-কাজৰ বুজ লয়। এই পৰিদৰ্শনৰ সময়ত অসম চৰকাৰৰ আন এগৰাকী মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম আৰু বিধায়ক দিগন্ত কলিতাও মন্ত্ৰী নেওগৰ সৈতে উপস্থিত থাকে। ইয়াৰ পিছত নেওগে অসম ভৱনত খাদ্য সমিতিৰ সকলো বিষয়ববীয়াৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত বিধায়ক দিগন্ত কলিতাৰ উপৰি মানৱ ডেকা আৰু অমিয় কুমাৰ ভূঞাও উপস্থিত থাকে। উল্লেখ্য যে, আহোম সেনাপতি লাচিত বৰফুকনৰ বীৰত্ব আৰু দেশপ্ৰেমৰ সৈতে দেশবাসীক পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে এই বছৰ অসম চৰকাৰে নতুন দিল্লীত লাচিত দিৱসৰ আয়োজন কৰিছে। অহা ■ ৮ পৃষ্ঠাত

## পুৱা চাহ পিয়েই চিকিৎসাধীন

**চাহপাতৰ কীটনাশক দব্য ফুৰাডন ঃ পুৱাৰ ভাগত চাহ খাই চাৰিজন চিকিৎসাধীন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ১৭ নৱেম্বৰ ঃ** খুমটাই নগাঁও অঞ্চলৰ ৰঙাই গগৈ নামৰ এটা পৰিয়ালে আন দিনাৰ দৰে পুৱাৰ ভাগত চাহ খাই অসুস্থ হৈ গোলাঘাট চিকিৎসালয়ত চিকিৎসাধীন হ'ব লগাত পৰে। প্ৰাপ্ত তথ্য মতে যুৱকজনৰ মাতৃ মানসিক বিকাগ্ৰস্ত হোৱাত চাহপাতৰ লগত ঘৰত কৃষি কৰ্মৰ বাবে ■ ৮ পৃষ্ঠাত

## নাজিৰাত গ্ৰেপ্তাৰ ভুৱা চিকিৎসক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেছাগড়, ১৭ নৱেম্বৰ ঃ** নাজিৰা মহকুমাৰ গেলেকীত অৱস্থিত আৰোগ্যম মেডিকেলত চিকিৎসা আগবঢ়াই আহিছিল এজন ভুৱা চিকিৎসকে। দেৱাশিস দত্তই ব্যৱহাৰ কৰি থকা প্ৰেছক্ৰিপচনত উল্লিখিত অসম মেডিকেল কাউঞ্চিলৰ পঞ্জীয়ন নং প্ৰকৃততে ডাঃ জেচী শ্বেতা মুকেশৰ নামতহে পঞ্জীকৃত হৈ থকা বুলি সূত্ৰত প্ৰকাশ। বেলেগৰ নামত পঞ্জীকৃত ■ ৮ পৃষ্ঠাত

**ৰজাই ভাল পায় যাক**

## তৃতীয় বৰ্গৰ কৰ্মচাৰী হ'ল ৰাজপত্ৰিত বিষয়া



**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ১৭ নৱেম্বৰ ঃ** কেনেদৰে চলিছে অসমৰ প্ৰশাসন যন্ত্ৰটো। অদৃশ্য শক্তিৰ বলত বলীয়ান এচামৰ এতিয়া কপাল ফুলাৰ যোগ। ইতিমধ্য 'দৈনন্দিন বাৰ্তা'ই উদঙাই দি আহিছে স্বাস্থ্য বিভাগৰ অদ্ভুত কৰ্মকাণ্ড। শেহতীয়াকৈ আমাৰ হাতত পৰিছে এক ভয়ংকৰ তথ্য। এগৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক স্বাস্থ্য বিভাগে ৰাজপত্ৰিত বিষয়া হিচাপে সংস্থাপিত কৰাৰ ঘটনাই প্ৰশাসন যন্ত্ৰটোৰ নগ্ন স্বৰূপ উদঙাই দিছে। বিধানসভা সচিবালয় সেৱা কেন্দ্ৰত কৰ্মৰত ফাৰ্মাচিষ্টগৰাকীৰ স্বাস্থ্য বিভাগে উপ-সঞ্চালক হিচাপে অতিৰিক্ত দায়িত্ব অৰ্পণ কৰিছে স্বাস্থ্য সঞ্চালকৰ ফাৰ্মাচী শাখাত। স্বাস্থ্য ■ ৮ পৃষ্ঠাত

## পানী শুকাল, তলি ওলাল জিলিকিল ডুবা নাৱৰ টিং



■ নগৰ পালিকাৰ ম'ৰবি দলঙৰ দুৰ্ঘটনাৰ দায়িত্ব স্বীকাৰ ■

## নিবিদা অবিহনে কৰিছিল ৭ কোটিৰ চুক্তি

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ১৭ নৱেম্বৰ ঃ** প্ৰেধানমন্ত্ৰীৰ গৃহভূমিত গুজৰাটৰ ম'ৰবিত ৩০ অক্টোবৰত সংঘটিত হৈছিল এক ভয়ংকৰ দুৰ্ঘটনা। ব্ৰিটিছে নিৰ্মাণ কৰা এখন ওলোমা দলং ভাঙি নিহত হৈছিল ১৩০গৰাকী ব্যক্তি। ইয়াৰে অধিকাংশই আছিল মহিলা আৰু শিশু। উল্লেখ্য যে শতবৰ্ষ গৰকা দলংখন ■ ৮ পৃষ্ঠাত

**চৰকাৰৰ সিদ্ধান্ত**

## সকলো স্মাৰ্টফোনতে ব্যৱহাৰ কৰিব লাগিব টাইপ-চি চাৰ্জিং প'ৰ্ট

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৭ নৱেম্বৰ ঃ** ভাৰত চৰকাৰে আন ইউৰোপীয় দেশৰ দৰেই ভাৰততো শীঘ্ৰে সকলো স্মাৰ্টফোনতে ব্যৱহাৰ হ'ব টাইপ-চি চাৰ্জিং প'ৰ্ট। চৰকাৰৰ সিদ্ধান্ত অনুসৰি সকলো ডিভাইচৰ বাবে এটা ইউএছবি টাইপ চি চাৰ্জাৰ থাকিব। আনহাতে, কম ■ ৮ পৃষ্ঠাত



*দুৰ্ঘটনা নহয়, মকড্ৰিল*

## নগাঁৱত গৰু চোৰ

**বৃহৎ গৰু চুৰি চক্ৰক গ্ৰেপ্তাৰৰ দাবী সৰ্বসাধাৰণ ৰাইজৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ১৭ নৱেম্বৰ ঃ** নগাঁৱত অব্যাহত আছে বৃহৎ গৰু চুৰি চক্ৰ। নগাঁও জিলাৰ হাতীচোং-শিলপুখুৰী-কাছমাৰী মৌজাৰ বিভিন্ন প্ৰান্তত দিনক দিনে গৰু চুৰি চক্ৰ অব্যাহত থকাৰ মাজতে যোৱা নিশা নগাঁও চহৰৰ নিকতবৰ্তী হুজগাঁৱৰ এঘৰ গৃহস্থীৰ গোহালিৰ পৰা দুজনীকৈ খিৰতি গাই চুৰি ■ ৮ পৃষ্ঠাত

**১৯ নৱেম্বৰত পুৰুষহীন 'ৰেলী'**

## ৰাহুল গান্ধীৰ নাৰীসীন সমদল



**কংগ্ৰেছৰ ভাৰত জোড়ো যাত্ৰা**

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৭ নৱেম্বৰ ঃ** ১৯ নৱেম্বৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্ম বাৰ্ষিকী উপলক্ষে সেইদিনা ভাৰত জোড়ো যাত্ৰাৰ সময়ত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ সৈতে কেৱল মহিলাসকলেহে খোজ কাঢ়িব বুলি বৃহস্পতিবাৰে ■ ৮ পৃষ্ঠাত

*অসম আৰু মিজোৰাম চৰকাৰৰ মাজত সীমা সমস্যা সমাধান সম্পৰ্কীয় চুক্তিত স্বাক্ষৰ*



## বৃহৎ কেলেংকাৰিয়ে কঁপাইছে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ

**সংবাদ মেলৰ জৰিয়তে বিস্ফোৰক অভিযোগ— পৰিষদৰ অপসাৰিত মুখ্য কাৰ্যবাহী দীপুৰঞ্জন মাক্ৰাৰীক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ**



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৭ নৱেম্বৰ ঃ** ৰাজ্য কঁপাই যোৱা উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদতকৈ অতি ভয়ংকৰ কেলেংকাৰি সংঘটিত হৈছে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদত। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাই আজি এক ■ ৮ পৃষ্ঠাত

## জুতি লওঁ আহক বিশ্বৰ আটাইতকৈ দামী চাহ পিয়লাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, ১৭ নৱেম্বৰ ঃ** আপুনি-মই বহু চাহৰ সোৱাদ ল'লো। কেতিয়াবা অসমৰ চাহ, কেতিয়াবা দাৰ্জিলিঙৰ চাহ। পিছে পৃথিৱীৰ ভিতৰত আটাইটকৈ দামী চাহ ক'ত আছে জানেনে। চীন দেশৰ 'দ্য হং পাও' চাহ বিধ বিশ্বৰ ভিতৰত আটাইটকৈ দামী চাহ হিচাপে জনাজাত। ২০১৬ চনত এইবিধ চাহৰ দাম আছিল ৬ লাখ ৭২ হাজাৰ টকা। কি আছে এই চাহ বিধত। আপুনি শুনি আচৰিত হ'ব যে এই চাহ পান কৰিলে যিকোনো ব্যক্তিৰ তেজ চলাচল নিয়মিত হয়। একেদৰে চাল, শৰীৰৰ চৰ্বি হ্ৰাস কৰে। কোনো ব্যক্তি যদি কফ বা কাহৰ ৰোগত আক্ৰান্ত হৈ আছে, এই চাহ পান



কৰিলে সোনকালে আৰোগ্য হয়। আনকি দেহৰ অৱসাদ, ক্লান্তি নিমিষতে দূৰ হয়। সুৰাপান কৰা বদ অভ্যাস এইবিধ চাহে নোহোৱা কৰাত যথেষ্ট সহায়ক হিচাপে কাম কৰে। আচৰিত কথা যে এইবিধ চাহ প্ৰতিদিনে সেৱন কৰিলে প্ৰচুৰভাৱে বৃদ্ধি পায় বুদ্ধিমত্তা। জনবিশ্বাস মতে চীনৰ এজন অতি বুদ্ধিমান যুৱক ৰাই পৰ্বতমালাৰ ওচৰত হঠাৎ অসুস্থ হৈ পৰিছিল। সেই সময়ত এগৰাকী সন্ন্যাসী যুৱকজনৰ ওচৰত থিয় হৈ এটা পিয়লা আগবঢ়াই দিলে। উদ্বিগ্ন চিন্তিত যুৱকজনে পিয়লাত থকা পনীয়খিনি কোৎ কোৎকৈ পি খালে। আশ্চৰ্যজনকভাৱে মাত্ৰ কেইটামান মুহূৰ্তৰ পিছত গুৰুতৰভাৱে অসুস্থ যুৱকজন ■ ৮ পৃষ্ঠাত

### গুৱাহাটীত বিশাল নামঘৰ সমাৰোহ

# পালনাম ক্ষেত্ৰত থীম ছং মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৭ নৱেম্বৰ ঃ** ডিচেম্বৰ মাহৰ ২, ৩ আৰু ৪ তাৰিখে উত্তৰ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰত আউনীআটী সত্ৰই আয়োজন কৰা বিশাল নামঘৰ সমাৰোহৰ থীম ছং 'নামঘৰ' কালি আনুষ্ঠানিকভাৱে মুকলি কৰে মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামে। আউনীআটী সত্ৰত প্ৰতি বছৰে অনুষ্ঠিত হোৱা ঐতিহাসিক পঞ্চদিৱসীয় পালনামৰ অন্তিম দিনাৰ ৰাজহুৱা সভাত এই থীম ছঙৰ উপৰি আন তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহিত হয়। উল্লেখ্য,পালনামৰ শেষৰ দিনা বিয়লি ৪.৩০ বজাৰ পৰা এখন বৃহৎ ৰাজহুৱা সভা সত্ৰাধিকাৰৰ আৱাসগৃহৰ চৌহদত অনুষ্ঠিত হয় আৰু তাতেই সত্ৰাধিকাৰৰ পৰৱৰ্তী বছৰৰ গুৰুত্বপূৰ্ণ ঘোষণাসমূহ, মেট্ৰিকত সংস্কৃত বিষয়ত সৰ্বোচ্চ নম্বৰ পাওঁতালৈ শ্ৰীশ্ৰীগোবিন্দ স্বৰ্ণ পদক প্ৰদান আদি কাৰ্যসূচী ৰূপায়ণ হয়। সিদিনাৰ সভাখনত সভাপতিত্ব কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞাই। তুলসী ৰাজখোৱাই আঁত ধৰা সভাখন ভোগেশ্বৰ শাস্ত্ৰীৰ মংগলাচৰণেৰে আৰম্ভ হয়। আজি ঐতিহাসিক শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ তথা আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য বিদ্বৎ ভূষণ ড° শ্ৰীশ্ৰীপীতাম্বৰ



দেৱগোস্বামী প্ৰভুৱে শ্ৰীমাধুৰ্য বৰাৰ দ্বাৰা শ্ৰীমদ্ভাগৱতৰ একাদশ স্কন্ধৰ অসমীয়া ৰূপান্তৰ, কথা একাদশ স্কন্ধ নামেৰে কথানুবাদ কৰা গ্ৰন্থখন শ্ৰীশ্ৰীসত্ৰাধিকাৰ প্ৰভুৰ শ্ৰীহস্তৰে উন্মোচন কৰাৰ লগতে নামঘৰ সমাৰোহৰ বিষয়ে ৰাইজক বিতংভাৱে উল্লেখ কৰে। সভাত সত্ৰাধিকাৰ প্ৰভুৰ ৰচিত তৰালি শৰ্মাৰ সুৰ আৰু কণ্ঠৰ নাম সমাৰোহৰ থীম ছং 'নামঘৰ' ৰাইজক শুনোৱা হয়। সভাত জগত হাজৰিকাই সত্ৰৰ পৰা কমলাবাৰীলৈ পথছোৱা ফ'ৰলেনসদৃশ কৰিব লাগে বুলি প্ৰস্তাৱ দিয়ে। সভাতেই বিধায়কে এই বিষয়ে বিভাগৰ লগত আলোচনা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত 'মাজুলী সাহিত্য সভা'ৰ সভাপতি কমল দত্তই বক্তব্য দি মাজুলীৰ ঐতিহ্য ৰক্ষাৰ বাবে সত্ৰাধিকাৰ প্ৰভুক নেতৃত্ব ল'বলৈ আহ্বান জনায়। আন এটা প্ৰস্তাৱত সভাপতিগৰাকীয়ে মাজুলী আঁহতগুৰিত ১৫২২ চনত দুজনা গুৰুৰ মিলনৰ ইতিহাস বিকৃত কৰিবলৈ দুই-একে প্ৰয়াস কৰা, আগন্তুক অসম সাহিত্য সভা অধিৱেশনক কেন্দ্ৰ কৰি তেনে কাৰ্য কৰাৰ কথা উল্লেখ কৰি তাৰ বিৰুদ্ধে এটা প্ৰস্তাৱ দাঙি ধৰে। তেনে কাৰ্যৰ বিৰুদ্ধে মাজুলীৰ সাহিত্য আৰু আঁহতগুৰি সন্মিলনে লোৱা পদক্ষেপৰ অন্তৰ্গত অহা ২১, ২২ আৰু ২৩ জানুৱাৰীত আউনীআটীয় সত্ৰাধিকাৰ মুখ্য উপদেষ্টা আৰু অসমৰ মুখ্যমন্ত্ৰীৰ মুখ্য পৃষ্ঠপোষকতাত আঁহতগুৰি মৌজাৰ শিকলি চাপৰিত আয়োজন কৰা আঁহতগুৰি উৎসৱলৈ ৰাইজক নিমন্ত্ৰণ কৰে আৰু বিভিন্ন দিশ উল্লেখ কৰি ৰাইজৰ সহযোগিতা কামনা কৰে। সভাই সেই কেউটা প্ৰস্তাৱলৈ সমৰ্থন জনাই ঐতিহ্য বিকৃত নকৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত প্ৰভাত বৰা বুঢ়াভকতে কয়, শংকৰ মাধৱৰ মণিকাঞ্চন মিলন মাজুলীত নোহোৱা বুলি কোৱাৰ বিৰুদ্ধে মাজুলী কিয় সমগ্ৰ অসমে প্ৰতিবাদ কৰিব। আজি দুপৰীয়া ১১ বজাত হিয়ানাম, গায়ন-বায়ন প্ৰদৰ্শনেৰে সভাৰ অন্তত পালনামৰ সামৰণি পৰে।

# প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃজন কাৰ্যসূচীৰ সজাগতামূলক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১৭ নৱেম্বৰ ঃ** প্ৰধান মন্ত্ৰীৰ নিয়োগ সৃজন কাৰ্যসূচীৰ অধীনত অসম ৰাজ্যিক খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ উদ্যোগত ডিগাৰুৰ বামুনখাটস্থিত আমচং চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত নিবনুৱা যুৱক-যুৱতী আৰু গৃহিণীসকলৰ বাবে স্বনিয়োজনৰ এক বিশেষ সজাগতামূলক সভাৰ আয়োজন কৰা হয় ।সজাগতামূলক সভাখনত বৃহত্তৰ ডিগাৰু অঞ্চলৰ বামুণখাট, ঘগুৱা, হালধিবাৰী, আমচং আদিৰ প্ৰায় ১২০ গৰাকী নিবনুৱা যুৱক-যুৱতী, গৃহিণী আৰু ভিন্ন বয়সৰ ব্যক্তিয়ে অংশ গ্ৰহণ কৰে । আমচং চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উপেন গোস্বামীয়ে অভ্যাগতসকলক আদৰণি জনোৱাৰ লগতে সভাখনৰ আঁত ধৰে। সভাত উপস্থিত থাকি খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ উপ মুখ্য কাৰ্যবাহী বিষয়া ড° সুকমল দেৱে কয় যে প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃজন কাৰ্যসূচীৰ অধীনত এতিয়ালৈকে চাৰিশৰো অধিক কৰ্মআঁচনি অন্তৰ্ভুক্ত কৰা হৈছে যাৰ জৰিয়তে প্ৰতিগৰাকী নিবনুৱাই নিজৰ সুবিধা অনুসৰি কৰ্ম নিৰ্বাচন কৰি নিযুক্ত হ'ব পাৰে। প্ৰতিখন গাঁৱতে একোজন ভাল মানুহৰ প্ৰয়োজন যি আনক পথ দেখুৱাই সঠিক নিৰ্দেশনা দিব পাৰে, পৰৱৰ্তী সময়ত তেওঁৰ পদাংক অনুসৰণ কৰি ৰাইজে নিজেই বাট বুলিবলৈ সক্ষম হ'ব। গাঁৱত কাম কৰাৰ প্ৰচুৰ সম্ভাৱনা আৰু সমল আছে প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃজন কাৰ্যসূচীয়ে এইক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ সহকাৰী সঞ্চালক মিল্টন পাঠকে প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃজন আঁচনিৰ সুবিধাসমূহ , কেনেদৰে আবেদন জনাব, আৱেদনকাৰীৰ যোগ্যতা, বেঙ্কৰ সৈতে যোগাযোগ আদি বিষয়সমূহ সুন্দৰভাৱে উপস্থাপন কৰে। অনুষ্ঠানত উপস্থিত থাকি ভাৰতীয় ষ্টেট বেঙ্কৰ গুৱাহাটী ৰিজনেল কাৰ্যালয়ৰ মুখ্য পৰিচালক দীপমজু সোণোৱাল আৰু ভাৰতীয় ষ্টেট বেঙ্ক নাৰেঙ্গী শাখাৰ পৰিচালক পঙ্কজ কুমাৰে আবেদনকাৰীসকলক ঋণ প্ৰদানৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা তথ্য-পাতি আৰু বেঙ্কৰ পৰা আগবঢ়োৱা সুবিধাসমূহৰ বিষয়ে অৱগত কৰে । জিলা উদ্যোগ কেন্দ্ৰৰ সহকাৰী পৰিচালক দুল দাস আৰু মনোবিশেষজ্ঞা ত্ৰিবেনী ভট্টাচাৰ্যই উপস্থিত হিতাধিকাৰীসকলৰ সৈতে মতবিনিময় কৰাৰ লগতে তেখেতসকলৰ বৃত্তিগত দিশত সহায়ক হোৱাকৈ পৰামৰ্শ আগবঢ়ায়।

# নামনি তিমতিমীয়াত মহিলা আৰু যুৱ প্ৰজন্মৰ ৰাস লীলাত মুগ্ধ অগণন দৰ্শক

**দৈনন্দিন বাৰ্তাৰ সেৱা, দক্ষিণ যোৰহাট, ১৭ নৱেম্বৰ ঃ** আধ্যাত্মিক প্ৰসঙ্গ অক্ষুণ্ণ ৰখা আৰু শিল্পী সৃষ্টিত মনোনিৱেশ কৰি অহা দক্ষিণ যোৰহাটৰ ন-আলি নামনি তিমতিমীয়া ৰাস উৎসৱত এইবাৰ মহিলা আৰু যুৱ প্ৰজন্মক প্ৰাধান্য দিয়া হয়। যোৱা ১৫ নৱেম্বৰত যুৱ আৰু ১৬ নৱেম্বৰত মহিলাৰ দ্বাৰা শ্ৰীশ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা



ৰূপায়ণ হৈ যায়। উদ্‌যাপন সমিতিৰ সভাপতি বিনোদ গগৈয়ে ৰাস ধ্বজা উত্তোলনেৰে উৎসৱ শুভাৰম্ভ কৰে। সদ্যপ্ৰয়াত ৰাসৰ এজন পৃষ্ঠপোষক উদ্যোক্তা সোমেশ্বৰ বড়া, সহকাৰী পৰিচালক গুণকান্ত গগৈ, ৰাসৰ সৈতে জড়িত উমাকান্তি শইকীয়া, বুদ্ধেশ্বৰী বৰা আৰু পুনি শইকীয়াৰ স্মৃতিচাৰণ কৰে পৰিচালক প্ৰফুল্ল প্ৰাণ গগৈয়ে। অনুষ্ঠানৰ আঁত ধৰে কাৰ্যকৰী সভাপতি বিকাশ গগৈয়ে। প্ৰথম ৰজনীৰ মঞ্চ মুকলি অনুষ্ঠানত জলসিঞ্চন বিভাগৰ কেইবাজনো বিষয়াই ভাগ লয়। দ্বিতীয় ৰজনী ডা: নবীন বৰদলৈ মহাবিদ্যালয়ৰ অধ্যাপক ৰাণাজিৎ গগৈয়ে শুভ উদ্বোধন কৰে। ভক্তি প্ৰদীপ আগবঢ়াই নামঘৰীয়া জীৱন গগৈয়ে। মহিলাসকলে যেনেদৰে দৰ্শকক আপুত কৰে তেনেদৰে যুৱ প্ৰজন্মৰো সমানে দৰ্শকৰ দৃষ্টি ধৰি ৰাখিবলৈ সক্ষম হয়। নাতি মুখ দেখা যমুনা বৰাই গোৱালৰ চৰিত্ৰত খাপ খাই পৰাই নহয়, মঞ্চৰ শিশু আৰু যুৱতী সকলো চৰিত্ৰক নিয়ন্ত্ৰণ কৰে। ভকতনী সেউতী গগৈয়েও বাৰুকৈয়ে আমোদ দিয়ে। প্ৰথম ৰজনীৰ শিশু কৃষ্ণ ময়ুৰ গগৈৰ বুদ্ধিমত্তা মানিবলগীয়া। দ্বিতীয় ৰজনীৰ শিশু কৃষ্ণ ৰুমাপ্তী গগৈয়েও দৰ্শকক আপ্লুত কৰিলে। প্ৰায় যাঠিগৰাকী অভিনেতা-অভিনেত্ৰীৰ মাজৰ পৰা মোহিনী পুতনা ময়ুৰী গগৈ, নন্দ ননী গগৈ, বিনয় কুমাৰ শইকীয়া, যশোদা পূৰ্ণিমা শইকীয়া, শিশু লীলাৰ কৃষ্ণ লক্ষ্যজিৎ গগৈ, মহাৰাসৰ কৃষ্ণ নৰজিৎ গগৈ, দেৱজানী বৰা, নাৰদ ৰেখা বৰা, দৈৱকী বৰষা ৰাণী শেনচোৱা, জুমী গগৈ, ৰুহিনী ৰিজু গগৈ সফল বুলিব পৰাকৈ সুকীয়া নজৰলৈ আহে। পৰিচালক প্ৰফুল্ল প্ৰাণ গগৈৰ প্ৰচেষ্টা স্বীকাৰ্য। সহকাৰী পৰিচালক নৰজিৎ গগৈ, নৃত্য পৰিচালক ঈশ্বৰ প্ৰদত্ত গগৈৰ কষ্ট শলাগ ল'বলগীয়া। গাঁও তথা অঞ্চলৰ উপৰি ভিন্ন প্ৰান্তৰ শুভাকাংক্ষীৰ কষ্ট, যত্ন, অৱদান স্বীকাৰ কৰিব লাগিব। প্ৰশাসনৰ সহযোগিতাও উল্লেখযোগ্য। বিভিন্ন দিশৰ শিল্পী সৃষ্টি হ'ব ধৰা এই আধ্যাত্মিক উৎসৱৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাত সকলোৱে সহযোগিতা কৰিব নোৱাৰিলেও বিৰূপ প্ৰভাৱ পেলাব নালাগে। নামনি তিমতিমীয়া ৰাস উৎসৱৰ যাত্ৰা অব্যাহত থাকক।

# অভয়পুৰত ইণ্ডিয়ান বেংকৰ 'উত্তৰ গুৱাহাটী' শাখা মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ১৭ নবেম্বৰ ঃ** দেশৰ অৰ্থনীতিত ইণ্ডিয়ান বেংকে এক যোগাত্মক অৰিহণা যোগাই আহিছে। ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ ভিতৰত ৰাইজৰ মাজত ইণ্ডিয়ান বেংক অতি জনপ্ৰিয়। গাঁও-চহৰ সকলোতে ইণ্ডিয়ান বেংক এটি পৰিচিত নাম । কামৰূপ জিলাৰ অন্তৰ্গত উত্তৰ গুৱাহাটীৰ অভয়পুৰত বুধবাৰে ইণ্ডিয়ান বেংকৰ উত্তৰ গুৱাহাটী শাখা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয় । ইণ্ডিয়ান বেংক, ইণ্ডিয়ান বেংকৰ কৰ্মচাৰী আৰু গ্ৰাহকসকলক এটা পৰিয়ালৰ দৰে লৈ বেংকিং সেৱাসমূহ আগবঢ়াই আহিছে । মহিলা সবলীকৰণত ইণ্ডিয়ান বেংকৰ বিশেষ ভূমিকা আছে। জনতাৰ ধন সুৰক্ষিত ৰাখি উত্তম সেৱা প্ৰদান কৰা ইণ্ডিয়ান বেংকৰ লক্ষ্য। উত্তৰ গুৱাহাটী শাখাটোৰ যুটীয়াভাৱে উদ্ধোধনী কৰি এই মন্তব্য কৰে ইণ্ডিয়ান বেংকৰ কাৰ্যবাহী সঞ্চালক শ্ৰী ইমৰান আমিন চিদ্দিকীয়ে সভাত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লী, ইণ্ডিয়ান বেংকৰ কাৰ্যবাহী সঞ্চালক, শ্ৰী ৰাজেশ কুমাৰ সিং, ফিল্ড জেনেৰেল মেনেজাৰ, গুৱাহাটী, ইণ্ডিয়ান বেংক, শ্ৰী চন্দনেশ্বৰ গোস্বামী, জ'নেল মেনেজাৰ,ইণ্ডিয়ান বেংক, লগতে উত্তৰ গুৱাহাটী অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলৰ উপৰিও শতাধিক স্হানীয় ব্যক্তিয়ে উদ্ধোধনী অনুষ্ঠানত ভাগ লয়। ইণ্ডিয়ান বেংকে আগবঢ়োৱা আঁচনিসমূহ অতিকৈ প্ৰশংসনীয় বুলি উল্লেখ কৰাৰ লগতে গ্ৰাহকসকলে পূৰ্বে সন্মূখীন হোৱা বহু সমস্যাৰ অন্ত পৰিব বুলি আশা কৰা হৈছে। এতিয়াগ্ৰাহক সকলে গুৱাহাটীত থকা তেওঁলোকৰ ইণ্ডিয়ান বেংকৰ একাউণ্ট এই শাখালৈ আনিব পাৰিব।

# অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া, সাংস্কৃতিক কৰ্মী অজিত বৰদলৈৰ কণ্ঠত জাতীয় বীৰ লাচিত বৰফুকনৰ আৰু লাচিত মৈদামৰ আধাৰত আধুনিক গীত মুকলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৭ নবেম্বৰ ঃ** পূব যোৰহাট প্ৰেছ ক্লাবত সাংস্কৃতিক কৰ্মী অৱসৰপ্ৰাপ্ত প্ৰসাশনিক বিষয়া অজিত কুমাৰ বৰদলৈৰ কণ্ঠত লাচিত বৰফুকন আৰু লাচিত মৈদামৰ আধাৰত ৰচিত এটি আধুনিক গীত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। লাচিতে কৈছে মৈদামৰ পৰা শীৰ্ষক গীতটিত কথা সুৰ অজিত কুমাৰ বৰদলৈৰ। বাণীবন্ধন কৰিছে কাকজানৰ বালাজী মিউজিক ৱৰ্ল্ডত। উল্লেখযোগ্য যে লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী লগত সংগতি ৰাখি শিল্পীগৰাকীৰ এই গীতটি মুকলি কৰি লাচিতৰ লগতে লাচিত মৈডামৰ বিষয়ে ৰাইজক অৱগত কৰাৰ স্বাৰ্থত এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি জানিবলৈ দিছে। এই গীতটি উন্মোচনী অনুষ্ঠানত পূব যোৰহাট প্ৰেছ ক্লাৱৰ সভাপতি ৰাম প্ৰসাদ ফুকন,সম্পাদক বিকাশ সন্দিকৈ, বিশিষ্ট নিবন্ধকাৰ ডঞ্জ পংকজ গোস্বামীকে প্ৰমুখ্য কৰি কেইবাজনো ব্যক্তি উপস্থিত থাকি শিল্পীগৰাকীৰ এই পদক্ষেপক আদৰণি জনায়।

# উত্তৰ শালমাৰা মহকুমা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৭ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি কালি উত্তৰ শালমাৰা মহকুমা তথ্য আৰু জনসংযোগ বিভাগৰ



উদ্যোগত আৰু মহকুমা প্ৰশাসনৰ সহযোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰে। প্ৰেছ দিৱসত 'জাতি গঠনত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ধীৰেন শৰ্মা। মহকুমাধিপতি চিমী কৰনে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসত উপস্থিত থকা প্ৰায় ২০জন সাংবাদিকক ফুলাম গামোচা, কলম, বহী আৰু ফাইল কভাৰে সম্ভধনা জনায়। উত্তৰ শালমাৰা মহকুমাৰ সমস্যা সমাধান আৰু উন্নয়নৰ বাবে মহকুমা প্ৰশাসনক সহযোগিতা কৰিবলৈ সাংবাদিকসকলক আহ্বান জনায় মহকুমাধিপতি চিমী কৰনে ।মহকুমাধিপতি কাৰ্য্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত জেষ্ঠ্য সাংবাদিক বিনোদ বিহাৰী নাথ, কোকিলা প্ৰেছ ক্লাৱৰ সভাপতি মকিবুল ইছলাম,যুৱ সাংবাদিক মফিদুল ইছলাম আৰু মনোৱাৰ হুছেইনে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ ভাষণ দিয়ে। আনহাতে সভাত একমাত্ৰ মহিলা সাংবাদিক ৰিংকুমনি বৰুৱা উপস্থিত থাকে।

# সদৌ অসম ভিত্তিত পাণ্ডুলিপি প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** 'কিতাপ পঢ়াৰ আন্দোলন' গঢ় দিয়াৰ লক্ষ্যৰে অসমৰ অগ্ৰণী প্ৰকাশন প্ৰতিষ্ঠান সেউজ প্ৰকাশনে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। বিগত বৰ্ষৰ দৰে এই বৰ্ষতো গ্ৰন্থৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সমান্তৰালকৈ অসমীয়া ভাষাৰ প্ৰতিশ্ৰুতিসম্পন্ন লেখক-লেখিকাসকলক উদ্‌গনি যোগোৱাৰ উদ্দেশ্যে সেউজ প্ৰকাশনে আয়োজন কৰিছে সদৌ অসম ভিত্তিত পাণ্ডুলিপি প্ৰতিযোগিতা। সকলো বয়সৰ লোকৰ বাবে মুকলি এই পাণ্ডুলিপি প্ৰতিয়োগিতাৰ বাবে অসমৰ ইচ্ছুক ন-পুৰণি লেখক-লেখিকাৰ পৰা স্বৰচিত গল্প, প্ৰবন্ধ, কবিতা, উপন্যাস, নাটকৰ পাণ্ডুলিপি আহ্বান কৰা হৈছে। স্বনামধন্য সাহিত্যিক, লেখকৰ জৰিয়তে প্ৰতিযোগীসকলৰ মাজৰ পৰা গল্প, প্ৰবন্ধ, কবিতা, উপন্যাস, নাটকৰ প্ৰতিটো শিতানতে প্ৰথম আৰু দ্বিতীয় প্ৰতিযোগী নিৰ্বাচিত কৰি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত স্মাৰক, প্ৰশস্তি পত্ৰ, কিতাপৰ টোপোলা প্ৰদান কৰা হ'ব আৰু নিৰ্বাচিত পাণ্ডুলিপিসমূহ ৰেহাই মূল্যত সেউজ প্ৰকাশনৰ তৰফৰ পৰা প্ৰকাশৰ দিহা কৰা হ'ব। ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্য্যায়ত ইতিপূৰ্বে পুৰস্কৃত বা অন্য প্ৰতিষ্ঠানৰ পুৰস্কাৰপ্ৰাপ্ত পাণ্ডুলিপি এই প্ৰতিযোগিতাৰ বাবে বিবেচিত নহ'ব। ইচ্ছুক প্ৰতিযোগীসকলে অহা ২৫ ডিচেম্বৰৰ ভিতৰত পোৱাকৈ তেওঁলোকৰ পাণ্ডুলিপিসমূহ সেউজ প্ৰকাশন, মেধী কমপ্লেক্স, প্ৰথম মহলা, সৰুপেটা টাউন, ডাক- সৰুপেটা, পিন- ৭৮১৩১৮, জিলা- বজালী, অসম - এই ঠিকনাত ডাক বা কুৰিয়াৰযোগে অথবা স্কেন কৰি ই-মেইল বা হোৱাট্‌ছএপ যোগেও আমালৈ প্ৰেৰণ কৰিব পাৰে। আমাৰ হোৱাট্‌ছএপ নম্বৰ- ৮৮২২৯৬১৩৭১, ই-মেইল seujprakashan@gmail.com.

## গীতিকাৰ সুৰকাৰ প্ৰদীপ বৰুৱাৰ জিকমিকিয়া জোনাকতে আধুনিক গীত উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা , কাকজান, ১৭ নৱেম্বৰ ঃ** টীয়ক বামুন পুখুৰীৰ গীতিকাৰ সুৰকাৰ প্ৰদীপ বৰুৱাৰ ৭৩ তম জন্ম দিন উলহ- মালহেৰে উদ্‌যাপন কৰা হয়। ১৯৮৩ চনতে আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ হিচাপে স্বীকৃতি পোৱাৰ পাছৰে পৰা এইজন গীতিকাৰে প্ৰায় তিনিশ গীত ৰচনা আৰু সুৰ প্ৰদান কৰি আহিছে। এইজন গীতিকাৰৰ জন্ম দিনৰ দিনা উন্মোচন কৰে জিকমিকিয়া জোনাকতে এটি আধুনিক গীত। কবি, শিশু সাহিত্যিক অৰূপজ্যোতি হাজৰিকাই আঁতধৰা অনুষ্ঠানত গীত জিকমিকিয়া জোনাকতে গীত উন্মোচন কৰে ।জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক, লেখক ড° বিৰিঞ্চি কুমাৰ বৰাই। গছৰে পাতেৰে গীতৰ সুৰ দি বিখ্যাত হোৱা সুশীল লাহনো এই অনুষ্ঠানত উপস্থিত থাকে। প্ৰদীপ বৰুৱাক ৭৩ তম জন্ম দিনৰ বিভিন্ন দল-সংগঠনে শুভেচ্ছা জ্ঞাপন কৰা লগতে টীয়কৰ শিকলি কাব্য আলোচনীয়েও তেখেতৰ জন্ম দিনৰ শুভেচ্ছা জ্ঞাপন কৰে।এই অনুষ্ঠানৰ হৈ প্ৰণৱ বৰা, ৰাজেন বৰা, সমীৰণ বৰুৱাৰ দৰে শতাধিক ব্যক্তিয়ে শুভেচ্ছা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানতে সাংবাদিক স্মৃতি প্ৰিয়া লাহন উপস্থিত থাকে।

# পশ্চিম নলবাৰী প্ৰেছ ক্লাবত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৭ নৱেম্বৰ ঃ** পশ্চিম নলবাৰী প্ৰেছ ক্লাৱত কালি সন্ধিয়া ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয় ।এই উদ্দেশ্যে সন্ধিয়া পশ্চিম নলবাৰী প্ৰেছ ক্লাবত এখন সভা অনুষ্ঠিত কৰা হয়। পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ উপদেষ্টা তথা প্ৰবীণ সাংবাদিক এম হাচান আলীয়ে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ ইতিহাসৰ ওপৰত আলোকপাত কৰাৰ লগতে প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়ায় । সভাত পশ্চিম নলবাৰী প্ৰেছ ক্লাৱৰ উপ-সভাপতি অতুল ভূঞা, সহকাৰী



সম্পাদক তপন কুমাৰ শৰ্মা, কাৰ্যনিৰ্বাহ সদস্য জোন কুমাৰ হালৈ, সাংস্কৃতিক কৰ্মী গৌতম বৰ্মন, পশ্চিম নলবাৰী যুৱ সমাজৰ কাৰ্যকৰী সভাপতি নুৰুল হক প্ৰমুখ্যে কেইবাগৰাকীয়ো বিশিষ্ট ব্যক্তিয়ে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ ওপৰত আলোকপাত কৰে। এই সভাতে পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ অন্তৰ্গত সাংবাদিকসকলক কলম, লিখন সামগ্ৰী আৰু মানপত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জ্ঞাপন কৰা হয় । তদুপৰি পশ্চিম নলবাৰী যুৱ সমাজৰ তৰফৰ পৰাও আজিৰ সভাত উপস্থিত থকা সাংবাদিকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয় । সম্বৰ্ধনা জ্ঞাপন কৰে পশ্চিম নলবাৰী যুৱ সমাজৰ কাৰ্যকৰী সভাপতি, নিবন্ধকাৰ নুৰুল হকে ।

## লাহৰীঘাটৰ গৰৈমাৰীত গঁড়ৰ নকল খড়্গ আৰু মেথোনৰ তিনিটা শিংসহ এজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৭ নবেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ গৰৈমাৰীত গঁড়ৰ এটা নকল খড়্গ আৰু মেথুনৰ তিনিটা শিংসহ এজনক আটক। লাহৰীঘাটৰ বৰছলা আৰক্ষী চকীৰ আৰক্ষীয়ে বুধবাৰে সন্ধিয়া অভিযান চলাই গৰৈমাৰীৰ পৰা জব্দ কৰে এই বন্য প্ৰাণীৰ চোৰাং সামগ্ৰীখিনি। আৰক্ষীয়ে গঁড়ৰ নকল খড়্গ আৰু মেথোনৰ শিংসহ আটক কৰা লোকজন গৰৈমাৰী লাহৰিপামৰ নুৰ মহম্মদ । বৰছলা আৰক্ষীয়ে সোধপোচ অব্যাহত ৰাখিছে আটকাধীন লোকজনক।

**Name Correction**

I Mr Amarendra Tiwari, S/O Tarkeshwar Tiwari, by caste Hindu, resident of House No-37, Nizaraban Path, Fatasil Ambari, Guwahati -25, Kamrup (M), Assam have corrected my name as Amarendra Tiwari instead of Amarendra Kumar Tiwari by an affidavit on 16th November, 2022 at Guwahati.

# লাহৰীঘাটৰ বৰবৰিত ৫ জুৱাৰী গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৭ নবেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষী জুৱাৰ বিৰুদ্ধে অভিযান অব্যাহত । বিগত ১৫ নবেম্বৰৰ নিশা প্ৰায় ১০.৩০ মান বজাত গোপন সূত্ৰৰ পম খেদি লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমিৰ হুছেইনৰ নেতৃত্বত যোৱা আৰক্ষী দলটিয়ে বৰবৰি চাৰিআলী ৰিৰ্জাভৰ হালধিবাৰীত অভিযান চলাই ৫জনকৈ জুৱাৰীক আটক কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিনৰে পৰা অভিযোগ উঠা হালধিবাৰী গাঁৱৰ দিলদাৰ আলী ঘৰত এনে জুৱাৰ আড্ডা চলাই আহিছিল ।অৱশেষত লাহৰীঘাট আৰক্ষীয়ে জুৱাৰী কেইজনক আটক কৰিবলৈ সক্ষম হয় ।আটকাধীন জুৱাৰী কেইজন ক্ৰমে - দিলদাৰ হুছেইন (২৬),আবুল হুছেইন (২৫),ৰাবুল ইছলাম (৩২),ইচাহক আলী (৪২) । ধৃত জুৱাৰী কেইজনৰ পৰা জুৱা খেলি অৱস্থাত নগদধন ৬ হাজাৰ ৬ শ ৩০ টকা, তাচপাত, তিৰ্পালসহ খেলত ব্যৱহৃত সামগ্ৰী জব্দ কৰে। ধৃত লোককেইজনে দীৰ্ঘদিনৰে পৰা অঞ্চলটোত জুৱাৰ দৰে অনৈতিক কাৰ্যকলাপ চলাই থকা অভিযোগ লাভ কৰাৰ পিছতেই আৰক্ষীয়ে যোৱা



নিশা আটক কৰে । আজি ধৃত জুৱাৰী কেইজনৰ বিৰুদ্ধে লাহৰীঘাট আৰক্ষীয়ে ৩৯৬/২২ নম্বৰত গোচৰ ৰুজু কৰি জেল হাজতলৈ প্ৰেৰণ কচ্ছেৰ।

# কীৰ্তনপাৰা জামে মছজিদৰ প্ৰথম মহলৰ কামৰ শুভাৰম্ভ অনুষ্ঠানত সমূহ ৰাইজক যোগদান কৰিবলৈ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৭ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত কীৰ্ত্তনপাৰা জামি মছজিদৰ প্ৰথম মহলৰ কাম অহা দেওবাৰ ২০ কাৰিখে শুভ আৰম্ভ কৰা হ'ব সেয়েহে সমূহ ৰাইজ পৰা উক্ত অনুষ্ঠানত যোগদান কৰিবলৈ আহ্বান জনায় লগতে সাত কোটি টকাৰ কাম ব্যায় কৰাৰ বাবে ধনৰ নাটনি হৈছে যাৰ ফলত কাম আৰম্ভ কৰিবলৈ সাহস পোৱা নাই মছজিদ কমিটিয়ে আপোনাৰ অলপ সহায় এখন তিনি মহলা মছজিদ নিৰ্মাণ কৰাত সহায় হব ।ৰাইজৰ ১ টকা বা ১০ টকা একেলগ কৰি আজি ১ কোটি টকাৰ কাম কৰিবলৈ সক্ষম হৈছে মছজিদ কমিটীয়ে আৰু অনাগত দিনত আপোনালোকৰ সহায়-সহযোগিতা কামনা কৰিছে মছজিদ কমিটীয়ে। যদি কোনোবাই মছজিদ দান কৰিব বিচাৰে তেন্তে তলত উল্লেখ কৰা একাউণ্ট বা মছজিদৰ কমিটীৰ সভাপতিৰ যিকোনো Phone pay,Google Pay কৰিব লৈ অনুৰোধ কৰিছে মছজিদ কমিটীয়ে।



## ৰাশিফলত আজিৰ দিনটো

**১ আঘোণ, শুকুৰবাৰ, ১৮ নৱেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**

**তিথি ঃ কৃষ্ণা নৱমী, নক্ষত্ৰ ঃ পূৰ্বফাল্গুনী ঃ ৰাশি ঃ সিংহ**

**সূৰ্যোদয়- ৫-৪৭-৫৯ সূৰ্যাস্ত- ৪-৩০-৩২**



■ **মেষ ঃ** বন্ধু লাভ ■ **বৃষ ঃ** উৎসৱমুখৰ পৰিৱেশ ■ **মিথুন ঃ** ভাতৃবিৰোধ ■ **কৰ্কট ঃ** গীত-মাতত সুনাম ■ **সিংহ ঃ** বিপদ আঁতৰিব ■ **কন্যা ঃ** আনন্দ ■ **তুলা ঃ** দাম্পত্য ■ **বৃশ্চিক ঃ** আত্মীয়ৰ আগমন ■ **ধনু ঃ** ভ্ৰমণ সফল ■ **মকৰ ঃ** পদোন্নতি ■ **কুম্ভ ঃ** বস্ত্ৰ লাভ ■ **মীন ঃ** ব্যস্ততা।

# বিহালী কলা গুৰি পথাৰত মুক্তভাৱে গৰু কাটি বিক্ৰী কৰি থকা অৱস্থাত এজনক আটক, দুজন পলায়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৭ নবেম্বৰ ঃ** যিটো সময়ত অসম চৰকাৰে গো হত্যাৰ বিৰুদ্ধে নতুন আইন কৰি গো নিধন বন্ধ কৰিছে সেইটো, সময়তে বিহালীত একাংশ দুষ্ট চক্ৰই গো নিধন কৰি দীৰ্ঘ দিন ধৰি এই ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। ৰাইজৰ অভিযোগ এই কলাগুৰি পথাৰ আৰু এন এইচ বি ইটা ভাটাৰ সমীপত এই ব্যৱসায় বহুদিনৰ আগৰ পৰাই চলাই আহিছে এটা দুষ্ট চক্ৰই তদুপৰি এই ব্যৱসায় বিহালী কাছমাৰী ভিতৰ অঞ্চলত চলি আছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। এই ক'লা গুৰি পথাৰতো বহুদিন ধৰি এই গো নিধন আহিছে। আজি এই গো হত্যাৰ খবৰ পাই সচেতন



লোকে বিহালী আৰক্ষীক খবৰ দিয়াত বিহালী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৰেন গগৈ ঘটনাৰ থলীত উপস্থিত হয় আৰু লগে লগে গো'মাংসবোৰ জব্দ কৰি তদন্তৰত ঘটনাৰ থলীৰ পৰা দুজন পলাই যায় যদিও থান বিহালী গাঁৱৰ মঃ অহাব আলী নামৰ এজনক আটক কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে।

জাতি, মাটি আৰু দেশৰ সেৱাত দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৮ নৱেম্বৰ ■ ২০২২ ■ ১ আঘোণ

# পুনৰ সেনা-বিদ্ৰোহীৰ মাজত সংঘৰ্ষ

দীৰ্ঘদিনৰ বিৰতিৰ মূৰত তিনিচুকীয়াৰ পেঙেৰীত পুনৰ আলফাৰ (স্বা) নিৰাপত্তাৰক্ষীৰ কনভয়ত বিস্ফোৰণ, সেনাৰ গাড়ীৰ প্ৰতি আক্ৰমণ আৰু ক্ষতি সাধন হয়। বাতৰিত প্ৰকাশ পোৱা মতে দুয়োপক্ষৰ মাজত গুলীয়াগুলী প্ৰায় আধা ঘণ্টা চলে। লগে লগে বিদ্ৰোহীৰ সন্ধানত অভিযান আৰম্ভ কৰে। প্ৰচণ্ড বিস্ফোৰণ, গুলীয়া-গুলীৰ শব্দত কঁপি উঠিল তিনিচুকীয়াৰ পেঙেৰী অঞ্চল। কিছু দিনৰ নীৰৱতাৰ অন্তত তিনিচুকীয়া জিলাত পুনৰ সেনা বিদ্ৰোহীৰ মাজত সংঘৰ্ষৰ ঘটনাই আতংকৰ সৃষ্টি কৰিছে। ভাৰতীয় সেনাৰ ১৮নং গাড়োৱাল ৰেজিমেণ্টৰ এটা কনভয়ৰ ওপৰত আচম্বিতে আলফা স্বাধীনৰ শক্তিশালী আইইডি বিস্ফোৰণ হয় আৰু লগে লগে সেনালৈ লক্ষ্য কৰি পেঙেৰী সংৰক্ষিত বনাঞ্চলৰ আঁৰ লৈ বিদ্ৰোহী দলটোৱে প্ৰচণ্ড গুলীবৰ্ষণ কৰে। প্ৰত্যুত্তৰত সেনায়ো বিদ্ৰোহী দলটোলৈ লক্ষ্য কৰি গুলীচালনা কৰে। সংবাদ মাধ্যমত প্ৰকাশ পোৱা মতে প্ৰায় আধা ঘণ্টা ধৰি দুয়োপক্ষৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটে। অৱশ্যে ডাঠ অৰণ্যৰ সুবিধা লৈ বিদ্ৰোহী দলটোৱে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আইইডিটো বিস্ফোৰণৰ ফলত পথৰ ওপৰত এটা দ গাঁতৰ সৃষ্টি হয় আৰু সেনাৰ ১৮ নং গাড়োৱাল ৰেজিমেণ্টৰ এখন বুলেট প্ৰুফ বাহনৰ বিস্তৰ ক্ষতি হয়। গুলীয়া-গুলীৰ ঘটনাত অৱশ্যে কোনো এটা পক্ষৰ লোক হতাহত হোৱাৰ তথ্য পোহৰলৈ অহা নাই। সংঘৰ্ষৰ পিছত আৰক্ষী অধীক্ষক আৰু সেনাৰ উচ্চপদস্থ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰি পলায়ন কৰা বিদ্ৰোহী সদস্যৰ সন্ধান আৰম্ভ কৰে আৰু ডিগবৈ-পেঙেৰী পথ বন্ধ কৰি দিয়াত বহু যান-বাহন আবদ্ধ হয় আৰু বিদ্ৰোহীবিৰোধী অভিযান তীব্ৰ কৰি তুলিছে। আনকি স্নিফাৰ ডগৰ সন্ধানেৰেও অভিযান আৰম্ভ কৰে। সেনাই বিস্ফোৰক সামগ্ৰী আৰু আপত্তিজনক নথি-পত্ৰ উদ্ধাৰ কৰে। সংঘৰ্ষৰ পিছৰে পৰা পেঙেৰী অঞ্চলত অব্যাহত আছে চেপা উত্তেজনা। মন কৰিবলগীয়া যে চলিত বৰ্ষৰ জুলাই মাহত কাকপথাৰত সেনা-আৰক্ষীৰে হোৱা সংঘৰ্ষত আলফা স্বাধীনৰ দুৰ্ধৰ্ষ সদস্য জ্ঞান অসম নিহত হৈছিল। ইয়াৰ পিছত কুজু পথাৰত আৰক্ষীৰে আলফাৰ (স্বা) সংঘৰ্ষ হৈছিল। ন আগষ্টত ম্যানমাৰ সীমান্তত আছাম ৰাইফলছৰ শিবিৰত আলফাৰ (স্বা) দল এটাই আক্ৰমণ কৰিছিল। এই সংঘৰ্ষৰ পিছত আইন-শৃংখলাজনিত পৰিস্থিতিক লৈ চিন্তা হৈছে। আনফাৰ (স্বা) এনে আক্ৰমণেৰে শক্তি প্ৰদৰ্শন কৰা বুলি সৰ্বত্ৰ চৰ্চা হৈছে। শান্তি আলোচনাৰ কথা কৈ থকা ড° শৰ্মাৰ চৰকাৰৰ প্ৰতি ৰাইজৰ ধাৰণা সলনি হোৱাটো স্বাভাৱিক। কিছু এৰা-ধৰাৰ মাজেৰে চৰকাৰে বিষয়টোৰ ওপৰত গুৰুত্ব দিলেহে দীৰ্ঘদিনীয়া এই সমস্যাটো সমাধান হোৱাৰ বাবে ৰাইজে আশা কৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰকো ৰাজ্য চৰকাৰেহে সমাধানৰ বাবে হেঁচা প্ৰয়োগ কৰিব লাগে, নহ'লে সমস্যাটোৱে গেঁথেলা মাৰিব আৰু সমস্যাটোৰ সূতাডালো দীঘল হৈ যাব। চৰকাৰৰ সদিচ্ছাই হ'ব মূল।



## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### মিঠাতেলৰ মূল্যবৃদ্ধি আৰু সৰিয়হ খেতি

ইথানল মিহলাই পে'ট্ৰলৰ দাম কমোৱাৰ সপোন বাৰু ঠিকেই দেখিলোঁ। কিন্তু মিঠাতেলৰ ক্ষেত্ৰত কি কৰিম? বছৰি বানপানীয়ে জুৰুলা কৰা অসমৰ বহু এলেকাতো কৃষকে বছৰত তিনিটাকৈ খেতি লগাইছে। আনহাতে, বানপানীৰ বিপদৰ পৰা আঁতৰত থকা বহু এলেকাত এনে নকৰিলে নহয় মনোভাবেৰে বছৰত মাত্ৰ এটা খেতি লগাই হাত সাবটি বহি আছে বহুজন। খেতিপথাৰসমূহ এনেই পৰি থকা দেখিলেই মনটো সেমেকি উঠে। ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশৰ ইমান ৰসাল মাটি..., বেয়া লাগে, বৰ বেয়া লাগে পথাৰসমূহ উদং হৈ থাকিলে। অসমৰ মুঠ জনসংখ্যা যদি চাৰি কোটি বুলি আৰু মিঠাতেলৰ consumption per head per year যদি ২০ লিটাৰ বুলি ধৰোঁ, তেন্তে আমাক প্ৰয়োজন হ'ব ৮০ কোটি লিটাৰ মিঠাতেলৰ। প্ৰতি হেক্টৰ কৃষিভূমিত যদি সৰিয়হ খেতিৰে ৯০০ লিটাৰ মিঠাতেল উৎপাদন কৰিব পৰা যায়, তেন্তে আমাক প্ৰয়োজন হ'ব ৯ লাখ হেক্টৰ কৃষিভূমিৰ। অসমৰ মুঠ কৃষিভূমি ৩০ লাখ হেক্টৰ। এই খৰালিৰ পথাৰত বানপানীৰ কোনো প্ৰভাৱ নাথাকে। তথাপি অইন খেতি যেনে আলু, বেঙেনা আদিও থাকে। তৎসত্ত্বেও আমি প্ৰয়োজন হোৱা ৯ লাখ কৃষিভূমিৰ ৫-৭ লাখ হেক্টৰত সৰিয়হৰ খেতি কৰিব পাৰোঁ। বৰ্তমান চাগে ৩ লাখ হেক্টৰতো বেহাৰৰ খেতি কৰা হোৱা নাই। যদি ৫-৭ লাখ হেক্টৰতো আমি সৰিয়হ কৰিব পাৰোঁ, তেন্তে আমাৰ মিঠাতেল আমাৰ ইয়াতেই ওলাব। আৰু ওপৰঞ্চি লাগিলে আমদানি কৰিব পৰা যাব। স্থানীয় উৎপাদিত মিঠাতেলৰ মূল্য নিশ্চিতভাৱে আমদানিকৃততকৈ কম হ'ব, কাৰণ তাত carriage charges নাথাকিব, লগতে processing, preservation, packing chargesও কিছু কমাৰ থল আছে। তেলত ভেজাল হোৱাৰ সম্ভাৱনাও তেনেকৈ নাথাকিব। পথাৰ আমাৰ, দায়িত্ব আমাৰ। অকলে কৰা সম্ভৱ নহয়, সকলোৱে চিন্তা কৰক।

■ **বিভাষ দেৱ নাথ**

### আদৰ্শ

চাৰিওফালে সেইজীয়া আৰু সেউজীয়া। লাহে লাহে ধানবোৰৰ গেঁৰ ওলাবলৈ আৰম্ভ কৰিছে। এজোপা দুজোপা ধান আলিৰ ফালে হাউলি পৰি প্ৰাঞ্জলৰ বাট আগচি ধৰিছে। সি অতি যতনেৰে ধানৰ গছবোৰ আঁতৰাই গৈ পথাৰৰ মাজতে আই লক্ষ্মী দেৱীলৈ বুলি চাকি আৰু নৈবেদ্য আগবঢ়াই কাতি বিহু উপলক্ষে সেৱা এটি ল'লে। খেতিডৰাই বৰ্তমান তাৰ বাবে সকলো। খেতিডৰাই তাৰ নতুন আশা, নতুন জীৱন। বাহিৰাগত কোনো বণিয়াৰ তলত সামান্য কেইটামান পইচাৰ আশাত হাড়ক মাটি কৰি জীৱনৰ অমূল্য সময় অবাবতে নষ্ট কৰাতকৈ স্বাধীনভাৱে নিজৰ পথাৰত কাম কৰি দুপইচা অৰ্জন কৰা প্ৰাঞ্জল বৰ্তমান চাকৰিৰ পিছে পিছে দৌৰি হতাশাগ্ৰস্ত হৈ পৰা নৱ-প্ৰজন্মৰ বাবে আদৰ্শ।

■ **ৰাতুল শৰ্মা**

*ফোন: ৭০০২১-৭২৯১৮*

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# ভূপেন হাজৰিকাৰ সৃষ্টি আৰু চাহ জনগোষ্ঠীৰ গীত-মাত

**মৃদুল কুমাৰ চাহু**



অনিৰ্বচনীয় সৃষ্টিলীলাৰ স্ৰষ্টা ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ বহল পোহাৰখনৰ বৰ্ণনা দিয়াটো তেনেই সহজসাধ্য নহয়। অসমীয়া গানৰ জগতত সুৰৰ মালঞ্চ ৰচনা কৰি অনিৰ্বচনীয় সৃষ্টিলীলাৰ নামেৰে অভিভূত হোৱা সুধাকণ্ঠ ভূপেন হাজৰিকাৰ সৃষ্টিৰ বিশাল ক্ষেত্ৰখনত সিঁচৰতি হৈ থকা প্ৰতিটো গানৰ ভাবাৰ্থ অত্যন্ত মনোগ্ৰাহী। মাটি আৰু মানুহৰ বাবে সৃষ্টি কৰা ভিন্ন স্বাদৰ ৰচনাই অসমীয়া জাতিৰ দুখ আৰু সুখৰ এখন প্ৰতিচ্ছবি দাঙি ধৰিবলৈ আপ্ৰাণ চেষ্টা। সুধাকণ্ঠৰ গীতৰ সুৰত ডেকা-গাভৰুৰ জীৱন-সঞ্জীৱনীৰ মন্ত্ৰ দিবলৈ প্ৰয়াস কৰিছে এনেদৰে—

স্নেহে আমাৰ শত শ্ৰাৱণৰ
ধাৰাসাৰ বৃষ্টিৰ প্লাৱণ আনে।
যৌৱন বাসনাৰ ৰিক্তোপকূল
পূৰ্ণ কৰে উন্মত্ত বানে।

সুধাকণ্ঠই গানৰ পংক্তিৰে নতুন ডেকা-গাভৰুক জীৱনৰ সঞ্জীৱনী সুধা পান কৰাৰ মন্ত্ৰ সুন্দৰ ৰূপত উপস্থাপন কৰি নিজৰ সৃষ্টিশীলতাৰে সুৰস্ৰষ্টাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। তেনেদৰে সুৰস্ৰষ্টাগৰাকীয়ে নিজে ৰচনা কৰা এক মৰ্মস্পৰ্শী কৰিতাৰে স্পন্দনশীল মনোভাবক বহিঃপ্ৰকাশ ঘটাই এগৰাকী ধ্ৰুৱবাদী কবিৰূপে চিনাকি দিবলৈ প্ৰয়াস কৰিছে। সুধাকণ্ঠগৰাকীয়ে লিখা কবিতাৰ পংক্তিত প্ৰতিফলিত হোৱা মধুময় বিস্তাৰৰ প্ৰতীতিক এখন ছবি তুলি ধৰিছে। সুধাকণ্ঠই লিখিছে—

প্ৰীতি দিগ্‌বলয়ত গতিশীল গীত গাওঁ
বজ্ৰৰ গৰ্জনে হাৰ মানে।
বৃষ্টিৰ তৃষ্ণাই মৌচুমী খেদি যায়
আমাৰ দৃষ্টিয়েও লক্ষ্য জানে।

ভূপেন হাজৰিকাৰ প্ৰতিটো গীত আৰু কবিতাবোৰ সুকীয়া। গীতবোৰত সুৰৰ মায়াজালেৰে জোকাৰণি সৃষ্টি কৰি শ্ৰোতাৰ হৃদয়ত স্পন্দনৰ কম্পনৰ আকুলতাৰে হৃদয় জিনিব পৰা শব্দৰে অলংকৃত গানসমূহৰ দৰে সুধাকণ্ঠৰ গীত-কবিতাত কাব্যিক বিন্যাসেৰে কাব্য সৌন্দৰ্যৰ সোঁতত সম্ভাৱনাময় এক সুন্দৰ পৰিৱেশৰ শুভাৰম্ভ ঘটাইছে। ভূপেন হাজৰিকাই গীতবোৰক কাব্যিক সৌন্দৰ্যৰে অলংকিত কৰি লিখা গীতবোৰৰ পংক্তিয়ে তেওঁৰ সৃষ্টিশীলতাৰ বিশাল ক্ষেত্ৰখনৰ এখন ছবি তুলি ধৰি আহিছে। সুধাকণ্ঠই লিখিছে—

নতুন নিমাতী নিয়ৰেৰে নিশা
জীৱন জিলিকা জোনাকৰে নিশা
আৰু তুমি
নিচেই চিনাকি...।

ভূপেনদাৰ কবিতাৰ কাব্যৰূপ বিচাৰি পাঠকে হাবাথুৰি খাব নালাগে। সুধাকণ্ঠৰ কবিতাত পাঠকে বুজিব পৰাকৈ ছন্দ স্পন্দনৰ ধ্বনি সুন্দৰ ৰূপত ঘটাইছে। কবিতা আৰু গীতৰ বাক্যবোৰত সংযোগ ঘটোৱা কাব্যিক সৌন্দৰ্যৰে সঠিক মূল্যায়ন কৰাত সফল হৈছে। কবিতা আৰু গীতসমূহত শব্দ ছন্দৰে সজাই অনুপম ছন্দসজ্জাক সৃষ্টিৰ পথাৰত সান-মিহলি ৰূপেৰে বিচিত্ৰ সুৰৰ মূৰ্ছনাৰ অপূৰ্ব মিলন ঘটাইছে সেয়া আন লেখকৰ বিষয়বস্তুত প্ৰতিফলিত হোৱা পৰিলক্ষিত নহয়।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ বহল পথাৰখনত সিঁচৰতি হৈ থকা বহু কালজয়ী গীতেৰে অসমৰ জনজীৱনত ঘটি থকা ঘটনাক বহু বছৰৰ পূৰ্বে সুন্দৰ ভাষাৰে প্ৰকাশ কৰি গৈছে। সুধাকণ্ঠই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল অসমীয়াৰ ভয়ংকৰ ভৱিষ্যতৰ পৰিস্থিতিক লৈ। যান্ত্ৰিকতা, বস্তুবাদে যে অসমীয়াক নিজৰ পৰিচয়ৰ পৰা দূৰত্বত অৱস্থান কৰিব আৰু অনাকাংক্ষিকভাৱে অসমীয়া নিজৰ পৰিচয়ৰ সংকটৰ সন্মুখীন হ'ব তাৰ ইংগিত গীতৰ মাজেৰে অসমীয়াক সকীয়াই দিছিল এনেদৰে—

আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব।
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।

হয় ভূপেন হাজৰিকাই কোৱাৰ দৰে অসমৰ অসমীয়াই মগনীয়া হোৱাৰ দিশে ধাৱমান হৈছে। অসমীয়া মনবোৰ, সমন্বয় আৰু ভাতৃত্ববোধৰ এনাজৰীডাল ভাঙি-ছিঙি যাব ধৰিছে। অসমত থকা জাতি-উপজাতিৰ ৰহণীয়া সৃষ্টিৰে ভৰি পৰা অসম দেশৰ বুকুত বিভেদৰ পৰিহৰি দেখি অনুতপ্ত হৈ পৰা সুধাকণ্ঠই লিখা গানৰ প্ৰতিটো বাক্য সাম্প্ৰতিক কালত প্ৰতিফলিত হ'ব ধৰিছে। সংকীৰ্ণ চিন্তা-চেতনাৰে প্ৰলুব্ধ হৈ অসমীয়াই নিজক হেৰুৱাই পেলোৱা উপক্ৰম হৈছে। সেয়ে কবিয়ে কৈছে—

প্ৰতি অসমীয়াই কি কৰা উচিত
উপদেশ দিবলৈ নাই লাচিত
ডাঙৰ নহয়, দেশতকৈও মোৰ
দুৰ্বলচিতীয়া মোমাইবোৰ বোলা
হেংদানধাৰী লাচিত নেথাকিলেও
আগুৱাই যাবই লাগিব
অ' নহ'লে অসমীয়াই অসমৰ মাটিতে
নিজেই ভগনীয়া হ'ব।

ড° ভূপেন হাজৰিকা আছিল সাম্যবাদী ভাবাদৰ্শৰে পৰিপুষ্ট। তেওঁৰ প্ৰতিটো ৰচনাত সাম্যবাদী চিন্তাৰ প্ৰতিফলিত হোৱা দৃষ্টিগোচৰ হয়। শৈশৱত ভূপেন হাজৰিকাই লিখা অগ্নিযুগৰ ফিৰিঙতি মই নতুন অসম গঢ়িম শীৰ্ষক কবিতাৰ মাধ্যমেৰে মাৰ্ক্সীয় প্ৰভাৱৰ ইংগিত দিছিল। শোষক আৰু প্ৰতাৰকৰ বিৰুদ্ধে ব্ৰজ্ৰ কণ্ঠৰে ৰচনা কৰা গীতত শোষণকাৰীক 'বধ' কৰাৰ সংকল্পৰে লিখা গীতত বহিঃপ্ৰকাশ ঘটিছে সাম্যবাদৰ চিন্তা-চেতনাৰ গীতত লিখিছে —

নৰকংকালৰ অস্ত্ৰ সাজি
শোষণকাৰীক বধিম। শোষণমুক্ত

সমাজ গঢ়াৰ স্বপ্নৰে ড° ভূপেন হাজৰিকাই বহুকেইটা গীত লিখি বিদ্ৰোহী মনটোক সান্ত্বনা দিবলৈ চেষ্টা কৰিছিল। দৰিদ্ৰতাই কোঙা কৰা সাধাৰণ জনতাক পুঁজিপতি, ধৰ্ম ব্যৱসায়ী আৰু জাতিৰ অহংকাৰ কৰা ব্যক্তিসকলক সুস্থ সমাজ আৰু জাতি গঠনৰ ক্ষেত্ৰত বিধি প্ৰদান কৰা বাবে ভূপেন হাজৰিকাই তেওঁলোকক সমাজৰ অস্পৃশ্য বুলি অভিহিত কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সৰু পঁজাত কামিহাড় সাবটি জীয়াই থকা সংগ্ৰামী সত্তাক জীয়াই ৰখাৰ বাবে শোষকৰ বিৰুদ্ধে হাতত কলম তুলি লৈ নিজৰ সৃষ্টিৰে শোষক শ্ৰেণীৰ পৰা স্বকীয় অধিকাৰ আৰু সাধাৰণ জনতাৰ স্বাভিমান আত্মমৰ্যাদা উদ্ধাৰৰ নিমিত্তে জনতাক সজাগ কৰাৰ বাবে বহু মননশীল কালজয়ী গীত আৰু কবিতাৰে সাহিত্যৰ ক্ষেত্ৰখনত উপহাৰ দিছিল। ভূপেন হাজৰিকাই মাটি আৰু মানুহৰ বাবে লিখি থৈ যোৱা গীতসমূহৰ ভিতৰত উল্লেখনীয় আৰু আজিও জনপ্ৰিয় হৈ থকা গীতটি হৈছে—

মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোঁৱা - সমনীয়া।

এই গীতটোৰ প্ৰাসংগিকতা কোনোদিনে শেষ হৈ নাযায়। মানুহৰ অধঃপতিত আচৰণ, সংকীৰ্ণ মানসিকতাৰ ফলত সমাজত মানৱতাৰ অপমৃত্যু ঘটিব ধৰা এখন কৰুণ ছবি তুলিছে সুধাকণ্ঠই। মানুহবোৰ যেন অমানুহ হৈ পৰিছে। দানৱৰূপী মানুহবোৰ মানুহৰ পোছাক পিন্ধি জাতি, সমাজ আৰু দেশৰ নেতৃত্ব দিয়াৰ পথাৰত জঁপিয়াই পৰিছে- বহু বছৰ পূৰ্বে ভূপেন হাজৰিকাই প্ৰত্যক্ষ কৰা কৰ্মকাণ্ডক লৈ বিতুষ্ট হৈ লিখিছিল—

মানুহ যদিহে নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ
যদি দানৱ কাহানিবা হয় মানুহ
লাজ পাব কোনেনো কোঁৱা - সমনীয়া।

অতি সুন্দৰ প্ৰকাশভংগীৰে সুধাকণ্ঠগৰাকীয়ে মানুহ নামৰ দানৱৰ এখন স্কেচ প্ৰতিফলিত ঘটাই মানুহক মানুহ হ'বলৈ আহ্বান জনোৱা গীতটিৰ প্ৰাসংগিকতা আজিও বিৰাজমান। কিন্তু গীতটিৰ ভাবাৰ্থ আজিৰ মানুহে উপলব্ধি কৰিব পাৰিছেনে? গীতটোৰ প্ৰতিটো পংক্তিক হৃদয়ংগম কৰিব পৰা মানুহৰ মাজত মানুহৰ পৰিসংখ্যাক লৈ সুধাকণ্ঠ নিজেই উদ্বিগ্ন হৈ পৰিছিল। দুৰ্বল মানুহে নিজক জীৱনৰ কোবাল নদীৰ সোঁতৰ পৰা ৰক্ষা কৰাৰ সাহস গোটাব নোৱাৰে তেনে মানুহে কেতিয়াও দানৱৰ চক্ৰবেহুৰ পৰা মুক্তি নাপায় বুলি এক ধাৰণা দিছে।

সুধাকণ্ঠৰ সৃষ্টিত বিচাৰি পোৱা যায় গাঁৱলীয়া জীৱনত পখিলাৰ দৰে প্ৰতীকী ৰূপত খিলখিলাই থকা সুন্দৰী গাভৰুৰ ৰূপ বৰ্ণনা। সুধাকণ্ঠৰ কলমৰ কাপেৰে নিগৰি ওলাই আহিছে গ্ৰাম্য জীৱনৰ সপোন সুন্দৰীৰ এক সুন্দৰ কেনভাছ। তেওঁ লিখিছে —

গাঁৱৰে জীয়াৰী সপোন সুন্দৰী
গাৱতে সৰগ ৰচো মই
মাটিতে সৰগ ৰচোঁ মই
দেৱতাই ৰ লাগি চায়...

ভূপেন হাজৰিকাই নিজৰ সৃষ্টিত কেৱল বিষয়ক লৈ সৃষ্টিৰ বীজ সিঁচা নাই। সকলো জাতি-উপজাতিৰ মনোবেদনাক সুন্দৰ প্ৰকাশভংগীৰে গান আৰু কবিতাৰে প্ৰকাশ কৰি মানৱতাৰ দূৰত্বৰ ধাৰণাক বহিঃপ্ৰকাশ ঘটাবলৈ অহৰহ চেষ্টা কৰাটো আছিল তেওঁৰ সুকীয়া ব্যক্তিত্বৰ পৰিচয়। সৃষ্টিৰ তাড়না বুকুত সাবটি শদিয়াৰ পৰা ধুবুৰীলৈকে ঘূৰি ফুৰা যাযাবৰী ভূপেন হাজৰিকাই নিজৰ গীতত লিখি প্ৰকাশ কৰিছে যাযাবৰী জীৱনৰ কথা—

মই এটি যাযাবৰ
ধৰাৰ দিহিঙে দিপাঙে লৰৰোঁ
নিবিচাৰি নিজা ঘৰ।

যাযাবৰী জীৱনৰ নিজা ঘৰৰ সন্ধান নকৰি গীতিকাৰগৰাকীয়ে লক্ষ্যবিহীন যাত্ৰাৰে গগনচুম্বী অট্টালিকাৰ শাৰীত থিয় হৈ গৃহহীন নৰ-নাৰীৰ দুখ-যন্ত্ৰণাৰ ছবি নিজৰ হৃদয়ৰ প্ৰতিবিম্বত প্ৰত্যক্ষ কৰি হাহাকাৰ কৰি উঠা হৃদয়খনে কৈ উঠিছে মানুহ বহুতেই দেখোন নিজৰ ঘৰতে পৰ হৈ পৰিছে। গৃহহীন মানুহৰ মুখবোৰ দেখি কৰুণ দৃশ্যক মৰহা ফুলৰ লগত দুৰ্ভগীয়াসকলৰ জীৱনটোক তুলনা কৰি লিখা গানে মানুহক ভবাই তুলিছে। এনেবোৰ কালজয়ী গীতৰ মাজতে শিৰীষ তলত ঘৰ্মাক্ত শ্ৰমৰে জীয়াই থকাৰ সংগ্ৰাম কৰা চাহ শ্ৰমিকৰ বাস্তৱ জীৱনত অন্তৰ্নিহিত হৈ থকা আনন্দ, দুখ-বেদনাক গানৰ সুন্দৰ পংক্তিৰে তুলি ধৰি শ্ৰমিক সমাজৰ জীৱন প্ৰণালীৰ ছবি তুলি ধৰিবলৈ সক্ষম হৈছে। সুধাকণ্ঠ ভূপেন হাজৰিকাই এটি কলি দুটি পাতৰ মাজে মাজে জুগুনু আৰু লছমীহঁতৰ প্ৰেম-জীৱনৰ ঘটনা-পৰিঘটনাক কাব্যৰসিকতাৰে তুলি ধৰিছে এনেদৰে— এটি কুঁহি দুটি পাত

ৰতনপুৰ বাগিচাত
লহপহীয়া হাতেৰে কোনেনো ছিঙিলে
অ' কোনেনো ছিঙিলে?

শিৰীষ তলৰ চাহ গছৰ মাজে মাজে চাৰি চকুৰ মিলন ঘটা জুগনু আৰু লছমীৰ বিয়াৰ দিনা মাদলৰ তালে তালে কৰা নৃত্যই বাগিচাত কেনেদৰে সংস্কৃতিৰ জোৱাৰ সৃষ্টি কৰে সুধাকণ্ঠই অতি মনোগ্ৰাহীকৈ উত্থাপন কৰিছে। মাদলৰ প্ৰতিধ্বনিত বাগিচাত থকা পিশাচবোৰ পলায়ন কৰা কাল্পনিক দৃশ্যক গানৰ যোগেদি প্ৰকাশ কৰি বাগিচাৰ তৰুণ প্ৰজন্মক অন্যায়, দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিবলৈ মাদলক প্ৰতীক চিহ্নৰূপে ল'বলৈ জনোৱা উৎসাহী দৃষ্টিভংগী সঁচাকৈয়ে আদৰণীয়। সুধাকণ্ঠই শেষত উল্লেখ কৰিছে—

নতুন তুফান আহিলে
হেজাৰ মাদল বাজিলে
সেই মাদলৰ সাহস দেখি পিশাচো পলালে
অ' পিশাচো পলালে।

চাহ বাগিচাৰ শ্ৰমিকসকল সংস্কৃতি পীয়াযু মনৰ গৰাকী। বাৰ মাহত তেৰটা পূজা কৰিও ভাগৰি নপৰা চাহ শ্ৰমিকসকলে অন্তৰ খুলি উদ্‌যাপন কৰে আহিন মাহৰ দুৰ্গা পূজা। সকলো কষ্ট, দুখ-যন্ত্ৰণা পাহৰি আহিন মাহত উদ্‌যাপন কৰা দুৰ্গা পূজাক লৈ সুধাকণ্ঠগৰাকীয়ে নিজৰ গানৰ যোগেদি এখন জীয়া ছবি প্ৰতিফলন ঘটাই উল্লেখ কৰিছে—

আশ্বিন মাসে দুৰ্গা পূজা
ঢাকেৰ কেমন গুড়গুড়ি
তাৰি মাঝে ঝিলমিল কৰে
মোৰ প্ৰাণেৰে সুন্দৰী
মোৰ প্ৰাণেৰ সুন্দৰী।
সুধাকণ্ঠগৰাকীয়ে আৰু লিখিছে—
লাল শাড়ী পিন্ধি নাচে
মাদল ঝুমৰ বাজনা
নাকে নোলুক বাঁয়ে তাবিজ
ৰুণজুন বাজে গহনা।

এনেদৰে ভূপেন হাজৰিকাই শিৰীষ তলৰ শিল্পীৰ জীৱনত অব্যাহত থকা সুখ-দুখৰ জীয়া ছবিসমূহ গীতৰ মাধ্যমেৰে সৰল আৰু নিৰ্ভেজাল ভাব-ভাষাৰে সাহিত্যৰ বুকুত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰাটো অত্যন্ত গৌৰৱৰ বিষয়।

■ ১৮ নৱেম্বৰ বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ■

# অসমীয়া কাব্য-সাহিত্যৰ অনুপম চৰাই বিষয়ক কবিতা ৰঘুনাথ চৌধাৰীদেৱৰ 'কেতেকী'

■ **অজয় বৰুৱা**

'ক'ৰ পৰা তই আহিলি সোণাই
কোন দিশে যাব উৰি,
কিবা ফুৰিছ দূৰ দুৰণিত
অকলই ঘূৰি ঘূৰি।।' (কেতেকী)

ৰমন্যাসিক কবি ৰঘুনাথ চৌধাৰী এজন জোনাকী যুগত কবি। সেই সময়ত যিকেইজন প্ৰথিতযশা কবিয়ে নিজ নিজ ৰচনাৰে অসমীয়া ৰোমাণ্টিক সাহিত্যক সমৃদ্ধ কৰিছিল সেইসকলৰ ভিতৰত চৌধুৰীদেৱ আছিল অন্যতম। তেওঁ প্ৰকৃতিক কেন্দ্ৰ কৰি অৰ্থাৎ প্ৰকৃতিৰ লীলা, মাধুৰ্য, অপৰূপ সৌন্দৰ্যত বিমোহিত হৈ লিখিছিল বহু কবিতা। বিশেষকৈ তেওঁৰ কবিতাত চৰায়ে সদায়ে প্ৰাধান্য পাইছিল। তেওঁ নিজেই কৈ গৈছে— 'চৰাইৰ স্বাভাৱিক সুললিত মাতে মোৰ মনত সৃষ্টি কৰা ভাবৰাশি মই পিছত আখৰেৰে প্ৰকাশ কৰিছিলোঁ। তাকে নকৰা পৰ্যন্ত মই শান্তিৰে থাকিব নোৱাৰিছিলোঁ।' মূলতঃ চৰাইক কেন্দ্ৰ কৰি লিখা অসংখ্য কবিতাৰ বাবেই ৰঘুনাথ চৌধাৰীদেৱক বোলা হৈছিল 'বিহগী কবি'। কবিতাত বিভিন্ন ভাব আৰু বিষয়বস্তু থাকিলেও চৰাই বিষয়ক কবিতাকেইটাইহে পাঠকক বিশেষভাৱে আকৃষ্ট কৰে বাবে তেওঁ বিহগী কবি। ৰঘুনাথ চৌধাৰীদেৱৰ চাৰিখন কবিতা সংকলন। সাদৰী, দহিকতৰা, মঞ্জনাই বৰাগী, লেছেৰি বোটলা কবিতাৱলী আৰু দুখন সুকীয়া কবিতাপুথি কাৰবালা আৰু কেতেকী। ১৯১৮ চনত প্ৰথম প্ৰকাশিত হোৱা ৰঘুনাথ চৌধাৰীৰ দ্বিতীয় কবিতা পুথি। পাঁচটি তৰংগ বা খণ্ডত ৰচিত কাব্যগ্ৰন্থখনৰ 'কেতেকী' কবিতাটো অসমীয়া সাহিত্যৰ এটি অনুপম চৰাই কবিতা। ই এটা নিঃসন্দেহে দীঘলীয়া বৰ্ণনাত্মক কবিতা। বসন্ত কালক প্ৰতিনিধিত্ব কৰি লিখা ই এটা অনন্য কবিতা। কেতেকীৰ আগমন, কেতেকী অহাৰ লগে লগে প্ৰকৃতিৰ সৌন্দৰ্য বন্ধন, মানৱ-জাতিৰ পৰিৱৰ্তন, কেতেকীৰ মাতৰ সাৰাংশ আৰু কেতেকীবিহীন পৃথিৱীৰ অৱস্থা এই পাঁচোটা ভাবত কবিতাটো পাঁচটা তৰংগত লিখা হৈছে। কাব্যখনৰ প্ৰথম খণ্ডৰ বিষয়বস্তু হ'ল অচিন অজান দেশৰ পৰা আহি আকুল সুৰেৰে গীত গাই থকা কেতেকী নামৰ চৰাইজনী। কবিৰ বাবে কেতেকী চৰাইটি এটি ৰহস্য। এটি যেন সাঁথৰ। এই চৰাইটি ক'ৰ পৰা আহিল আৰু ক'লৈ যাব সেই কথা কবিয়ে নাজানে। অবুজ ভাষাৰে কি মাত মাতিছে, কিহৰ আশাত এই সংসাৰত ভ্ৰমি ফুৰিছে, সেইবোৰ কথাও কবিৰ অজ্ঞাত।

'জন-প্ৰাণীহীন মৰু প্ৰান্তৰত
গাই সঞ্জীৱনী গান,
সজাই তুলিলে ঊষাৰ ভূমিত
অপৰূপ মৰুদ্যান।।'

কেতেকীৰ সম্বন্ধে কবিৰ কল্পনাৰ অন্ত নাই। একো একোটা স্তৱকত বিশেষ একোটা কবি-কল্পনা মূৰ্ত হৈ উঠিছে। কবিৰ ভাব যে কেতেকী চৰাইজনী এনে এখন সুন্দৰ ঠাইত জন্ম লৈছে, য'ত শ্ৰদ্ধা, শান্তি আৰু দয়া বিৰাজমান। সেই দেশত প্ৰলোভন, বিভীষিকাৰ আশংকা নাই। তেনে এখন ঠাই এৰি চৰাইটি কিয়নো এই পৃথিৱীলৈ আহিল সেই কথা কবিৰ বাবে এক পৰম বিস্ময়।

'বাপ মাৰ ভাই সৱাকে এৰিলি
এৰিলি ওপজা ঠাই
গছ-পাতে সজা ঘৰটি এৰিলি
কাৰ কি আহুদি পায়।

কবিৰ মনত অনেক প্ৰশ্ন ভিৰ কৰিছে। কেতেকীয়ে এনেহেন দেশৰ পৰা 'বাপ-মাৰ-ভাই সবাকো এৰি নিজৰ 'ওপজা ঠাই- গছ পাতে সজা ঘৰটো এৰি কি আহুদি পাই' অকলে অকলে 'বিনন্দীয়া সুৰ'ত গীত গাই ফুৰিছে? চৰাইটোৱে 'দেৱৰ দুৰ্লভ' ধন আনি কাৰোবাক বিলাই দিব খুজিছে নেকি? নে দেশৰ ভাল বস্তুখিনি কোনোবা দেশলৈ নিব খুজিছে? কিহৰ আশাত কেতেকীয়ে কি মাত মাতিছে কবিয়ে বুজিব পৰা নাই।

'নুবুজোঁ বিহগী অবোধ মানৱে
কিহত আছ ভোল।
কিয় ফুৰ তই ইনাই বিনাই
কি তোৰ মনত হ'ল?'

'কেতেকী' কবিতাটোৰ মূল ভাব সম্পৰ্কত ড° বাণীকান্ত কাকতিদেৱে কৈছে— 'কেতেকী চৰাইৰ আগমনত সাগৰৰ জোৱাৰ উঠাত স্ফীতৱক্ষা গংগাৰ নিচিনা জড়চেতন পৃথিৱীৰ নৱ-যৌৱন স্ফুৰণ। কেতেকীৰ গীত কোনোবা অপৰূপ সদানন্দ ৰূপ, মানুহে নজনা পূৰ্ণ জগতৰ আনন্দ উচ্ছাস।' আকৌ কেতেকীৰ স্বৰ সম্পৰ্কে কৈছে— 'কেতেকীৰ মাত জানিবা বসন্তৰ বতাহ, কোন দেশৰ পৰা আহি কোনফালে বলি যায় তাৰ আয়ত্ত কৰিব নোৱাৰি।' প্ৰহেলিকাময়ী কেতেকীৰ মাতত যে এক অসীম শক্তি আছে এই বিষয়ত কবিৰ গভীৰ বিশ্বাস আছে। কেতেকী ক্ষুদ্ৰ জীৱ হ'লেও শক্তিত কিন্তু 'বিশ্ব প্ৰেমৰস বই ৰাতি-দিন'। কবিয়ে চৰাইজনীক কৈছে যে যিখন পৃথিৱীলৈ সি আহিছে, সেইখন পৃথিৱীৰ নন্দন কানন বা অমৰাৱতী নহয়, ই মায়া কাননহে। ইয়াত নিঃস্বাৰ্থ মৰম-চেনেহ আৰু অমিয়া সুখ নাই।

'নহয় ই ঠাই নন্দন কানন
নহয় অমৰাৱতী।
আচল পিছল আছে বহু বাট
আছে বহু লটি-ঘটি।

তাৰ পিছত কবিয়ে তাৰ একান্ত লগৰী, সুখ-দুখৰ সমভাগী কোনোবা আছে নে নাই সেই কথা চিন্তা কৰি ব্যথিত হৈছে। ভোক-পিয়াহত আহাৰ যোগাবলৈ, দুখ-ভাগৰত বিছনাত নিকাবলৈ কোনোবা আছে নে নাই কবিয়ে প্ৰশ্ন কৰিছে। এইবোৰ ভাব প্ৰকাশ কৰোঁতে কেতেকীৰ লগত কবিৰ এক আত্মীয়তাৰ ভাব ফুটি উঠিছে। কবিতাটিৰ আৰম্ভণি শাৰীটোৰ 'সোণাই' সম্বোধনতে এই আত্মীয়তা স্পষ্ট হৈ পৰিছে। সেয়ে কবি কেতেকীৰ সমব্যথী। কবিয়ে চৰাইজনীক সকলো শুভ আৰু মংগলৰ প্ৰতীকৰূপে আদৰি লৈছে। দেখাত যদিও কেতেকী ক্ষুদ্ৰ জীৱ, তথাপি তাৰ মাজেৰেই বিশ্ব-প্ৰেম নিৰৱচ্ছিন্নভাৱে বৈ আছে। বিশ্বৰ মংগল সাধনৰ বাবেই যেন কেতেকীয়ে বিহগী জনম লৈছে আৰু পবিত্ৰ প্ৰেমৰ



ডোলেৰে গোটেই জগতখন মেৰাই থৈছে। কবিৰ মতে চৰাইজনীয়ে মিলন বাতৰিকেই কঢ়িয়াই আনিছে আৰু সেই বাতৰিকেই সুমধুৰ সুৰত গাবলৈ আহ্বান জনাইছে।

'প্ৰেমৰ আধাৰ প্ৰেম পাৰাবাৰ
ক্ষুদ্ৰ হিয়াখনি তোৰ।
প্ৰেমৰ তৰংগ তুলি তালে তালে
জগত পেলালি জুৰ।।'

তাৰ পিছত কবিয়ে কেতেকীৰ ভুৱন ভুলোৱা মোহিনী কণ্ঠৰ মাধুৰ্য কীৰ্তন কৰি তাৰ অমৃত বৰষা মাতত কেনেকৈ গোটেই সংসাৰখন ভোল গৈছে সেই কথা বৰ্ণনা কৰিছে। কেতেকীয়ে মৰ্ত্যলৈ আহিয়েই সাগৰ, গছ-গছনি, পৰ্বত-পাহাৰ সকলোকে ভুলাইছে আৰু মৰুভূমিসদৃশ সংসাৰখন অপৰূপ মৰুদ্যানৰূপে সজাই তুলিছে। সামৰণিৰ চাৰিটা স্তৱকত কবিয়ে কেতেকীক প্ৰেমৰ প্ৰতীক বুলি কল্পনা কৰিছে। কবিৰ ভাষাত— 'প্ৰেমৰ সোৱাদ বিলাব আহিছ, দেৱদূত ৰূপ ধৰি।' কেতেকী চৰাইজনীৰ প্ৰসংগত পঞ্চমুখ হৈ পৰা এনে বৰ্ণনাৰ পৰা কবিতাটিক এটি বিহগী প্ৰশস্তি কবিতা বুলিও ক'ব পাৰি।

'আহিয়েই তই ভুলালি সাগৰ
ভুলালি পৰ্বত বন।
অমৃত বৰষা এযাৰ মাততে
ভুলালি সংসাৰখন।।
জনপ্ৰাণীহীন মৰু প্ৰান্তৰত
পাই সঞ্জীৱনী গান।
সজাই তুলিলি ঊষাৰ ভূমিত
অপৰূপ মৰুদ্যান।'

প্ৰকৃতিৰ প্ৰশস্তি, নৈসৰ্গিক প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ, প্ৰকৃতিৰ শোভাত তন্ময় ভাব ৰোমাণ্টিক যুগৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। এই বৈশিষ্ট্যৰ ভেটিত ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' এটি ৰোমাণ্টিক বৈশিষ্ট্যপূৰ্ণ কবিতা।

'প্ৰকৃতি আইয়ে সাদৰি মাতিছে
এদিন থাকি যা দেহি।
গাই যা এযাৰ আধৰুৱা গীত
কোমল কোলাত ব'হি।।'

মুঠতে 'কেতেকী' কবিৰ মনত চৰাই সম্পৰ্কে উদয় হোৱা ভাবৰ স্তূপীকৃত সৌন্দৰ্যৰ ভঁৰাল বুলি ক'ব পাৰি।

*ফোন ঃ ৯৭০৭৭-৩০৪২৭*

## পথভ্ৰষ্ট হৈছে শংকৰদেৱ সংঘ

■ **কিশোৰ দাস কোঁৱৰ**

শ্ৰীমন্ত শংকৰদেৱ সংঘ হৈছে এটা জাতীয় অনুষ্ঠান, গতিকে এটা জাতীয় অনুষ্ঠান হিচাপে শংকৰদেৱৰ লক্ষ্য, উদ্দেশ্য তথা শংকৰদেৱৰ আদৰ্শ সৃষ্টিৰাজিক বিশ্বাভিমুখী কৰি তোলাটোৱে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখ্য উদ্দেশ্য হোৱা উচিত আছিল। কিন্তু সময়ে সময়ে এই সংঘই কৰা কেতবোৰ তৰল মন্তব্য তথা কেতবোৰ কামে যেন গুৰুজনাৰ আদৰ্শত কুঠাৰাঘাত কৰিছে আৰু জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ হৈ পৰিছে সেই বিতৰ্কৰ খলনায়কস্বৰূপ। এই সংঘৰ বাটকটীয়া, অন্যতম কাণ্ডাৰী হলধৰ ভূঞা, ৰমাকান্ত মুক্তিয়াৰ আতা আৰু দিচিয়াল সত্ৰৰ সত্ৰাধিকাৰ জয়কান্ত মহন্তৰ একান্ত প্ৰচেষ্টাত উত্তৰ - পূব ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয় - সামাজিক - সাংস্কৃতিক তথা অৰাজনৈতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সঙঘৰ জন্ম হৈছিল। কিন্তু তেওঁলোকে যি উদেশ্য আৰু আদৰ্শ আগত ৰাখি এই অনুষ্ঠানৰ জন্ম দিছিল তেওঁলোকৰ সেই আদৰ্শ যেন আজি শ্ৰীমন্ত শংকৰদেৱ সঙঘই সম্পূৰ্ণ উলঙঘা কৰিছে। যাৰ পৰিপ্ৰেক্ষিত শ্ৰীমন্ত শংকৰদেৱ সঙঘৰ কাম-কাজক লৈ মানুহ অসন্তুষ্ট হৈছে আৰু বাৰে বাৰে সৃষ্টি হৈছে বিতৰ্কৰ। ভাৰতৰ প্ৰাণ, মূল ভেটি গীতা- ভাগৱতৰ আদৰ্শই শংকৰদেৱৰ আদৰ্শ। গীতাৰ মহান শ্লোক 'কৰ্মই ধৰ্ম' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ মূলতত্ত্ব। তেওঁ মানুহক সদায় সৎ কৰ্মভিমুখী হ'বলৈ উপদেশ দিছে, কৰ্মবিমুখী নহয়। কীৰ্তন, দশমৰ পাতে পাতে তেওঁ তাৰেই জ্ঞান দি গৈছে। আনকি চৰিত পুথিসমূহতো আমি সেই শংকৰদেৱজনক লগ পাওঁ যিয়ে কৃষি কাৰ্যৰ দৰে কামত নিজেই লিপ্ত হৈছে। তেনে ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ সঙঘই নিজাকৈ সংবিধান প্ৰস্তুত কৰি লৈ সঙঘৰ লগত থকা মানুহখিনিক এইটো কৰিব নোৱাৰিব, সেইটো কৰিব নোৱাৰিব, ব্ৰাহ্মণৰ ঘৰত খাব নোৱাৰিব, কেওটৰ ঘৰত খালে এবছৰলৈ সঙঘৰ পৰা বহিষ্কাৰ কৰা হ'ব এনেবোৰ আইন বান্ধি লোৱাটো কিমান যুক্তিসংগত। শংকৰদেৱ একেশ্বৰবাদত বিশ্বাসী আছিল সঁচা, কিন্তু তেওঁ কেতিয়াও এইটো কৈ যোৱা নাছিল যে নৱ-বৈষ্ণৱ ধৰ্মৰ বাহিৰে আন ধৰ্মক ঘিণ কৰিব লাগে। সঙঘৰ এইবোৰ কামে দৰাচলতে গুৰুজনাক অপমান কৰিছে, গুৰুজনাক হেয়জ্ঞান কৰিবলৈ যেন সমাজলৈ ঠেলি দিছে।

সময় পৰিৱৰ্তনশীল। সময়ৰ লগত খোজ মিলাই ৰুচিসন্মতভাৱে আগবাঢ়ি যোৱাটো আমাৰ দায়িত্ব। আজি গোটেই অসমৰ মূল সমস্যাটোৱেই হ'ল নিবনুৱা সমস্যা। নিবনুৱা সমস্যাই বৰ্তমান যুৱচামক কোঙা কৰি পেলাইছে। যাৰ ফলস্বৰূপে যুৱকসকলে নকৰিবলগীয়া কাম আৰু নল'বলগীয়া পথ বাছি ল'বলৈ বাধ্য হৈছে। তেনে ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ সঙঘই বৰ্তমান সময়ৰ আটাইতকৈ সহজ আৰু লাভজনক ব্যৱসায় কুকুৰা পালন, গাহৰি পালনত বাধা দিয়াটো কিমান যুক্তিসংগত? যদিহে এইবোৰ খাব পাৰে তেনে পালনতো কোনো ধৰণৰ বাধা থাকিব নালাগিছিল। শংকৰদেৱৰ প্ৰতি থকা তানৰ বাবে এচাম যুৱ বন্ধুৱে সঙঘতো থাকিব বিচাৰে, আনহাতে নিজৰ নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে হাঁহ-কুকুৰা, গাহৰিৰ দৰে কম খৰচতে কৰিব পৰা ব্যৱসায়ো কৰিব বিচাৰে কিন্তু সঙঘই এঘৰীয়া কৰাৰ ভয়ত তেওঁলোকে আগবাঢ়িব নোৱাৰে। সঙঘৰ লগত থকা এনে কিমান নিবনুৱা যুৱকে হতাশাগ্ৰস্ততাত ভুগিছে তাৰ খবৰ কোনে ৰাখিছে? আধ্যাত্মিকতা আৰু কৰ্ম চাবলৈ গ'লে দুয়োটা একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। আনহাতে, শংকৰদেৱে তেওঁৰ কোনো শাস্ত্ৰতে উল্লেখ কৰি যোৱা নাই যে তেওঁৰ ধৰ্মত কোনেও হাঁহ, কুকুৰা, গাহৰি পালন কৰিব নোৱাৰিব। শংকৰদেৱে য'ত যেনেকৈ সুবিধা তেনেকৈ চলিবলৈহে কৈ গৈছিল। ৰজা, ব্ৰাহ্মণ, নাৰীক শৰণ নিদিয়াৰ কাৰণো সেয়াই আছিল। আনকি যেতিয়া শংকৰদেৱে কোৰিয়া দামোদৰদেৱক লগ পাইছিল তেতিয়া তেওঁ প্ৰশ্ন কৰিছিল যে ব্ৰাহ্মণ হৈ খেতি কৰিছা কিয়? তেতিয়া দামোদৰদেৱে উত্তৰ দিছিল যে আগতে 'পেটৰ মুঠিৰ দিহা পিছে-পৰে হৰি কথা'। দামোদৰদেৱৰ উত্তৰত শংকৰদেৱ আচৰিত হৈছিল আৰু পৰম সন্তোষ লভিছিল। কিন্তু আজি শংকৰদেৱৰ নামত সঙঘই যেন শংকৰদেৱৰ আদৰ্শক বিকৃত কৰিছে? এটা জাতীয় অনুষ্ঠান হিচাপে শংকৰদেৱ সংঘৰ গোটেই জাতিটোকে উন্নতিৰ পথেৰে বিশ্বৰ দৰবাৰলৈ আগুৱাই নিয়াটোহে মূল উদ্দেশ্য হোৱা উচিত আছিল কিন্তু তাৰ বিপৰীতে তেওঁলোকে শংকৰদেৱক মূল মধ্যমণি হিচাপে লৈ নিজৰ মাজতে খোৱা-কামোৰা কৰিবলৈ আৰম্ভ কৰিছে। সেয়েহে যেন লাহে লাহে শ্ৰীমন্ত শংকৰদেৱ সঙঘৰ প্ৰতি আমাৰ সকলোৱে আস্থা হেৰাই যাবলৈ আৰম্ভ কৰিছে। শ্ৰীমন্ত শংকৰদেৱ সঙঘ যেন আজি পথভ্ৰষ্ট হৈছে।! গতিকে সময় থাকোঁতেই কথাবোৰ চিন্তা কৰক, নহ'লে হয়তো অদূৰ ভৱিষ্যতে এদিন শ্ৰীমন্ত শংকৰদেৱ সঙঘ বুলি কোনো এটা অনুষ্ঠান নাথাকিবগৈ।

## কমাৰগাঁও মহাবিদ্যালয়ৰ উদ্যোগত শিশু দিৱস উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** ১৪ নৱেম্বৰত কমাৰগাঁও মহাবিদ্যালয়ৰ উদ্যোগত বোকাখাত শিশু গৃহত দিনজোৰা কাৰ্যসূচীৰে শিশু দিৱস উদযাপন কৰা হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰীক্ষণ কোষৰ সহযোগত আয়োজিত অনুষ্ঠানটো শিশুসকলে সমৱেত সংগীত পৰিৱেশনেৰে আৰম্ভণি কৰে। অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয় দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক মৃদুস্মিতা বাৰুকিয়াল আৰু শিশু গৃহৰ অধীক্ষক বৰ্ণিতা শইকীয়াই। কমাৰগাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক অঞ্জন শইকীয়াই অনুষ্ঠানটোৰ উদেশ্য ব্যাখ্যা আগবঢ়ায়। শইকীয়াই কয় যে পণ্ডিত জৱাহৰলাল নেহেৰুৰ স্মৃতিত আয়োজিত অনুষ্ঠানটোত শিশুৰ বিকাশ, শিশুৰ সজাগত, শিশুৰ অধিকাৰ, শিশুৰ কল্যাণৰ উদেশ্য আগত ৰাখি অনুষ্ঠানটো আয়োজন কৰা হৈছে। মূল অনুষ্ঠানটোৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি মহাবিদ্যালয়ৰ অধ্যাপক গায়ত্ৰী বৰা কাকতি আৰু মৃদুস্মিতা বাৰুকিয়ালৰ সহযোগত শিশুসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা আয়োজন কৰা হয়। ইয়াৰ লগতে শিশুসকলক লৈ গৱেষণাৰ শৈক্ষিক দিশটো গুৰুত্ব প্ৰদানেৰে এখনি জৰীপ আয়োজন কৰা হয়। য'ত মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক নিতুল কুমাৰ বৰা আৰু বিভাগৰ পঞ্চম যান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগ কৰে। শিশুসকলৰ শৈক্ষিক দিশটোৰ বিকাশৰ উদ্দেশ্যে শিশু গৃহলৈ গ্ৰন্থৰ টোপোলা আগবঢ়োৱা হয়। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপক ড° ৰঞ্জু মৰাং দলে, ড° বিজিত দাস, অসমীয়া বিভাগৰ অধ্যাপক সঞ্জয় আচাৰ্য, বোকাখাত শিশু গৃহৰ শিশু মাতৃ বিনীতা বৰা, কাৰ্যালয় সম্পাদক মনোজ পেগু, পৰামৰ্শ দাতা মনিষা ছেত্ৰীৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিশু গৃহৰ শিশুসকল উপস্থিত থাকে।

# জনজাতিকৰণৰ দাবীত নাজিৰাৰ শিমলুগুৰিত কোচ ৰাজবংশী সন্মিলনীৰ ৰে'ল অৱৰোধ

## গণতান্ত্ৰিক প্ৰতিবাদক প্ৰতিহত কৰিবলৈ আৰক্ষী-প্ৰশাসনে মাজবাটতে আবদ্ধ কৰিলে প্ৰতিবাদকাৰীক




**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৭ নৱেম্বৰ ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীৰ ভিত্তিত আজি নাজিৰাৰ শিমলুগুৰি ৰেল জংচনত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে দুঘন্টীয়া ৰে'ল অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। সন্মিলনীৰ কেন্দ্ৰীয় নেৰ্তৃত্বৰ লগতে নাজিৰা, শিৱসাগৰ, যোৰহাট, গোলাঘাট, সোণাৰী, ডিব্ৰুগড় আদি ভালেকেইখন জিলা সমিতিৰ সহস্ৰাধিক পুৰুষ- মহিলা, যুৱ সংগঠনৰ কৰ্মীয়ে প্ৰায় দুই কিলোমিটাৰ বাট সমদলেৰে শিমলুগুৰি ৰে'ল জংছনত সমৱেত হৈ কোচ ৰাজবংশী জনজাতিকৰণৰ দাবীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে আজিৰ প্ৰতিবাদস্থলীলৈ অহা শ শ প্ৰতিবাদকাৰী - বাহন অসমৰ বিভিন্ন প্ৰান্তত আৱদ্ধ কৰি ৰখা কাৰ্যক তীব্ৰ গৰিহণা দিয়ে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ কেন্দ্ৰীয় নেৰ্তৃত্বই। আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ সন্তমতাক নেওচি প্ৰতিবাদকাৰীসকলে 'চেলফী মামা মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা হায় হায়, নৰেন্দ্ৰ মোডী গ' বেগ, ন' এছ টি ন' ৰেষ্ট, কোচ ৰাজবংশীক জনজাতি লাগিবয়েই' আদি বিভিন্ন প্ৰতিবাদী শ্ল'গান-ধৰ্ণাই উত্তাল কৰি তোলে শিমলুগুৰিৰ আকাশ-বতাহ। এই প্ৰতিবাদৰ পিছতো কোচ ৰাজবংশীসকলক জনজাতিকৰণ নকৰিলে অনাগত সময়ত ইয়াতকৈ ভয়াৱহ গণ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি প্ৰতিবাদস্থলীত সকীয়াই দিয়ে। পিছত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ কেন্দ্ৰীয় সভাপতি আৰু সাধাৰণ সম্পাদকৰ স্বাক্ষৰেৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰলৈ একোখনিকৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

## টেটু অংকন কৰি পিছত অসুবিধাৰ সন্মুখীন হোৱাসকললৈ সুখবৰ



## ৰঙিয়াৰ স্পৰ্শ হাস্পতালত সংযোজন অত্যাধুনিক লেজাৰ মেচিন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১৭ নৱেম্বৰ ঃ** ৰঙিয়াৰ ব্যক্তিগত হাস্পতাল স্পৰ্শত পোন প্ৰথমবাৰৰ বাবে সংযোজন কৰা হয় অত্যাধুনিক লেজাৰ মেচিন। অতি কম সময়ৰ ভিতৰতে আৰু কম খৰচতে শৰীৰত থকা বিভিন্ন টেটু উঠাব পাৰি এই ইকো লেজাৰ মেচিনৰ জৰিয়তে। উল্লেখযোগ্য যে একাংশ যুৱক-যুৱতীয়ে বিভিন্ন নিযুক্তি পদৰ বাবে শৰীৰত থকা টেটুৰ বাবে শাৰীৰিক পৰীক্ষাত অৱতীৰ্ণ হৈয়ো বিমুখ হ'বলগীয়া হয়। এতিয়াৰে পৰা এই লৈ কোনো চিন্তাৰ কাৰণ নাই বুলি জানিবলৈ দিয়ে চিকিৎসালয়খনৰ শল্য চিকিৎসক ডাঃ ধ্ৰুৱজ্যোতি তালুকদাৰে কিয়নো এই পদ্ধতি সম্পূৰ্ণ পাৰ্শ্বপ্ৰতিক্ৰিয়া বিহীন আৰু কটা চিঙা নকৰাকৈ কৰা এক অত্যাধুনিক পদ্ধতি। টেটু অংকন কৰি পিছলৈ সমস্যাত ভোগাসকললৈ নিশ্চিতভাৱে ই এক আশাৰ বতৰা।

## বিধানসভাত স্বায়ত্তশাসিত পৰিষদৰ বাবে বিশেষ দলবিৰোধী আইন ৰূপায়ণৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** অসমৰ স্বায়ত্ত শাসিত পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিৰ কাৰণে দল বিৰোধী বিশেষ আইন ৰূপায়ন কৰিব লাগে। কিয়নো নিৰ্বাচনৰ পিছতে একাংশই দল ত্যাগ কৰি অন্য ৰাজনৈতিক দলত যোগদান কৰা পৰিলক্ষিত হয়। ফলত সমষ্টিৰ ভোটাৰ সকল প্ৰৱঞ্চিত, প্ৰতাৰিত আৰু অপমানিত হ'ব লগা হয়। ভোটাৰসকলৰ স্বাভিমানত আঘাত কৰা হয়। গতিকে দল ত্যাগ বিৰোধী আইন ৰূপায়ণ কৰি ভোটাৰ সকলৰ স্বাৰ্থ সুৰক্ষিত কৰিব লাগে। এক প্ৰেছ বাৰ্তাৰ জৰিয়তে সভাপতি লীলাধৰ দেউৰী, সহকাৰী সম্পাদক ধনীৰাম দেউৰীয়ে কয় যে দেউৰী, মিছিং, সোণোৱাল-কছাৰী, তিৱা, ঠেঙাল কছাৰী আৰু ৰাভা হাচং স্বায়ত্ত পৰিষদৰ বাবে এই নতুন বিধেয়ক উত্থাপন কৰিব লাগে। নিৰ্বাচিত সদস্যসকলে যদিহে বেলেগ দলত যোগদান কৰে, তেনেহ'লে তেওঁলোকৰ সমষ্টিসমূহ খালী কৰি দিব লাগে। উক্ত সমষ্টিত পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে। লগতে পৰৱৰ্ত্তী দুটা নিৰ্বাচন বা অতি কমেও দহ বছৰৰ বাবে তেওঁলোকক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বিৰত ৰাখিব লাগে। শেহতীয়াকৈ দেউৰী পৰিষদৰ যোৰহাটৰ সমষ্টিৰ পৰা নিৰ্বাচিত কংগ্ৰেছ প্ৰাৰ্থী কেশৱ দেউৰীয়ে সমষ্টিৰ ৰাইজক প্ৰৱঞ্চনা কৰি বিজেপি দলত যোগদান কৰা কাৰ্যত সমষ্টিতবাসী অসন্তুষ্ট হৈছে। ইয়াৰ পূৰ্বেও অন্য কেইবাখনো পৰিষদত একে ঘটনাৰ পুনৰাবৃত্তি হৈছিল। গতিকে বিধায়ক-সাংসদৰ বাবে যেনেদৰে দল ত্যাগ বিৰোধী আইন প্ৰযোজ্য থাকে, তেনেদৰে স্বায়ত্ত পৰিষদৰ বাবেও দল ত্যাগ বিৰোধী আইন প্ৰণয়ন কৰিবলৈ প্ৰেছ বাৰ্তাৰ জৰিয়তে আহ্বান জনোৱা হৈছে।

## নাজিৰাৰ ধেলী পুখুৰী প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠান সম্পন্ন




**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৭ নৱেম্বৰ ঃ** নাজিৰা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ধেলী পুখুৰী প্ৰাথমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠান ১৬ নৱেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে সম্পন্ন হয়। নাজিৰাৰ ধেলী পুখুৰী প্ৰাথমিক বিদ্যালয়ত সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুস্থিত হয় বিভিন্ন প্ৰতিযোগিতা। ধেলী পুখুৰী প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকে শিৱসাগৰৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈ, শিৱসাগৰৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰ জ্যোতি মহন্ত, নাজিৰা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দেৱজ্যোতি গগৈৰ লগতে কেইবাগৰাকীয়ো বিশিষ্ট ব্যক্তি। আগন্তুক ২০২৩ বৰ্ষৰ অক্টোবৰ মাহত ধেলী পুখুৰী প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব বুলি জানিবলৈ দিয়ে উদ্‌যাপন কমিটীয়ে। বিঃ দ্ৰঃ যোৱা চাৰিদিন ধৰি নাজিৰাৰ বহু গুৰুত্বপূৰ্ণ বাতৰি পঠিওৱা হৈছে, বিবেচনা কৰি প্ৰকাশৰ ব্যৱস্থা কৰিলে কাকতখনি প্ৰসাৰতাৰ ক্ষেত্ৰত সহায় হ'ব নিশ্চয়। বিশেষকৈ যোৱা কালি ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ বাতৰিটো প্ৰকাশৰ ব্যৱস্থা কৰিব। যিহেতু নিজৰ এটা অনুষ্ঠানৰ বাতৰিটো প্ৰকাশ নহ'লে নিশ্চয় বেয়া লাগিব।

### ধনশিৰি মহকুমা প্ৰশাসনৰ উদ্যোগত সৰুপথাৰত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন

## তিনিজন জ্যেষ্ঠ সাংবাদিকক বিশেষ সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ১৭ নৱেম্বৰ ঃ** ১৯৬৬ চনৰ ১৬ নবেম্বৰত জন্ম লাভ কৰা প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াই ১৬ নৱেম্বৰ দিনটোত সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰে। দেশৰ অন্যপ্ৰান্তৰ লগতে ধনশিৰি মহকুমাৰ সৰুপথাৰতো ধনশিৰি মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ উদ্যোগত আৰু মহকুমা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। গোলাঘাট দক্ষিণ উন্নয়ন খণ্ডৰ প্ৰেক্ষাগৃহত আয়োজন কৰা প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি মহকুমা প্ৰশাসনে 'ৰাষ্ট্ৰ নিৰ্মাণত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক এখনি আলোচনা চক্ৰ আয়োজন কৰা হয়। আলোচনা চক্ৰত সৰুপথাৰ মহাবিদ্যালয় অধ্যাপক ড° প্ৰণৱ ঢেকিয়াল ফুকন নিৰ্দিষ্ট বক্তা আৰু ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিন চেং ফাঁ বৰুৱাৰ নিজা প্ৰচেষ্টাত দিল্লীৰ পৰা ভিডিয় কনফাৰেন্সিং যোগেদি জ্যেষ্ঠ সংবাদিক, The Image People (Communications agency) and OurDemocracy.in and DemocTech (Political Technology organisations)ৰ প্ৰতিষ্ঠাপক ঈষাণ ৰাছেল আৰু এন ডি টি ভিৰ অতিৰিক্ত বাতৰি সম্পাদক ভাৰ্টিকা টুমৰক আমন্ত্ৰন জনায়। দুয়োগৰাকী জ্যেষ্ঠ সংবাদকৰ্মীয়ে ৰাষ্ট্ৰ নিৰ্মানত সংবাদ মাধ্যমৰ ভূমিকা সম্পৰ্কে বিশদভাৱে মন্তব্য আগবঢ়ায়। লগতে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত হোৱা অভিজ্ঞতাৰ আৰু বৰ্তমান সময়ত সংবাদ ক্ষেত্ৰখনলৈ অহা প্ৰত্যাহ্বান, সংবাদকৰ্মী সকলৰ দুখ-দুৰ্দশা সম্পৰ্কেও বৰ্ণনা কৰে। অন্যহাতে ধনশিৰি মহকুমাৰ বহুকেইজন সংবাদকৰ্মীয়ে সংবাদ সেৱাৰ কালছোৱাত হোৱা অভিজ্ঞতাসমূহ বৰ্ণনা কৰে। অনুষ্ঠানত ধনশিৰি মহকুমা প্ৰশাসন আৰু তথ্য আৰু জনসংযোগ বিভাগে ধনশিৰি মহকুমাৰ তিনিজন জেষ্ঠ সাংবাদিক বিপুল শৰ্মা, দ্বীপেন কুমাৰ বৰা, ৰাকেশ যাদৱক ধনশিৰি মহকুমাটোলৈ দীৰ্ঘদিন ধৰি সেৱা আগবঢ়োৱাৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। প্ৰাক্তন শিক্ষক ৰঞ্জন মহন্তই আঁত ধৰা প্ৰেছ দিসৱৰ কাৰ্যসুচীত ধনশিৰি মহকুমা মহকুমাধিপতি দিন চেং ফাঁ বৰুৱা, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া, সীমান্ত দণ্ডাদীশ প্ৰাঞ্জিল গগৈ, সৰুপথাৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া, দণ্ডাদীশ জাফেট ড্ৰাংগনৰ উপৰিও মহকুমাটোৰ বিভিন্ন বিদ্যালয় মহাবিদ্যলয়ৰ শিক্ষক, প্ৰৱক্তা, জ্যেষ্ঠ নাগৰিক আৰু ধনশিৰি মহকুমাৰ অৰ্ধ শতাধিক সংবাদকৰ্মী উপস্থিত থাকে।

## আজিম প্ৰেমজী বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে শিক্ষা বৃত্তি ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** কৰ্ণাটক চৰকাৰৰ অধীনত আজিম প্ৰেম জী বিশ্ববিদ্যালয়ে শেহতীয়াভাৱে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ অনুৰূপ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা আবেদন আহ্বান কৰিছে। উল্লেখ্য যে আজিম প্ৰেম জী ফাউণ্ডেচনৰ অধীনত স্থাপিত আৰু পৰিচালিত এই বিশ্ববিদ্যালয় খন মানৱ কল্যাণ ধৰ্মী শিক্ষা প্ৰতিষ্ঠান হিচাপে বিশেষভাৱে প্ৰসিদ্ধ। বিশেষ শিক্ষা বৃত্তিৰ জৰিয়তে মেধাৱী আৰু দৰিদ্ৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয় খনে প্ৰদান কৰা যিকোনো বিষয়ৰ পাঠ্যক্ৰম সহজেই সমাপন কৰিব পাৰে। ইয়াত অধ্যয়নৰ বাবে বিশ্ববিদ্যায় খনে শেহতীয়া শিক্ষা বৃত্তিৰ বিষয়ে ইয়াৰ ৱেব ছাইট যোগে অলপতে ঘোষণা কৰিছে। বিশ্ববিদ্যালয়খনে চলিত বছৰৰ বাবে আগবঢ়োৱা পাঠ্যক্ৰম সমূহৰ ভিতৰত অন্যতম হ'ল অৰ্থশাস্ত্ৰ, ইতিহাস, দৰ্শন, সামাজিক বিজ্ঞান, ইংৰাজী, গণিত, জীৱ বিজ্ঞান, ৰসায়ন বিদ্যা, পদাৰ্থ বিদ্যা ইত্যাদি। শেহতীয়াভাৱে ছাত্ৰ-ছাত্ৰীসকলক বিশ্ববিদ্যালয়খনৰ প্ৰায় ১০০ হেক্টৰ জোৰা ভূমিত নৱ নিৰ্মিত বিল্ডিং প্ৰাংগনত শিক্ষাৰ লগতে আবাসৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ শিক্ষা ব্যৱস্থা এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে পাঠ্যক্ৰম সমাপ্ত কৰাৰ অন্তত সংস্থাপনৰ বাবে ছাত্ৰ ছাত্ৰীসকলে অপেক্ষা কৰাৰ প্ৰয়োজন নহয়। ছাত্ৰ-ছাত্ৰীসকলে আবেদনৰ বাবে ইয়াৰ ৱেব ছাইট পৰিদৰ্শন কৰিব পাৰে। নামভৰ্তিৰ বাবে লিখিত পৰীক্ষাত অবতীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক পুনৰ বাছনিৰ জৰিয়তে সাক্ষাৎকাৰৰ বাবে নিমন্ত্ৰণ জনোৱা হয়।

## ওৰাঙৰ কলাগুৰু বিষ্ণু ৰাভা স্নাতক মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ কেন্দ্ৰ মুকলি




**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৭ নৱেম্বৰ ঃ** ১৩ নৱেম্বৰত ওদালগুৰি জিলাৰ ওৰাঙৰ কলাগুৰু বিষ্ণুৰাভা স্নাতক মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এইবাৰ নতুনকৈ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমটো মুকলি কৰা হয়। এই অনুষ্ঠানটোৰ অৰ্ন্তভুক্তি কাৰ্যসূচী শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ উৎপল চন্দ্ৰ হাজঙে। অনুষ্ঠানটো আত ধৰে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহঃ অধ্যাপক তথা কে কে ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুৰাভা স্নাতক মহাবিদ্যালয়ৰ কেন্দ্ৰটোৰ সম্বন্ধয়ক হোমেন বৰুৱাই। স্নাতকোত্তৰ পাঠ্যক্ৰম অসমীয়া, ইংৰাজী, শিক্ষা, পলিটিকেল চাইন্স, অৰ্থনীতি আৰু স্নাতক পাঠ্যক্ৰম অসমীয়া, ইংৰাজী, অৰ্থনীতি, শিক্ষা, বুৰঞ্জী, সমাজশাস্ত্ৰ, পলিটিকেল চাইন্স বিষয়ৰ পাঠ্যক্ৰম চলিত বৰ্ষৰ পৰাই মুকলি কৰা হৈছে। ইতিমধ্যে কেন্দ্ৰটোত স্নাতক আৰু স্নাতকোত্তৰ প্ৰায় ২০০ গৰাকীয়ে নাম ভৰ্ত্তি কৰিছে। এই অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে মাজবাট কলেজৰ সহঃ অধ্যাপক জয়ন্ত কলিতা আৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষ ধ্ৰুৱজ্যোতি শৰ্মা, সহঃ অধ্যাপক ইন্দ্ৰ বৰা, আছাবুদ্দিন আহমেদ, গীতাঞ্জলী বৰুৱা, দৰ্পনা দাস আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য অনন্ত চক্ৰৱৰ্তী আদি সকল উপস্থিত থাকি সহায় সহযোগিতা কৰে। ওৰাঙৰ কলাগুৰু বিষ্ণুৰাভা স্নাতক মহাবিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ইচ্ছুক সকলে নামভৰ্তি বা বিতং তথ্যৰ বাবে সমন্বয়ক হোমেন বৰুৱা, ৯১+৭০০২০ ২৯৯৮২ এই নম্বৰটোত সকলো প্ৰকাৰৰ যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

## ব্যতিক্ৰমৰ তৰফৰ পৰা নৱ-নিযুক্ত গুৱাহাটীস্থিত বাংলাদেশৰ সহকাৰী উচ্চায়ুক্তক উষ্ম আদৰণি আৰু সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** ১৫ নৱেম্বৰত গুৱাহাটীস্থিত বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত হয় এক প্ৰীতি ভোজৰ অনুষ্ঠান। উল্লেখযোগ্য যে বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত ড° শ্বাহ মহম্মদ তনভীৰ মনচুৰ দেৱৰ বিদায় উপলক্ষে আয়োজন কৰা উক্ত প্ৰীতি ভোজত উপস্থিত থাকে অসম বিধানসভাৰ অধ্যক্ষ মাননীয় বিশ্বজিত দৈমাৰী, নৱনিযুক্ত সহকাৰী উচ্চায়ুক্ত ৰুহুল আমিন, উত্তৰ-পূবৰ বিশিষ্ট লেখক তথা কবি শঙ্খশুভ্ৰ দেৱবৰ্মন আৰু ব্যতিক্ৰম মাচডোৰ সভাপতি ড° সৌমেন ভাৰতীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তি সকল। উক্ত অনুষ্ঠানত নৱনিযুক্ত সহকাৰী উচ্চায়ুক্ত ৰুহুল আমিন দেৱক স্বাগতম জনাই ড° শ্বাহ মহম্মদ তনভীৰ মনচুৰদেৱে কয় যে, 'যোৱা চাৰিটা বছৰে অসমত থাকি যিখিনি কাম কৰিবলৈ পালো সঁচাকৈয়ে মই ধন্য। বিশেষকৈ অসম চৰকাৰ আৰু ব্যতিক্ৰম মাচডোৰ সহযোগিতাত যিখিনি কাম কৰিলো এই চাৰিটা বছৰত সঁচাকৈয়ে ভাল লগা এক স্মৃতি হৈ ৰ'ব। বিভিন্ন ঠাইত কাম কৰিলো কিন্তু অসমৰ ৰাইজৰ যি মৰম আৰু সেৱা কেতিয়াও পাহৰিব নোৱাৰিম। আৰু নৱ নিযুক্ত ৰুহুল আমিনক মই মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো অনাগত দিনৰ বাবে। আশা কৰো সকলোৱে তেখেতকো সহায় সহযোগিতা আগবঢ়াব।' অনুষ্ঠানত উপস্থিত হৈ অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী দেৱে কয়, 'আজি এনে এক অনুষ্ঠানত উপস্থিত হৈ খুবেই ভাল লাগিছে আৰু যদিও ড° শ্বাহ মহম্মদ তনভীৰ মনচুৰ কৰ্মসূচী হিচাপে অসমৰ পৰা বদলি হৈছে মই ভাবো আগন্তুক দিনত তেখেতক আমি আমাৰ মাজত পাম আৰু যোৱা চাৰিটা বছৰে যিখিনি তেওঁ অসমৰ বাবে কৰিলে সঁচাই শলাগ ল'বলগীয়া আৰু নৱ নিযুক্ত ৰুহুল আমিন দেৱকো আন্তৰিক অভিনন্দন জনাইছো। আশা কৰো অসম আৰু বাংলাদেশৰ মাজৰ যি সম্পৰ্ক সেয়া আগবঢ়াই নিয়াত তেখেতে ওতঃপ্ৰোতভাৱে সহায় আগবঢ়াব। বিশিষ্ট লেখক কবি শঙ্খশুভ্ৰ দেৱবৰ্মনে নৱ নিযুক্ত সহকাৰী উচ্চায়ুক্ত ৰুহুল আমিন দেৱক আন্তৰিক অভিনন্দন জনায় আৰু লগতে কয় যে 'মই যেতিয়া অসমত আছিলো বহুবাৰ ড° শ্বাহ মহম্মদ তনভীৰ মনচুৰৰ লগত কাম কৰিছোঁ, তেখেতৰ অসমৰ প্ৰতি থকা যি শ্ৰদ্ধা মৰম অসমৰ ৰাইজে কেতিয়াও পাহৰিব নোৱাৰিব। আশা কৰো ভৱিষ্যত দিনত আমি পুনৰ লগ হৈ কাম কৰাৰ সুবিধা পাম।' ব্যতিক্ৰম মাচডোৰ সভাপতি ড° সৌমেন ভাৰতীয়াদেৱে জনায়, 'অসম তথা ভাৰত আৰু বাংলাদেশৰ মাজত যি সেতুবন্ধন আমি গঢ়িছিলো সেই সেতুবন্ধনত এক নিভাজ সহায় আগবঢ়াইছিল ড° শ্বাহ মহম্মদ তনভীৰ মনচুৰদেৱে। তেখেতৰ যি সহায় সহযোগিতা সেয়া আমি পাহৰিব নোৱাৰিম, বিশেষকৈ ব্যতিক্ৰম পৰিয়ালৰ লগত তেখেতৰ যি সাংস্কৃতিকভাৱেই হওঁক বা সামাজিক ভাৱেই হওঁক যি সম্পৰ্ক সেয়া পাহৰিব নোৱাৰিম কেতিয়াও, যদিও তেখেত বদলি হৈছে আশাকৰো ভৱিষ্যত দিনত তেখেতক আমি পুনৰ আমাৰ মাজত পাম আৰু এই সুযোগতে নৱ নিযুক্ত সহকাৰী উচ্চায়ুক্ত মহোদয়কো আন্তৰিক অভিবাদন জনাইছো।' অনুষ্ঠানৰ শেষত নৱ নিযুক্ত সহকাৰী উচ্চায়ুক্ত ৰুহুল আমিন দেৱে সকলোকে সম্বোধন কৰি কয়, 'মই খুবেই সুখী কাৰণ অসমৰ দৰে এখন ঠাইত কাম কৰিবলৈ আহিছো আৰু মোৰ বাবে এইয়া এক প্ৰতিজ্ঞা কিয়নো অসম আৰু বাংলাদেশৰ মাজৰ যি অটুট বন্ধন সেয়া খুব সুন্দৰকৈ আগবঢ়ায় নিয়াটো মোৰ বাবে যথেষ্ট কঠিন হ'ব তথাপিও চেষ্টা কৰিম সকলো কাম নিয়াৰিকৈ কৰি যাবলৈ আৰু আপোনালোকৰ সহায় সহযোগ মৰম আশীৰ্বাদ প্ৰেৰণা মোৰ বাবে কাম্য লগতে ড° শ্বাহ মহম্মদ তনভীৰ মনচুৰ ডাঙৰীয়াকো আগন্তুক দিনৰ বাবে অভিবাদন জনাইছো।

## ওৰাং প্ৰাথমিক বড়ো সাহিত্য সভাৰ অধিৱেশন সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৭ নৱেম্বৰ ঃ** অসমৰ স্বাভিমানী জনগোষ্ঠী বড়োসকলৰ জাতীয় জীৱনৰ পথ প্ৰদৰ্শক তথা ভাষা-সাহিত্যৰ কাণ্ডাৰী বড়ো সাহিত্য সভাৰ ৭১সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ওৰাং প্ৰাথমিক বড়ো সাহিত্য সভাৰ ৫৩ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আয়োজন ১৬ নৱেম্বৰত সুকলমে সম্পন্ন হয়। ওৰাং প্ৰাথমিক বড়ো সাহিত্য সভাৰ উদ্যোগত গেলাবিল ঠেলামাৰা গাঁওবাসীৰ আতিথ্যত ঠেলামাৰ গাঁৱত বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিন ১৬ নৱেম্বৰ (জিড' নৱেম্বৰ) বিশেষভাৱে উদ্‌যাপন হয় এদিনীয়া মনোৰঞ্জন ধৰ্মী কাৰ্যসূচীৰে। দিনজোৰা কাৰ্যক্ৰমণিকাত মৰ্মে অতি গাম্ভীৰ্যপূৰ্ণভাৱে সমাপন কৰা হয় পুৱা ৭-৪৫ বজাৰ পৰা ক্ৰমে প্ৰতিনিধিৰ নাম পঞ্জীয়ন, ওৰাং প্ৰাথমিক বড়ো সাহিত্য সভাৰ সভাপতি কৃতি শিক্ষক বিজয় শংকৰ বসুমতাৰীৰ দ্বাৰা বড়ো সাহিত্য সভাৰ পতাকা উত্তোলন, উপ-সভাপতি বিমল মোছাহাৰীৰ দ্বাৰা বড়ো জাতীয় ছহিদৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উন্মোচন, উপ-সভাপতি অনসোৰাং খুংগুৰ দৈমাৰীৰ দ্বাৰা স্মৃতি-চাৰণ অনুষ্ঠান উন্মোচন, দফলাপোটা এম ই স্কুলৰ প্ৰধান শিক্ষক শনিবৰ কছাৰীৰ দ্বাৰা প্ৰয়াত কেশৱ বসুমতাৰী সোঁৱৰণী মুখ্য আদৰণী তোৰণ উদ্‌ঘাটন, গেলাবিল ভিচিডিৰ প্ৰাক্তন সভাপতি জনাকিৰণ দৈমাৰীৰ দ্বাৰা প্ৰয়াত বৰুণ চন্দ্ৰ কছাৰী সোঁৱৰণী প্ৰতিনিধি শিবিৰৰ দ্বাৰ মুকলি, ঠেলামাৰা গাঁও সভাৰ উপদেষ্টা কান্দুৰা বসুমতাৰীৰ দ্বাৰা বৃক্ষৰোপণ কাৰ্যসূচী। চিআৰচিচি ৰেঞ্জেন বসুমতাৰীৰ সঞ্চালনাৰে আৰু ওদালগুৰি মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি প্ৰমোদ বসূমতাৰীৰ উন্মোচনেৰে ৰাতিপুৱা ৯-১৫ বজাত অনুষ্ঠিত হয় আকস্মিক বক্তৃতা, কবিতা আবৃত্তি প্ৰতিযোগিতা। ইয়াৰ পিছতেই বিটিছিৰ ই এম ড° নিলুট স্বৰ্গীয়াৰীয়ে উদ্বোধন কৰা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি জানিৰাম দৈমাৰীয়ে আদৰণী ভাষণ ৰখা প্ৰতিনিধি সভাখনি সঞ্চালনা কৰে সভাপতি বিজয় শংকৰ বসুমতাৰীয়ে। দিনৰ ১১-১৫ বজাৰ সম্বৰ্ধনা সভাৰ সঞ্চালনা কৰে অনসোৰাং খুংগুৰ দৈমাৰীয়ে। বক্তব্য ৰাখে ওৰাং প্ৰাথমিক বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ দৈমাৰীয়ে। সন্মিলনীয় অতিথিৰ আসনত উপবিষ্ট থাকে দুগৰাকী শিক্ষাগুৰু লিছেন বড়ো, দেওবৰ বসুমতাৰী। সম্বৰ্ধিত ব্যক্তি সকল হৈছে পাকৰিবাৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক ৰূপলাল দৈমাৰী, সদ্য এপিএছচি উত্তীৰ্ণ তথা কৰ পৰিদৰ্শক ফুংখা বড়ো, এইবেলি মেট্ৰিক পৰীক্ষাত অঞ্চলটোৰ ভিতৰত বড়ো বিষয়ত সৰ্ব্বোচ্চ নম্বৰ প্ৰাপক ২নং নলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থী সমেলা ব্ৰহ্ম, মণিকা মোছাহাৰী প্ৰমুখ্যে একাধিকজন। দিনৰ ১২-৩০ বজাত অনুষ্ঠিত হয় 'বৰ্তমান বড়ো ভাষা আৰু বড়ো ভাষা লিপিৰ সমস্যা' শীৰ্ষক আলোচনা চক্ৰ। বিষ্ণু ৰাভা বড়ো মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা অৱসৰী প্ৰধান শিক্ষক মণ্টু বসুমতাৰীৰ সঞ্চালনাৰে অনুষ্ঠিত আলোচনা চক্ৰৰ শুভ উদ্বোধন কৰে ওদালগুৰি জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অবিন্দ্ৰ কুমাৰ মুছাহাৰীয়ে। সাহিত্য অকাডেমি বঁটাৰে বিভূষিত প্ৰথিতযশা সাহিত্যিক নৰীন মল্ল বড়ো মুখ্য আলোচকৰূপে উপস্থিত থকা এই আলোচনা চক্ৰত ১৮ গৰাকী গণ্যমান্য ব্যক্তি সন্মানীয় অতিথি ৰূপে উপস্থিত থাকে। বিয়লি ৩ বজাত বঁটা বিতৰণী সভা সঞ্চালনা কৰে বিশিষ্ট সাহিত্যিক তথা মংগল চণ্ডী ব্ৰহ্ম সাহিত্য বঁটা প্ৰাপক বাসিৰাম বসুমতাৰীয়ে। সন্মানীয় অতিথিৰ আসন শুৱনি কৰে ২নং নলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাগুৰু তনাম মুছাহাৰীয়ে। সন্ধিয়া ৬ বজাত অনুষ্ঠিত সাংস্কৃতিক সন্ধ্যাৰ সংগীতানুষ্ঠানে চৌদিশ মূৰ্ছনাময় কৰি তোলে।

**PRESS NOTICE**

The Superintending Engineer, PWD, Nagaon Building Circle, Nagaon on behalf of Governor of Assam invites item rate bids in two bid system for the work **"Repair/Renovation of the Government Residential Quarter No. -JUD/05 damaged due to burglary at Nagaon" for the year 2022-23."** with an approximate value of **Rs. 23,21,335.00** from APWD registered Class-I (A/B/C) & class-II contractors (under this Circle) having experience of similar nature of work. Details of the bids may be seen in the office of the undersigned during office hours up to **22.11.2022:-**

Sd/
(Er. M.K. Saikia)
Superintending Engineer, PWD,
Nagaon Building Circle, Nagaon.

*No. ACE-101/TECH/NIT/BTC/BADP-1/2016-17/12,* *Dtd. Kokrajhar, the 17th Nov., 2022.*

**Tender No. 26 of 2022-23**

**PRESS NOTICE INVITING TENDER**

The Addl. Chief Engineer-cum-Director, PWD, BTC, Kokrajhar invites bids from approved and eligible contractors registered under APWD(Roads)/ BTC for the work **"Construction of Road from ICBP Block from Godayshri LP School Kalibon via Dawkuni Chowk to Kwirwjuli Chariali including 1 No. slab culvert under BADP for the year 2021-22"** for a total amount of **Rs.1,10,00,000.00 (Rupees One Crore Ten Lakh) only.**

Details may be seen at the website www.assamtenders.gov.in and also in the office of the undersigned during office hours.

**N.B.** The approx. value of work is inclusive of GST & LWC.

Sd/-
Addl. Chief Engineer-cum Director,
PWD, BTC, Kokrajhar.

*IPR(BTC)-494/2022*

# অভয়াপুৰীত জিলা মাটি পৰীক্ষা-মান নিয়ন্ত্ৰক পৰীক্ষাগাৰৰ শুভ উদ্বোধন



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৭ নৱেম্বৰ ঃ** গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানৰ লগত সংগতি ৰাখি বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত উত্তৰ শালমাৰা মহকুমা কৃষি বিষয়াৰ কাৰ্যালয় চৌহদত বুধবাৰে সকলো জিলা বিষয়া আৰু কৰ্মচাৰীৰ সহযোগত এক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে অভয়াপুৰীস্থিত উত্তৰ শালমাৰা মহকুমা কৃষি বিষয়াৰ কাৰ্যালয় চৌহদত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত নতুনকৈ নিৰ্মিত 'জিলা মাটি পৰীক্ষা আৰু মান নিয়ন্ত্ৰক পৰীক্ষাগাৰ'টি জিলাখনৰ কৃষক ৰাইজৰ সুবিধাৰ্থে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰ্চুৱেল পদ্ধতিৰে শুভ উদ্বোধন কৰাৰ লগতে অসম মিলেট অভিযানৰ শুভাৰম্ভণি কৰে। একেটা অনুষ্ঠানত হিতাধিকাৰীৰ মাজত বিভিন্ন কৃষি যন্ত্ৰপাতি আৰু সামগ্ৰীৰ বিতৰণ কৰে। বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত বীৰপাৰাৰ জনাৰ্দন সৰকাৰক মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত এখন মিনি ট্ৰাক আৰু গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত উত্তৰ শালমাৰাৰ অৰুণ ৰায়ক সৌৰ পিভি পাম্প ছেট এটা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰে। উল্লেখ্য যে গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এক অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হিতাধিকাৰীৰ মাজত বিভিন্ন কৃষি যন্ত্ৰপাতি আৰু সামগ্ৰীৰ বিতৰণ কৰে। লগতে অসম মিলেট অভিযানৰ শুভাৰম্ভণি কৰে আৰু ভাৰ্চুৱেল পদ্ধতিৰে ৬টা মাটি পৰীক্ষা আৰু মান নিয়ন্ত্ৰক পৰীক্ষাগাৰ, ২টা জ্ঞান কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। ইপিনে অভয়াপুৰীস্থিত উত্তৰ শালমাৰা মহকুমা কৃষি বিষয়াৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত ভাস্কৰ দাস, জিলা কৃষি বিষয়া অমৃত লাল নাৰ্জাৰী, মহকুমা কৃষি বিষয়া পৰেশ চন্দ্ৰ ৰায়ৰ লগতে আন আন বিষয়াসকল আৰু প্ৰায় দুই শতাধিক কৃষক উপস্থিত থাকে। উল্লেখ্য যে 'জিলা মাটি পৰীক্ষা আৰু মান নিয়ন্ত্ৰক পৰীক্ষাগাৰ'টি মুকলি হোৱাৰ ফলস্বৰূপে এতিয়াৰে পৰা জিলাখনৰ কৃষকসকলে নিজৰ কৃষিভূমিৰ গুণগত মান স্থানীয়ভাৱে পৰীক্ষা কৰিব পাৰিব। যিয়ে কৃষকসকলক যথেষ্ট উপকৃত কৰিব বুলি স্থানীয় কৃষকসকলে মত প্ৰকাশ কৰে।




## বঙাইগাঁৱত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৭ নৱেম্বৰ ঃ** বঙাইগাঁও জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু গ্ৰেটাৰ বঙাইগাঁও প্ৰেছ ক্লাব আৰু জিলা প্ৰশাসনৰ সহযোগত বুধবাৰে প্ৰেছ ক্লাব প্ৰাংগণত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মাই পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণেৰে কাৰ্যসূচী মুকলি কৰাৰ পিছত এখন আলোচনা চক্ৰ তথা সভা অনুষ্ঠিত হয়। প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা চক্ৰখনত জিলা উপায়ুক্ত নৱদীপ পাঠকে মুখ্য অতিথি, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা আৰু অসমীয়া প্ৰতিদিনৰ বঙাইগাঁও সংস্কৰণৰ আৱাসিক সম্পাদক হেমন্ত কুমাৰ শৰ্মাই সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। উপায়ুক্তগৰাকীয়ে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত 'জাতি গঠনত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰত ধুবুৰী ভোলানাথ কলেজৰ সহযোগী অধ্যাপক ড° উপেন্দ্ৰজিৎ শৰ্মাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি মূল বিষয়বস্তুৰ ওপৰত বক্তব্য আগবঢ়ায়। মুখ্য অতিথিৰ ভাষণত উপায়ুক্ত নৱদীপ পাঠকে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে সমূহ সাংবাদিকক শুভেচ্ছা জনাই ৰাষ্ট্ৰ গঠনত সংবাদ মাধ্যমৰ ভূমিকাৰ ওপৰত বক্তব্য আগবঢ়ায়। লগতে সাংবাদিকসকলে প্ৰশাসনক আগবঢ়াই অহা সহযোগিতাৰ বাবে ধন্যবাদ জনায়। আনহাতে, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই সাংবাদিকসকলে কৰ্মজীৱনত থকা প্ৰত্যাহ্বানকো নেওচি যি সেৱা আগবঢ়াই আহিছে সেই বিষয়ে তেওঁৰ বক্তব্যত প্ৰতিফলিত কৰে। ইপিনে আলোচনা চক্ৰৰ সমল ব্যক্তি ড° উপেন্দ্ৰজিৎ শৰ্মাই নিজৰ বক্তব্যত কয় যে সংবাদ মাধ্যম আৰু সাংবাদিক যদি নিশ্চুপ হৈ যায় তেতিয়াহ'লে জাতি শুই যায় আৰু জাতি ধ্বংসৰ গৰাহত তথা ধ্বংসৰ কৱলত পৰিব। ইয়াৰ বিপৰীতে সাংবাদিক আৰু সংবাদ মাধ্যম যিমানে উজ্জীৱিত হৈ সজাগ কৰি থাকিব সিমানে জাতিটো উন্নতি আৰু উন্নয়নৰ পথত আগবাঢ়ি গৈ থাকিব। গতিকে সেই জাতীয় জীৱনৰ অতন্দ্ৰ প্ৰহৰী হিচাপে আমাৰ অসমৰ সংবাদ মাধ্যম জীয়াই থাকক। তেতিয়া সংবাদ মাধ্যমক গণতন্ত্ৰৰ যি চতুৰ্থ স্তম্ভ বুলি কোৱা হয় সেয়া সঁচা অৰ্থত চতুৰ্থ স্তম্ভ হ'ব। কাৰণ ঘৰৰ চালি এখনৰ চাৰিটা খুঁটাৰ যদি এটা ভাগি পৰে তেতিয়াহ'লে তিনিটা খুঁটাৰে চালিখন বৰ্তি নাথাকে। তেওঁ আৰু কয় যে সংবাদ মাধ্যম আৰু সাংবাদিকসকলেহে কেৱল সমাজৰ প্ৰতি দায়বদ্ধ হৈ থাকিব লাগিব নেকি? চৰকাৰ, প্ৰশাসন তথা ৰাইজ কেতিয়াবা সমাজৰ অতন্দ্ৰ প্ৰহৰী বুলি কোৱা সংবাদকৰ্মীসকলৰ প্ৰতি দায়বদ্ধ হৈছে নে? গতিকে এইবোৰ দিশ চালি-জাৰি চোৱা প্ৰয়োজন হৈ পৰিছে। তেওঁ লগতে কয় যে এটা সুস্থ- সবল জাতি গঠন কৰিবলৈ হ'লে সংবাদ মাধ্যমে এটা পৰিসীমিত ৰূপত জাতীয় জীৱনৰ সেৱা আগবঢ়াব লাগিব। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক তেজেশ ত্ৰিপাঠীয়েও বক্তব্য আগবঢ়ায়। উল্লেখ্য যে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে বঙাইগাঁও জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া বিনু ৰাণী ৰাজবংশীয়ে।

## উত্তৰ শালমাৰা মহকুমাত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ১৭ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালামাৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ত উত্তৰ শালামাৰা মহকুমা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত কালি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত দিনৰ ১১.৩০ বজাত বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ মহকুমাধিপতি চিমি কৰণৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত উপস্থিত মহকুমাটোৰ সংবাদ কৰ্মীসকলক মহকুমাধিপতিগৰাকীয়ে এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত সভাত এইবাৰৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ বাবে 'ৰাষ্ট্ৰ নিৰ্মাণত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক বিষয়বস্তুৰ ওপৰত এক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানৰ বিশিষ্ট অতিথিৰ আসন শুৱনি কৰা অভয়াপুৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ধীৰেন শৰ্মাই 'ৰাষ্ট্ৰ নিৰ্মাণত সংবাদ মাধ্যমৰ ভূমিকা' সম্পৰ্কে অতি সুন্দৰকৈ বক্তব্য আগবঢ়ায়। লগতে সংবাদ মাধ্যমে সাধাৰণ ৰাইজে সন্মুখীন হোৱা সমস্যাসমূহ প্ৰতিফলিত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা বলিষ্ঠ ভূমিকা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। সংবাদ মাধ্যমে ইতিবাচক সমালোচনাৰ জৰিয়তে বিভিন্ন নীতি ৰূপায়ণৰ ক্ষেত্ৰত ভুল-ত্ৰুটি আঙুলিয়াই দি নীতি নিৰ্ধাৰকসকলৰ দৃষ্টিগোচৰ কৰাত আৰু ইয়াৰ দ্বাৰা কিদৰে সমাজৰ উন্নয়ন আৰু কল্যাণ সাধন কৰিব পাৰি তাৰ ওপৰত ব্যাখ্যা আগবঢ়ায় উপাধ্যক্ষগৰাকীয়ে। সভাত উপস্থিত থকা কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিকে সংবাদ কৰ্মীসকলে বিভিন্ন সময়ত সন্মুখীন হ'বলগীয়া সমস্যাসমূহৰ বিষয়ে বক্তব্য আগবঢ়ায়। মহকুমাটোৰ বহুকেইগৰাকী সাংবাদিক উপস্থিত থকা অনুষ্ঠানটিৰ আঁত ধৰে তথা শলাগৰ শৰাই আগবঢ়ায় মহকুমা তথ্য আৰু জনসংযোগ বিষয়া তন্ময় ঘোষে।




## গুৱাহাটী তেল শোধনাগাৰৰ বিষয়া কল্যাণ সন্থাৰ ত্ৰয়োদশ বাৰ্ষিক সভা সম্পন্ন

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** কালি নুনমাটিৰ জুবিলী হলত অনুষ্ঠিত ত্ৰয়োদশ বাৰ্ষিক সভাত নতুন সমিতি গঠন কৰা হয়। উপদেষ্টা দেৱেশ্বৰ ভট্টচাৰ্য, ডাঃ শৈলেশ বণিক্য আৰু অৰুণ ডেকা, সভাপতি- হিমেন শৰ্মা, উপ-সভাপতি দিলীপ কুমাৰ তালুকদাৰ, সাধাৰণ সম্পাদক মলয় বৰুৱা (পুনৰ মনোনীত), যুটীয়া সম্পাদক অশোক তালুকদাৰ আৰু পুলিন গোস্বামী আৰু কোষাধ্যক্ষ নিকুঞ্জ দাস। (পুনৰ মনোনীত)। সভাত আন ১৫জন কাৰ্যনিৰ্বাহক সদস্য মনোনীত কৰা হয়। সভাই অৱসৰী বিষয়াসকলৰ বিভিন্ন সমস্যাৰ প্ৰতি তেল নিগমৰ কৰ্তৃপক্ষই মনোযোগ নিদিয়াত অসন্তুষ্টি প্ৰকাশ কৰা হয় আৰু অনতিপলমে বিষয়াসকলৰ সমস্যাসমূহৰ নিষ্পত্তি কৰিবলৈ গোহাৰি জনায়।

## পশ্চিম বিহালী আঞ্চলিক ছাত্ৰ সন্থাৰ অধিবেশন

বিহালী ১৬ নবেম্বৰ -লোকপ্ৰিয় উচ্চ মাধ্যমিক বিদ্যালয়ত পশ্চিম বিহালী আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনখনি সফলতাৰে অনুষ্ঠিত হৈ যায়। পশ্চিম বিহালী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰানজিৎ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত উপস্থিত থাকে সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সন্মানীয় সভাপতি বিক্ৰম বিকাশ বৰা , বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ তথ্য সম্পাদক দ্বিপজ্যোতি হাজৰিকা, বিশ্বনাথ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিতু বৰা,পূব বিহালী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰক্তিম ৰঞ্জন হাজৰিকা, সম্পাদক জিতু বনিয়া, উপদেষ্টা ৰিতুৰঞ্জন বৰুৱা, বিহালী স্নাতক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভানেত্ৰী চয়নিকা ভৰদ্বাজ, সাধাৰণ সম্পাদক তীৰ্থ্যক জ্যোতি গোস্বামীকে প্ৰমুখ্য কৰি পশ্চিম বিহালী আঞ্চলিক ছাত্ৰ সন্থাৰ ভালেসংখ্যক প্ৰতিনিধি। সভাৰ শেষত পুৰণা সমিতি ভংগ কৰি প্ৰানজিৎ দাসক সভাপতি আৰু পুৰঞ্জন দাস সম্পাদক হিচাপে লৈ ৫১ জনীয়া এখন সবল সমিতি গঠন কৰা হয়।

## শিমলীতোলা বজাৰত বন বিভাগৰ অভিযান

# কেইবা লক্ষাধিক টকাৰ ফলা কাঠ জব্দ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৭ নৱেম্বৰ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া থানাৰ অন্তৰ্গত নগৰবেৰাৰ পাৰ্শ্বৱৰ্তী নৱাগত শিমলীতোলা বজাৰত প্ৰধান মুখ্য বন সংৰক্ষকৰ (গুৱাহাটী) নিৰ্দেশত বন বিভাগে কালি পুৱাৰ ভাগত অতৰ্কিতে এক অভিযান চলায়। অভিযানত বন বিভাগৰ অভিযানকাৰী দলটোৱে বজাৰখনত বিক্ৰীৰ বাবে মজুত কৰি ৰখা কেইবা লক্ষাধিক টকাৰ অবৈধ ফলা কাঠ জব্দ কৰিবলৈ সক্ষম হয়। ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত নৱাগত শিমলীতোলা বজাৰত দীৰ্ঘদিনৰে পৰা অবৈধ কাঠৰ ৰমৰমীয়া বেহা চলাই আহিছে একাংশ অসাধু ব্যৱসায়ীয়ে। এক গোপন খবৰৰ ভিত্তিত বুধবাৰৰ পুৱাৰ ভাগতে গুৱাহাটীৰ পিচিচিএফ কাৰ্যালয়ৰ বন বিভাগৰ এটা দলে অভিযান চলাই বজাৰখনত বিক্ৰীৰ বাবে মজুত ৰখা বুজন পৰিমাণৰ ফলা কাঠ জব্দ কৰিবলৈ সক্ষম হয়। আনহাতে, বন বিভাগৰ অভিযানৰ উমান পাই ফৰিং ছিটিকা দিয়ে কাঠ ব্যৱসায়ীসকলৰ উপৰি ইয়াৰ লগত জড়িত লোকসকল। স্মৰ্তব্য যে দীৰ্ঘ দিনৰে পৰা ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত নৱাগত শিমলীতোলা বজাৰত নিতৌ অবাধ গতিত অবৈধ কাঠ ব্যৱসায়ৰ ৰামৰাজ্য চলি থকাৰ অভিযোগ উত্থাপন কৰে স্থানীয় একাংশই। এতিয়া প্ৰশ্ন হয়, বন বিভাগৰ সংশ্লিষ্ট ৰেঞ্জ কাৰ্যালয় আৰু জিলা কাৰ্যালয় থকাৰ পিছতো কিহৰ বাবে সুদূৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ে এই অভিযান চলাবলগীয়া হ'ল। সেই লৈও সচেতন তথা প্ৰকৃতি প্ৰেমী ৰাইজৰ মাজত চৰ্চা চলিছে, লগতে অবৈধ কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে বন বিভাগে চলোৱা অভিযানক শলাগ লৈছে প্ৰকৃতি প্ৰেমী ৰাইজে।

## গোলাঘাটৰ লক্ষীবাৰীত মানসিক-মৃগী ৰোগৰ বিনামূলীয়া চিকিৎসা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৭ নৱেম্বৰ ঃ** কালি গোলাঘাট জিলাৰ অন্যতম অগ্ৰণী সাংস্কৃতিক, সামাজিক অনুষ্ঠান শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলা মঞ্চৰ উদ্যোগত আৰু মনজ্যোতি ফাউণ্ডেচনৰ সহযোগত লক্ষীবাৰী কলা মঞ্চৰ প্ৰাংগণত মানসিক ৰোগ আৰু মৃগী ৰোগৰ বিনামূলীয়া চিকিৎসা শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হয়। উক্ত চিকিৎসা শিবিৰত চিকিৎসা প্ৰদান কৰে যোৰহাটৰ চিকিৎসক দীপজ্যোতি বৰা আৰু গোলাঘাট লক্ষীজুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক মিংকু প্ৰতিম দত্তই। উক্ত চিকিৎসা শিবিৰত প্ৰায় ২০জন ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়। অনুষ্ঠানত স্থানীয় সমাজকৰ্মী দ্বিজেন শইকীয়া, সাংবাদিক পাৰ্থ প্ৰতিম শইকীয়া, শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলা মঞ্চ লগতে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## কোকিলাৰ গোলাপাৰাত মডেল অংগনৱাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ১৭ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ গোলাপাৰা ১ম খণ্ড মডেল অংগনৱাড়ী কেন্দ্ৰৰ গৃহৰ শুভ উদ্বোধন কৰে স্থানীয় বিধায়ক আব্দুল বাতিন খন্দকাৰে। প্ৰায় ২৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা উত্তৰ অভয়াপুৰী সমষ্টিৰ ছালাভিলা আৰু গোলাপাৰাত মডেল অংগনৱাড়ী কেন্দ্ৰক গ্ৰামাঞ্চলৰ ফাইভষ্টাৰ গৃহৰ লগত তুলনা কৰে বিধায়ক আব্দুল বাতিন খন্দকাৰে। আনকি মন্ত্ৰী অজন্তা নেওগৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে কংগ্ৰেছী বিধায়কজনে। উত্তৰ অভয়াপুৰী সমষ্টিত মুঠ ২৩টা মডেল অংগনৱাড়ী কেন্দ্ৰৰ গৃহ নিৰ্মাণ হ'ব বুলি বিধায়কজনে কয়। আনকি মন্ত্ৰী অজন্তা নেওগে ইমান আটকধুনীয়া আৰু সুন্দৰ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিব পাৰে বুলি কল্পনা কৰিব পৰা নাছিল বিধায়কজনে। আনহাতে, গৃহ উদ্বোধন কৰাৰ পিছত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ বিডিঅ' ছৈয়দ জাকিৰউল্লাই বিধায়কজনৰ সন্মুখত অংগনৱাড়ী কেন্দ্ৰ সন্ধিয়া মদ-জুৱাৰ ঘাটিত পৰিণত হয় বুলি ভাষণত কয়। আনকি অংগনৱাড়ী কেন্দ্ৰত কুকৰ্ম চলাই থকাৰ বিষয়ে ভাষণত কয় বিডিঅ'জনে। সাধাৰণ বিডিঅ' এজনে বিধায়কৰ সন্মুখত চৰকাৰী অভিলাষী আঁচনিক এনেকৈ কোৱাৰ সাহক ক'ৰ পৰা পালে বুলি বিভিন্নজনে প্ৰশ্ন উত্থাপন কৰিছে। বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰে এইজন বিষয়াৰ বিৰুদ্ধে কি ব্যৱস্থা লয় সময়তহে ক'ব পৰা যাব।





## নামটেমেৰাত কৃষকক ৰবি শস্যৰ কঠীয়া-সাৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৭ নৱেম্বৰ ঃ** বোকাখাত বিধানসভা সমষ্টিৰ ৰঙামাটি মৌজাৰ অন্তৰ্গত নামটেমেৰা গাঁৱত আজি অসম কৃষি বিশ্ববিদ্যালয় যোৰহাট AAU-DRMR 2021-22 প্ৰকল্প অধিনত কৃষি সহকাৰী সঞ্চালক ড° মৃণাল শইকীয়াৰ দ্বাৰা সৰিয়হ প্ৰমাণিত বীজ উৎপাদনৰ বাবে ১০০ বিঘা মাটিত Ts 38 সৰিয়হৰ কঠীয়াৰ লগতে ইউৰিয়া, পটাছ, বৰা আদি প্ৰয়োজনীয় আটাইকেইবিধ ৰাসায়নিক সাৰ ৫০গৰাকী কৃষকক প্ৰদান কৰে এখন ৰাজহুৱা সভাত। সভাত জ্যেষ্ঠ নাগৰিক ভৃগুমণি মাৰাঙে সভাপতিত্ব কৰা অনুষ্ঠানটোৰ আঁত ধৰে শিক্ষক দুলৰঞ্জন বড়িয়ে। ৰাইজে কৃষি বিশ্ববিদ্যালয়ৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে ৰাইজ আৰু বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰি দিয়া আদৰ্শ কৃষক ৰাজীৱ বড়িকো ধন্যবাদ জ্ঞাপন কৰে ৰাইজে।

## বঙাইগাঁৱৰ টেঙাইগাঁৱত বৰ্ণাঢ্য জনগোষ্ঠীয় উৎসৱ




**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৭ নৱেম্বৰ ঃ** সমগ্ৰ শিক্ষা বঙাইগাঁৱৰ উদ্যোগত আৰু টেঙাইগাঁও মণ্ডল সমল কেন্দ্ৰৰ সৌজন্যত বুধবাৰে বঙাইগাঁও জিলা শিক্ষা খণ্ডৰ অধীনৰ টেঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত জনগোষ্ঠীয় উৎসৱ-২০২২ উদ্‌যাপন কৰা হয়। জনগোষ্ঠীয় উৎসৱত টেঙাইগাঁও মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ মণ্ডল সমল কেন্দ্ৰৰ মুঠ ৯খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক- শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে অংশগ্ৰহণ কৰে। এই উপলক্ষে পুৱাৰ ভাগত পতাকা উত্তোলন, শ্বহীদ বেদীত পুষ্পাঞ্জলি নিবেদন আৰু গছপুলি ৰোপণ কাৰ্যসূচী সম্পাদনা কৰা হয়। ইয়াৰ পিছতে টেঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদৰ পৰা ৰাভা, বড়ো, কোচ ৰাজবংশী, বেংগলী, ধৰ্মীয় সংখ্যালঘু আদি জাতি-জনগোষ্ঠীৰ এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বঙাইগাঁও শিক্ষা বিভাগৰ সহকাৰী পৰিদৰ্শক ভদ্ৰাৱতী বৰ্মনে সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে। লক্ষ্যণীয়, জনগোষ্ঠীয় উৎসৱৰ লগত সংগতি ৰাখি 'ৰেঙনি' নামৰ এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। বিশিষ্ট সমাজকৰ্মী তথা টেঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বলেন চন্দ্ৰ সিংহই প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে। এক উথপ্‌থপ পৰিৱেশৰ মাজত উদ্‌যাপিত জনগোষ্ঠীয় উৎসৱত বিভিন্ন জাতি-জনগোষ্ঠীৰ বিভিন্ন কলা-কৃষ্টি আৰু নৃত্য প্ৰদৰ্শন কৰে। তদুপৰি অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে বিয়লিৰ ভাগত মুকলি সভা অনুষ্ঠিত হয়।

## ৰঙাপৰাত কৃষক মৰ্চাৰ উদ্যোগত বীজ বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৭ নৱেম্বৰ ঃ** ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত নাহৰণিগাঁও পঞ্চায়তৰ নাহৰণি গ্ৰাণ্ট গাঁৱত বিজেপি কৃষক মৰ্চাৰ ৰঙাপৰা মণ্ডলৰ উদ্যোগত বিভিন্ন শস্যৰ বীজ বিতৰণ কৰা হয়। অঞ্চলটোৰ ভালেসংখ্যক কৃষকক সাম্প্ৰতিক সময়ত কৃষি আৰু কৃষকক প্ৰযুক্তি নিৰ্ভৰ কৰি তোলাৰ উদ্দেশ্যৰে উন্নত মানৰ বীজ বিতৰণ কৰা হয়। দিনৰ ১২ বজাত অনুষ্ঠিত সভাত নাহৰণি আৰু নামনিগাঁও গাঁও পঞ্চায়তৰ প্ৰায় ২৪০গৰাকী কৃষকক সৰিয়হ, আলু, মচুৰ দালি, পিঁয়াজ আৰু গোমধানৰ বীজ বিতৰণ কৰা হয়। ইয়াৰে ৪০গৰাকী কৃষকক সৰিয়হ, ৩০গৰাকী খেতিয়কক মচুৰ দালি, ১০০গৰাকীক পিঁয়াজ, ৩০গৰাকীক গোমধান আৰু ২০জনীয়া দুটা গোটক আলুৰ বীজ বিতৰণ কৰা হয়। সভাত অংশগ্ৰহণ কৰি চাৰিদুৱাৰ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া ৰিতুৰাজ দেৱে কৃষিৰ প্ৰতি নৱ-প্ৰজন্মক আগ্ৰহী হ'বলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীৰ কিষাণ নিধিয়ে খেতিয়ক ৰাইজক কিদৰে আৰ্থিকভাৱে সবল কৰিছে সেই বিষয়েও তেওঁ ব্যাখ্যা কৰে। খেতিয়কক খেতি চপোৱাত সহায় কৰা চলাচৰ বুলি এটি চৰকাৰী গোট আছে বুলি তেওঁ কৃষকসকলক অৱগত কৰে। তেওঁ ফচল বীমা আঁচনিৰ ওপৰত আলোকপাত কৰে। বিজেপি কৃষক মৰ্চা ৰঙাপৰা মণ্ডলৰ সম্পাদক ৰমেশ শৰ্মাই আঁত ধৰা অনুষ্ঠানত কৃষক মৰ্চাৰ ৰঙাপৰা মণ্ডলৰ সভাপতি কমল শৰ্মা উপস্থিত থাকে।

# সামৰণি পৰিল পূব নাগশংকৰ কেন্দ্ৰীয় ৰাস মহোৎসৱৰ ৰূপালী জয়ন্তী সমাৰোহ-২০২২

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৭ নৱেম্বৰ ঃ** শংকৰ-মাধৱে এৰি থৈ যোৱা অসমীয়া জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈছে ভগৱান শ্ৰীকৃষ্ণৰ ৰাস ক্ৰীড়া। ভগৱন্ত শ্ৰীকৃষ্ণৰ জীৱন কাহিনীৰে আধাৰিত ৰাস ক্ৰীড়াৰ মাজতে যেন পৰিস্ফুটিত হয় মানৱ সমাজৰ জীৱন। এয়া যেন দ্বাপৰ যুগৰ পৰাই মানৱ সমাজত প্ৰচলিত হৈ আহিছে ভগৱান শ্ৰীকৃষ্ণ প্ৰেমৰ ৰস। ঈশ্বৰৰ এই লীলা গুৰুজনাই দেখুৱাই যোৱা এই ৰাস ক্ৰীড়াক ৰাস মহোৎসৱ হিচাপে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ বিশ্বনাথ জিলাৰ বৃহত্তৰ চতিয়াৰ উত্তৰে ডিপলোঙা, চেঙামাৰী আৰু মনাই অন্তৰ্গত পূব নাগশংকৰ গাঁও পঞ্চায়ত অঞ্চলৰ বিভিন্ন ভাষা-ভাষী, জাতি-ধৰ্মাৱলম্বী ৰাইজে মিলি প্ৰতি বছৰে উলহ-মালহেৰে পালন কৰি আহিছে কেন্দ্ৰীয় ৰাস মহোৎসৱভাগ। এন চি চেঙামাৰী খেলপথাৰত উদ্‌যাপন কৰি অহা ৰাস মহোৎসৱভাগ এইবেলি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়েহি। সেই উপলক্ষে মাহজোৰা প্ৰস্তুতিৰে ৰাস মহোৎসৱভাগ ১১, ১২ আৰু ১৩ নৱেম্বৰ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তী সমাৰোহ উদ্‌যাপন কৰে। বিভিন্ন আহিঁৰে সজাই-পৰাই তোলা ৰাসস্থলীভাগৰ প্ৰথম দিনৰ কাৰ্যসূচী মৰ্মে পৰিৱেশন নিকাকৰণ কাৰ্যসূচীত 'বুনিয়াদ' স্বেচ্ছাসেৱী সংগঠনৰ বিষয়ববীয়াসকলৰ কেইবাগৰাকী বিষয়ববীয়া আৰু সদস্যই অংশগ্ৰহণ কৰে। পতাকা উত্তোলন কৰে সমাজকৰ্মী তথা আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি গোপাল দাসে। সমগ্ৰ অসমৰ লগতে বৃহত্তৰ এই অঞ্চলৰ বিভিন্ন ভাষা-ভাষী, জাতি-ধৰ্মাৱলম্বী ৰাইজে বসবাস কৰি অহা লোকসকলৰ মাজত থকা মিলাপ্ৰীতি, ভাতৃবোধ আৰু সমন্বয়ক প্ৰদৰ্শন কৰিবলৈ এক বিশাল বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰা হয়। গুৰুজনাই দেখুৱাই দিয়া ভক্তিমূলক সাংস্কৃতিক ৰচনাৱলীসমূহ প্ৰদৰ্শনৰ উপৰি বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অংশীদাৰ হোৱা বড়ো, মিছিং, কাৰ্বি, নেপালী, আদিবাসী আদি জাতি-জনগোষ্ঠীয়ে নিজৰ নিজৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰা এই বিশাল বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে বিশ্বনাথ জিলা উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে। সাংস্কৃতিক শোভাযাত্ৰা উপ-সমিতিৰ সভাপতি ভৰত কলিতা, সম্পাদকদ্বয় ক্ৰমে দিগন্ত বৰুৱা আৰু দীপজ্যোতি ৰাজখোৱাপ্ৰমুখ্যে সমূহ বিষয়ববীয়া তথা কৰ্মকৰ্তাৰ প্ৰচেষ্টাৰে প্ৰস্তুতি লোৱা বাৰেৰহণী সাংস্কৃতিক শোভাযাত্ৰা কাৰ্যসূচীভাগ ৰূপালী জয়ন্তী সমাৰোহৰ অন্যতম সফল কাৰ্যসূচী বুলি অভিহিত কৰিব পাৰি। দ্বিতীয় দিনৰ কাৰ্যসূচী মৰ্মে আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি গোপাল দাসৰ সঞ্চালনত এখন মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাখনত 'বৃন্দাবন' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে বিহালী




স্নাতক মহাবিদ্যালয়ৰ অধ্যাপক তথা সাংস্কৃতিক কৰ্মী টুন টুন বৰাই। স্মৰ্তব্য যে, টুন টুন বৰাই পূব নাগশংকৰ কেন্দ্ৰীয় ৰাস অনুষ্ঠানটিত আৰম্ভণিতে কেইবা বছৰ ধৰি শ্ৰীকৃষ্ণৰ শিশুলীলা নৃত্য-নাটিকাসমূহ প্ৰশিক্ষণ আৰু পৰিচালনা কৰি আহিছিল। তেওঁৰ ভাষণ প্ৰসংগত ভগৱান শ্ৰীকৃষ্ণ অপাৰ মহিমা সন্দৰ্ভত আলোচনা কৰে। মুকলি সভাৰ আমন্ত্ৰিত নিৰ্দিষ্ট বক্তা হিচাপে কেন্দ্ৰীয় হিমালীয় সংস্কৃতি অধ্যয়ন প্ৰতিষ্ঠানৰ সহকাৰী অধ্যাপক তথা সমাজকৰ্মী ড° মানস প্ৰতিম বৰাই তেওঁ ভগৱান শ্ৰীকৃষ্ণৰ ভক্তি ৰসৰ বিষয়ে সুন্দৰ বক্তৃতা প্ৰদান কৰে। সভাখনত উপস্থিত থাকে, অভিনেতা দেৱানন্দ শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° চাহাবুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক মিণ্টু নাথ, নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱা, ৩নং চতিয়া পঞ্চায়ত সদস্য উদয় শংকৰ শইকীয়া, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যাপক গোলাপ সূত, ৰঙাপাৰা মহাবিদ্যালয় অধ্যাপক পৰেশ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে প্ৰেমানন্দ দাস, যাদৱ স্বৰ্গীয়াৰী, মহিম হাতীবৰুৱা, সত্যেন্দ্ৰ বৰা, প্ৰফুল্ল নাথ, অৱনী বৰুৱা, স্থানীয় শিক্ষক ক্ৰমে ললিত নাথ, ভাৰত দাস, শৈলেন শইকীয়া, ধীৰেন বৰা, বিনোদ নাথ, বকুল চন্দ্ৰ সূত, দীপালী নাথ, ভৰত কলিতা, বিদ্যুৎ বড়ো, জিতেন পাতৰ প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট অতিথি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সম্বৰ্ধনা সভাত পূব নাগশংকৰ কেন্দ্ৰীয় ৰাস অনুষ্ঠানৰ আৰম্ভণিত নৃত্য-নাটিকা প্ৰশিক্ষক তথা পৰিচালক বিশ্বনাথ চাৰিআলি মৰলগাঁও নিৱাসী বুল দাসক সম্বৰ্ধনা জনোৱাৰ লগতে ৰাস অনুষ্ঠানটিৰ লগত জড়িত গুৰি ধৰোঁতা, সভাপতি-সম্পাদক, সংগীত শিল্পী, ৰূপসজ্জাৰ শিল্পী, মহিলা সমিতি বিষয়ববীয়া আদিক সম্বৰ্ধনা জনোৱা হয়। বন্তি প্ৰজ্বলন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণাচাৰ্য পোনাৰাম গোহাঁই, ৰংঘৰৰ আৰ্হিত নিৰ্মিত মূল তোৰণ উন্মোচন কৰে চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰা, প্ৰদৰ্শনী দ্বাৰ মুকলি কৰে নাগশংকৰ জিলা পৰিষদ সদস্য হিতেশ বৰুৱা, স্মৃতি তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ সভাপতি ভাৰত ৰাজখোৱাই। আমন্ত্ৰিত অতিথিসকল ক্ৰমে অসম চাহ মৰ্চাৰ সভাপতি দিগন্ত ঘাটোৱাৰ, জেনিউন প্ৰেছৰ স্বত্বাধিকাৰী, ৰাজু বৰুৱা, ধনটি কলিতা প্ৰমুখ্যে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় দহ সহস্ৰাধিক ভক্তপ্ৰাণ ৰাসপ্ৰেমী ৰাইজৰ উপস্থিতিত দুয়োটি নিশা নিৰ্মল দাসৰ পৰিচালনাৰে অনন্ত শয্যা, দৈৱকীৰ বিবাহ, পুতনা বধ, কালীয় দমন, বস্ত্ৰ হৰণ, গৌবৰ্ধন যাত্ৰা আদি 'শ্ৰীকৃষ্ণৰ শিশুলীলা' নৃত্য-নাটিকা আৰু ৰমেশ কলিতাৰ পৰিচালনাৰে 'কেলিগোপাল নাট'ত স্থানীয় শিশু, যুৱক-যুৱতী, পুৰুষ আৰু মহিলাৰ দ্বাৰা মঞ্চস্থ কৰা হয়। ১২ নৱেম্বৰ তাৰিখে ৰাসৰ বৃন্দাবন মঞ্চ উন্মোচন কৰে বিশ্বনাথ জিলা উপ-আৰক্ষী অধীক্ষকে আৰু ৰাধাৰ ভাওত নৃত্য প্ৰদৰ্শন কৰে মোহময়ী অভিনেত্ৰী দীগাংগনা বৰাই আৰু ১৩ নৱেম্বৰ তাৰিখে ৰাসৰ বৃন্দাবন মঞ্চ উন্মোচন কৰে বিশ্বনাথ জিলা আৰক্ষী অধীক্ষক নবীন সিঙে। ৰাধাৰ ভাওত নৃত্য প্ৰদৰ্শন কৰে মোহময়ী অভিনেত্ৰী ৰিম্পী দাসে। উল্লেখ্য, এন চি চেঙামাৰী খেলপথাৰত শ্ৰীকৃষ্ণৰ ৰাস ক্ৰীড়া, নামঘৰ, ভাওনা আদিৰ লগত সংগতি ৰাখি বিভিন্ন দৃশ্যসমূহ স্থানীয় উদীয়মান শিল্পী কেইজনমানৰ কাৰুকাৰ্যই পূব নাগশংকৰ কেন্দ্ৰীয় ৰাসস্থলী আকৰ্ষণীয় আৰু মনোমোহা হৈ আহিছে। পূব নাগশংকৰবাসী বিভিন্ন গাঁৱৰ ৰাইজ, যুৱক আৰু সদস্যসকলে দিনে-নিশাই প্ৰায় এমাহজুৰি কৰা ত্যাগ আৰু অক্লান্ত প্ৰচেষ্টাৰ ফলত এই কাৰুকাৰ্য প্ৰাণ পাই উঠিছিল বুলি প্ৰদৰ্শনীৰ সভাপতি সোণমণি বৰা আৰু সম্পাদক গোপাল ৰাজখোৱাই মন্তব্য কৰে। পূব নাগশংকৰ কেন্দ্ৰীয় ৰাস মহোৎসৱৰ ৰূপালী জয়ন্তী সমাৰোহৰ অনুষ্ঠানটি সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত উদ্‌যাপন সমিতিৰ সভাপতি ভাৰত ৰাজখোৱা, যুটীয়া সম্পাদক কৃষ্ণ পাতৰ আৰু অভিশেষ দাসৰ লগতে আদৰণী সমিতিৰ সম্পাদকদ্বয় ক্ৰমে পৰমানন্দ কলিতা, দীপক কলিতাৰ আৰু পোন্ধৰখন উপ-সমিতিৰ সভাপতি-সম্পাদক, কৰ্মকৰ্তা আৰু সমূহ ৰাইজৰ ভূমিকা অতুলনীয়। পূব নাগশংকৰ অঞ্চলত বিভিন্ন ভাষা-ভাষী, জাতি-জনগোষ্ঠীৰ, বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত সমন্বয় স্থাপনৰ ক্ষেত্ৰত এই অনুষ্ঠানে অগ্ৰণী ভূমিকা পালন কৰিছে আৰু অদূৰ ভৱিষ্যতেও কৰিব।

## ক'ভিডৰ আন এক অধ্যায়

# অমৰ বৰাৰ তিনিখন উপন্যাসৰ উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** অতিমাৰী ক'ভিডে ২০২০ আৰু ২০২১ত দুবছৰজুৰি সৃষ্টি কৰা দুৰ্যোগ আৰু বিভীষিকা সুঁৰৰিলে আজিও বিশ্বৱাসী আতংকিত শিহৰিত হৈ উঠে। এই দুৰ্যোগৰ কালছোৱাতে স্মাৰ্ট ফোনত আঙুলি বুলাই ডুমডুমা চহৰৰ অমৰ বৰা নামৰ পঞ্চাশোৰ্ধ বয়সৰ ব্যৱসায়ীজনে এখনৰ পিছত এখনকৈ ৪খন উপন্যাস আৰু এমুঠি চুটিগল্প লিখি উলিয়াইছিল। ছ'চিয়েল মাধ্যমত প্ৰকাশিত সেই সাহিত্যখিনিয়ে তেওঁৰ সীমিত বন্ধু আৰু শুভাকাংক্ষীৰ মাজত আলোড়ন তুলিবলৈ সক্ষম হোৱাৰ পিছত পঞ্চমখন উপন্যাস লিখি থকা অৱস্থাতে ২০২১ চনৰ ছেপ্টেম্বৰৰ আগভাগত কাল ক'ভিডেই সেই লেখকজনক হঠাৎ হৰি নিয়ে। এছোৱা অত্যন্ত চুটি সময়ত সামাজিক মাধ্যমত উপন্যাসিক হিচাপে ভুমুকি মৰা অমৰ বৰাৰ আটাইকেইখন উপন্যাস ভিন্ন আৰু বিচিত্ৰ পটভূমি বিষয়ৰ। 'কাজলী' নামৰ হাতী চিকাৰ আৰু হাতী মহল কেন্দ্ৰিক বৰাৰ উপন্যাসখন ২০২১ৰ ডিচেম্বৰত গুৱাহাটীৰ সঞ্জীৱন প্ৰকাশনৰ ব্যৱস্থাপনাত প্ৰকাশ পাইছিল। আনহাতে একেটা প্ৰকাশনৰ উদ্যোগত অলপতে লেখকগৰাকীৰ 'বতাহী', 'নাহৰ' আৰু 'কুকুৰনেছীয়াৰ নোমাল নেজ' নামৰ অৱশিষ্ট তিনিখন উপন্যাস প্ৰকাশ হৈ ওলাইছে। পোহনীয়া কুকুৰৰ বিষয়ে 'নাহৰ' উপন্যাসত যি প্ৰাঞ্জল ঘটনাক্ৰম বিবৃত, 'বতাহী'ত বিয়পি পৰিছে উজনিৰ গ্ৰামাঞ্চলৰ একালৰ ধীৰ সৌম্য সৌন্দৰ্য আৰু 'কুকুৰনেছীয়াৰ নোমাল নেজ'ত ফুটি উঠিছে চাহ বাগিছা আৰু তাৰ সমাজৰ এক মনোৰম বৰ্ণনা। এই আটাইকেইখন উপন্যাস প্ৰকাশত আগভাগ লৈছে প্ৰয়াত কথাশিল্পীজনৰ তেজপুৰ আৰু নগাঁৱৰ একালৰ হাইস্কুল আৰু কলেজৰ সহপাঠীসকলে। বন্ধুত্বৰ এক বিৰল নিদৰ্শন দাঙি সহপাঠী আৰু শুভাকাংক্ষীসকলে পৰিয়ালৰ সহযোগত লোৱা এই পদক্ষেপ আজিৰ চূড়ান্ত ব্যক্তিকেন্দ্ৰিক সমাজত এক ব্যতিক্ৰম বুলিয়ে পৰিচিত নিশ্চয় হ'ব। অলপতে (৬ নৱেম্বৰ, ২০২২) গুৱাহাটীৰ লতাশিলত অৱস্থিত 'বিষ্ণু-নিৰ্মলা ভৱন'ত অনুষ্ঠিত এক ভব্য সমাৰোহত এই উপন্যাস তিনিখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। উন্মোচন কৰে— যশস্বী গল্পকাৰ, সাহিত্য একাডেমী বঁটা বিজয়ী ডাঃ অপূৰ্ব কুমাৰ শইকীয়া, প্ৰথিতযশা কথাশিল্পী তথা সাংবাদিক মনোজ কুমাৰ গোস্বামী, গল্পকাৰ মনালিচা শইকীয়া আৰু অপু ভৰদ্বাজে। অনুষ্ঠানত প্ৰয়াত উপন্যাসিকগৰাকীৰ একালৰ সহপাঠী তথা বৰ্তমানৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন আৰু সঞ্জীৱন প্ৰকাশনৰ স্বত্বাধিকাৰী প্ৰতিমা কৌশিক বৰুৱাও উপস্থিত থাকে। উন্মোচনী অনুষ্ঠানত অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা দৰং কলেজ, নগাঁও কলেজ আৰু নগাঁও চৰকাৰী উঃ মাঃ বালক বিদ্যালয়ৰ সহপাঠী বন্ধু-বান্ধৱী উপস্থিত থাকি এক আবেগ মধুৰ পৰিবেশত আপ্লুত হৈ পৰে।

# নিৰঞ্জন দাসলৈ 'বিপ্লৱী সাংবাদিক সন্মান-২০২২'

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৭ নৱেম্বৰ ঃ** অসমৰ সাহিত্য জগতখনত অনবদ্য অৱদান আগবঢ়োৱা অসমৰ অন্যতম সাহিত্য-চৰ্চা গোট শব্দ-সাঁকো পঞ্চম বৰ্ষপূৰ্তি অধিৱেশনখনি ১১ নৱেম্বৰ অৰ্থাৎ শুকুৰবাৰে যোৰহাটস্থিত লেখিকা সমাৰোহ সমিতি ভৱনত অনুষ্ঠিত হোৱা সফল সামৰণি ঘটে। উক্ত শব্দ-সাঁকোৰ সম্পাদক ৰিতু ভৰালীয়ে আঁত ধৰা এই অনুষ্ঠানত বিশিষ্ট সাহিত্যিক মৃদুল শইকীয়াৰ সভাপতিত্বত কৰা সভাখনত আমন্ত্ৰিত অতিথি হিচাপে বৈষ্ণৱ সাহিত্যিক লক্ষীৰাম দুৱৰা দাস, টীয়ক শাখা কবি সন্মিলনৰ সম্পাদক বিমান শইকীয়া, বিশিষ্ট বক্তা ক্ৰমে— সাংবাদিক ৰিয়াৰানী দত্ত, অলি বৰুৱা, ৰমেন শইকীয়া, অনিমা নেওগ আৰু ধন দাসৰ উপস্থিতিত অসমৰ কেবাগৰাকী কবি তথা সাহিত্যি-সংস্কৃতিৰ লগত জড়িত ব্যক্তি অসমৰ কেইবাখনো জিলা সাহিত্যনুৰাগী প্ৰতিনিধি সকলৰ উপস্থিতিত সামাজিক দায়বদ্ধতা, নিষ্ঠা, সৎ সাহসী, সমাজহিতৈষী, শূন্যসহনশীল মনোভাৱেৰে গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ সাংবাদিকতা জীৱনৰ পাতনিমেলি দুখ যন্ত্ৰণাৰ মাজেৰে প্ৰতিদিনে ৰাইজৰহৈ কলমেৰে মাত মাতি অহা অসমৰ আগশাৰী টেলিভিছন চেনেল, প্ৰথম খবৰ ২৪×৭ৰ দেৰগাঁৱৰ সাংবাদিক নিৰঞ্জন দাসক একাগ্ৰতা আৰু নিষ্ঠাৰ প্ৰতি সন্মান জনাই শব্দ-সাঁকো সাহিত্য-চৰ্চা মজিয়াৰ পৰা 'বিপ্লৱী সাংবাদিক-২০২২' সন্মান আগবঢ়োৱা হয়। উল্লেখ্য যে সুদীৰ্ঘ কেইবাটাও বৰ্ষ ধৰি সংবাদসেৱাৰ ৰাইজৰ হৈ মাত মাতি অহাৰ সাংবাদিক দাসে ৰাইজৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ আৰু অভাৱ-অভিযোগ, সমস্যাসমূহ চৰকাৰক দৃষ্টিগোচৰ কৰি কেইবাবাৰো শাসকীয় পক্ষৰ ৰোষৰ সন্মুখীন হ'বলগীয়া হৈছে। তথাপিও অঞ্চলটোৰ ভিন্ন প্ৰান্তৰ সংবাদ মাধ্যমৰ জৰিয়তে নিৰ্ভিক আৰু নিষ্ঠা সহকাৰে আপোচবিহীন এজন সাংবাদকৰ্মী হিচাবে সমাজৰ সেৱা আগবঢ়োৱা নিজৰ সুকীয়া পৰিচয় দিবলৈ সক্ষম হোৱা নিৰঞ্জন দাসে সমান্তৰালকৈ সাহিত্য চৰ্চাও কৰি গৈছে। অসম কাব্য কানন, ছন্দগুচ্ছ, কাব্যশিল্প, বৰ্ণিল আলোচনী আদিত বিভিন্ন লেখা উপৰিও অসমৰ আগশাৰী অসমীয়া কাকত দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা, আমাৰ অসম, অসমীয়া খৱৰ, দৈনিক অসম, অসম আদিত্য, গণ অধিকাৰ, সাপ্তাহিক গণতন্ত্ৰ আদিত সম্পাদকীয় শিতানত সময় উপযোগী লেখা আৰু স্বৰচিত কবিতা আৰু প্ৰবন্ধ প্ৰকাশিত হৈছে। যথাযোগ্যজনক সন্মান দিয়াৰ উদ্দেশ্যে শব্দ-সাঁকো মজিয়াৰ এনে সন্মান আগবঢ়োৱায় উৎসাহিত কৰা বাবে প্ৰতিজন বিষয়ববীয়া আৰু সদস্য-সদস্যাক সহস্ৰজন সাহিত্যনুৰাগী আৰু শুভাকাংক্ষীসকলে ভূয়সী প্ৰশংসা কৰিছে।



# শুৱালকুছি ৰাস মহোৎসৱৰ মুখপত্ৰ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৭ নৱেম্বৰ ঃ** গতিশীল চিন্তাই মগজুৰ স্থিতাৱস্থাক খুন্দিয়াই ভাৱৰ উদ্বেগ প্ৰকাশত ব্যঞ্জনাত্মক শব্দৰ সৃষ্টি হয়। সেই স্থিৰ মগজুৰ চিন্তাৰ বুৰবুৰণিত সাহিত্যৰ সৃষ্টি হয়। এই ভাষ্য বিশিষ্ট গল্পকাৰ তথা উপন্যাসিক অশ্বিনী বেজবৰুৱাৰ। সাৰ্বজনীন ৰাস মহোৎসৱ উদযাপন সমিতি শুৱালকুছিৰ ৩০ সংখ্যক ৰাস মহোৎসৱৰ কালি ধৰ্মালোচনী সভাত উপস্থিত থাকি ৰাস মহোৎসৱৰ মুখপত্ৰ কৃষ্ণামৃত উন্মোচন কৰি দিয়া ভাষণ। ভাষণত তেওঁ কয় লিখাৰ সময়ত এজন লিখকে শব্দৰ মেদবহুলতাৰ ওপৰত নজৰ দিব লাগে। উপযুক্ত স্থানত ভাষাৰ ব্যৱহাৰে সাহিত্যৰ মাধুৰ্যতা বৃদ্ধি কৰি পাঠক মন মগজুত ক্ৰিয়া কৰে। আজিকালি ৰূপান্তৰিত শব্দ ই সাহিত্যত অধিক স্থান পোৱা দেখা যায়। ৰূপান্তৰিত শব্দই প্ৰকৃত ভাষাৰ বৈশিষ্ট সলনি কৰিলেও ই সাহিত্যৰ মাদকতা বৃদ্ধি কৰাত সহায় কৰিছে বুলি কয়। আনহাতে সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি কনক চন্দ্ৰ শৰ্মাই শ্ৰীকৃষ্ণৰ মহাৰাসৰ গুৰাৰ্থ ব্যাখ্যা কৰে। মানৱৰূপী শ্ৰীকৃষ্ণৰ যি চৰিত্ৰ আজিৰ প্ৰজন্ম ই তাক গৱেষণা কৰা উচিত বুলি কয়। কিয়নো ভগৱান হৈয়ো মানৱৰ ৰূপ ধাৰণ কৰা দৈৱকী নন্দন কৃষ্ণই ওৰেটো জীৱন যি তিক্ততাৰে অতিবাহিত কৰিছিল, ই এক বিশ্লষণাত্মক দিশ। কৃষ্ণৰ শিশুলীলা মধ্যলীলা আৰু অন্ত লীলাৰ পৃথক পৃথক জীৱন ধাৰণৰ শৈলী মানুহে অনুসৰণ কৰিলে পৃথিৱী সৰগতকৈ অধিক মনোমোহা হ'ব বুলি তেওঁ ভাষণ প্ৰসঙ্গত কয়। মহাপুৰুষীয়া ধৰ্মালোচনী সভাৰ প্ৰাক্তন সভাপতি হেম চন্দ্ৰ ভড়ালীৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনী সভাত ৰাস মহোৎসৱৰ সভাপতি প্ৰাণজিৎ দাস, কাৰ্যকৰী মৃগেন কুমাৰ দাস, উপদেষ্টা যচপাল কলিতা, মুখপত্ৰৰ উপদেষ্টা তথা অধ্যাপক অতুল চন্দ্ৰ দাস উপস্থিত থাকে। আনহাতে উক্ত মঞ্চতে নিউজ লাইভৰ পৰিচালক সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মা আৰু মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সচিব তথা কৃষাণ মৰ্চাৰ উপ-সভাপতি ৰঞ্জিত ভট্টাচাৰ্যই উপস্থিত থাকি ৰাস মহোৎসৱৰ ভক্ত প্ৰাণ ৰাইজক সম্বোধন কৰে। পিচত নিশা জুবলী বৰুৱা সংগীত পৰিবেশন কৰি ৰাইজক আপ্লুত কৰে।

## জৰেগাঁৱৰ বিশিষ্ট খেতিয়ক-সমাজকৰ্মীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৭ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ কালীপুখুৰী ভি চি ডি চিৰ অন্তৰ্গত জৰেগাঁও পদ্মপাৰা নিৱাসী বিশিষ্ট খেতিয়ক-সমাজকৰ্মী হীৰেন চন্দ্ৰ ৰায় মৃত্যুমুখত পৰে। কিছু বছৰৰ পৰা শাৰীৰিকভাৱে অসুস্থ হৈ আছিল লোকগৰাকী। ইয়াৰ মাজতো ঘৰুৱা কাম-কাজত ব্যস্ত আছিল। কিন্তু দুদিন ধৰি দেহৰ অসুস্থতা বৃদ্ধি হয়। শেষ নিশা পৰিয়ালৰ লোকে মৃত্যুমুখত পৰা নিশ্চিত কৰি নিকটৱৰ্তী লোক, আত্মীয়-কুটুম্বক খৱৰ দিয়ে। পুৱা মৃত্যুমুখত পৰা লোকজনৰ চোতালত অগণন লোক সমৱেত হৈ মৃতকক শেষ শ্ৰদ্ধা জনাই গাঁৱৰে ৰাজহুৱা শ্মশানলৈ লৈ গৈ শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত লোকজন পত্নীসহ এজন পুত্ৰ, দুগৰাকী কন্যাসহ এজন জোৱাইসহ নাতি-নাতিনী, আত্মীয়-কুটুম্ব আদি এৰি থৈ যায়। তেওঁৰ মৃত্যুত গাঁওখনত গভীৰ শোঁকৰ ছাঁ পৰে।

## মৈৰাবাৰীত বুজন পৰিমাণৰ ড্ৰাগ্‌ছসহ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১৭ নৱেম্বৰ ঃ** মৰিগাঁও আৰক্ষীয়ে এটাৰ পিছত এটাকৈ ড্ৰাগ্‌ছৰ ঘাটি উৎখাত কৰাৰ পিছতো জিলা খনত ড্ৰাগ্‌ছৰ ব্যৱসায় দিনক দিনে বৃদ্ধি পাইছে। ড্ৰাগ্‌ছ ব্যৱসায়ীয়ে আৰক্ষীৰ চকুত ধূলি দি চলাই আছে অবৈধ ড্ৰাগ্‌ছৰ ৰমৰমীয়া ব্যৱসায়। কুখ্যাত ড্ৰাগ্‌ছ বেপাৰী সকলক আৰক্ষীয়ে সময়ে সময়ে গ্ৰেপ্তাৰ কৰি জেললৈ পঠিয়াই যদিও, জেলৰ পৰা ওলাই আহি আকৌ একেই ব্যৱসায়ত লিপ্ত হয় কুখ্যাত ড্ৰাগ্‌ছ ব্যৱসায়ীকেইটা। বিশেষকৈ গোটেই অসমৰ ভিতৰত নগাঁও, মৰিগাঁও জিলাত ড্ৰাগ্‌ছৰ প্ৰৱণতা দিনক দিনে বৃদ্ধি পাই আহিছে। স্কুল-কলেজৰ ছাত্ৰও এই অবৈধ ড্ৰাগ্‌ছ সেৱনেৰে নিজৰ জীৱনলৈ নমাই আনিছে ঘোৰ অমানিশা। হাৰি যাব পৰা নাই ১০-১২ বছৰীয়া কিশোৰ সকলো। আজি সন্ধিয়া মৈৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নেতৃত্বত চলা এক অভিযানত মৈৰাবাৰী বজাৰস্থিত মাৰিয়া হোটেলৰ পৰা বুজন পৰিমাণৰ ড্ৰাগ্‌ছসহ কুখ্যাত ড্ৰাগ্‌ছ ব্যৱসায়ী এজনক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন ড্ৰাগ্‌ছ ব্যৱসায়ী জন নগাঁও জিলাৰ খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱামুখৰ ৰাহিদুল ইছলাম (২৬) আটক কৰা ড্ৰাগ্‌ছ ব্যৱসায়ী জনৰ পৰা চাৰিটা ড্ৰাগ্‌ছ ভৰ্তি চাবোনৰ বাকচ, এটা মোবাইল ফোন, AS 23M 7115 নাম্বাৰৰ পালছাৰ বাইক জব্দ কৰে মৈৰাবাৰী আৰক্ষীয়ে। উল্লেখ্য যে মৈৰাবাৰীত আটক কৰা ৰাহিদুল ইছলাম খাটোৱালৰ গেৰুৱামুখৰ পৰা আহি মৈৰাবাৰী মাৰিয়া হোটেলত বিক্ৰী কৰিবলৈ আহোতে মৈৰাবাৰী আৰক্ষীয়ে হাতে লোটে গ্ৰেপ্তাৰ কৰে যদিও আন এজন আন্ধাৰৰ সুযোগ লৈ পলাই যাবলৈ সক্ষম হয়।

## ৰঙাপৰাত শোণিতপুৰ শিশু সুৰক্ষা গোটৰ সজাগতা সভা

# বাল্য বিবাহ অমানৱীয় অপৰাধ ঃ দিলীপ কুমাৰ বৰুৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৭ নৱেম্বৰ ঃ** ৰঙাপৰাৰ চাহ মজদুৰ সংঘৰ প্ৰেক্ষাগৃহত শোণিতপুৰ শিশু সুৰক্ষা গোটে আয়োজন কৰা এদিনীয়া শিশুৰ অধিকাৰ বিষয়ক সজাগতা সভাত সমল ব্যক্তি হিচাবে অংশগ্ৰহণ কৰি শিশু সাহিত্যিক আৰু শিশুৰ অধিকাৰ কৰ্মী দিলীপ কুমাৰ বৰুৱাই কয় যে বাল্য বিবাহ শিশুৰ অধিকাৰ বিৰোধীয়ে নহয়, ই এক অমানৱীয় অপৰাধ। এতিয়াও ভাৰতবৰ্ষত প্ৰতি ৫খন বিবাহৰ এখন বাল্য বিবাহ বুলি কৈ বৰুৱাই ইউনিচেফে ২০৩০ চনৰ ভিতৰত বিশ্বখন বাল্য বিবাহ মুক্ত বিশ্ব কৰাৰ মানৱীয় বিশ্বজনীন আন্দোলনত সকলো লোককে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। আনহাতে শিশু শ্ৰমিক বন্ধ কৰি শিশুক শিক্ষাৰ অধিকাৰ দিয়া আৰু ড্ৰপ আউট ছাত্ৰ-ছাত্ৰীসকলক পুনৰ শিক্ষাৰ লগত জড়িত কৰি চাহ বাগিছা অঞ্চলসমূহক শিশু সৰবৰাহমুক্ত কৰিবলৈও তেওঁ সকলোকে আহ্বান জনায়। বৰুৱাই কয় যে শোণিতপুৰ জিলাৰ হেলেম, চাৰিদুৱাৰ, ৰঙাপৰা আৰু ঢেকীয়াজুলি আদি অঞ্চলৰ পৰা এচাম শিশু সৰবৰাহকাৰীয়ে অহৰহ বহু শিশু প্ৰতিবছৰে ভাৰতৰ বিভিন্ন প্ৰান্তলৈ অথবা অৰুণাচল প্ৰদেশলৈ সৰবৰাহ কৰে, যাৰ বিপক্ষে শক্তিশালী প্ৰতিৰোধ প্ৰয়োজন। উক্ত সজাগতা সভাত ৰঙাপৰা অঞ্চলৰ ১০খন চাহ বাগিছাৰ ৬০গৰাকী প্ৰতিনিধিয়ে ভাগলৈ শিশুৰ বিভিন্ন সমস্যাৰ ওপৰত মত বিনিময় কৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰো বহু কেইগৰাকী বিষয় ববীয়াই সভাত অংশগ্ৰহণ কৰি চাহ বাগিছাসমূহত অধিক সজাগতা সভা পাতিবলৈ জিলা শিশু সুৰক্ষা গোটক আহ্বান জনায়। সজাগতা সভাখন মুকলি কৰে শোণিতপুৰ জিলাৰ শিশু কল্যাণ সমিতিৰ সদস্য বিজয় তিৰ্কিয়ে। সভাৰ আঁত ধৰে জিলা শিশু সুৰক্ষা গোটৰ বিষয়া পৰী দোলাকাষৰীয়াই। সভাত জিলা শিশু সুৰক্ষা গোটৰ অনুপ পাটোৱাৰী আৰু নিলভ শৰ্মায়ো অংশগ্ৰহণ কৰে।



## 'আপ'ৰ উদ্যোগত বিনামূলীয়া চকু চিকিৎসা শিবিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** ১৬ নৱেম্বৰত আম আদমি পাৰ্টীৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত আৰু অসম চকু চিকিৎসালয়ৰ সহযোগত বৰপেটাৰ তৰুণৰাম ফুকন প্ৰেক্ষাগৃহত এক বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। শিবিৰটোত অভিজ্ঞ চকু চিকিৎসক মুস্তাফিজুৰ ৰহমানাৰ উপস্থিতিত জিলাখনৰ প্ৰায় তিনি শতাধিক ৰোগীয়ে চকু চিকিৎসা কৰে আৰু বিনামূলীয়াকৈ ঔষধ বিতৰণৰ লগতে সুলভ মূল্যত চশমা প্ৰদান আৰু দৰিদ্ৰ লোকৰ বাবে বিনামূলীয়াকৈ অপাৰেশ্বনৰ ব্যৱস্থা কৰা হয়। শিবিৰত 'আপ'ৰ সাংগঠনিক সম্পাদক হজৰত আলী আহমেদ আৰু জিলা সমন্বয়ক হাদিউৰ ৰহমানে বৰপেটা জিলাৰ ৰাইজৰ সুবিধাৰ্থে ভৱিষ্যতেও এনেকুৱা চিকিৎসা শিবিৰ অনুষ্ঠিত কৰি থাকিব বুলি উল্লেখ কৰে।

## বৰপথাৰত দুৰ্ঘটনাত যুৱ ব্যৱসায়ী নিহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ১৭ নৱেম্বৰ ঃ** গোলাঘাটৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত জালজৰী গাঁৱত বুধবাৰে নিশা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। প্ৰাপ্ত খবৰ অনুসৰি যোৱা নিশা প্ৰায় ৯.১৫ বজাত জালজৰী গাঁৱৰ শিৱ মন্দিৰৰ সমীপত হোৱা পথ দুৰ্ঘটনাটোত বৰপথাৰৰ যুৱ ব্যৱসায়ী তথা প্ৰাক্তন ছাত্ৰ নেতা ৰঞ্জিৎ বৰাৰ মৃত্যু হয়। বৰপথাৰ গেলাবিল সংযোগী ঘণশ্যাম বৰুৱা পথত এখন বলেৰ' পিকআপ বাহন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ থকা গছত খুন্দা মৰাত গুৰুতৰভাৱে আহত হয় চালক ৰঞ্জিৎ বৰা। যুৱকজনক উন্নত চিকিৎসাৰ বাবে গোলাঘাটত কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হৈছিল যদিও চিকিৎসালয়ত চিকিৎসকে মৃত বুলি ঘোষণা কৰে। উল্লেখ্য যে কেঁচা চাহ পাতৰ ব্যৱসায়ত জড়িত আছিল যুৱকজন। গেলাবিলৰ ৰেংমা চাহ বাগানত কেঁচা চাহপাত দি ঘৰলৈ ঘূৰি অহা পথত সংঘটিত হয় দুৰ্ঘটনাটো। সৰবৰহী যুৱকজনৰ মৃত্যুত বৰপথাৰ অঞ্চলৰ লগতে সমগ্ৰ ধনশিৰি মহকুমাতে শোকৰ ছাঁ পৰিছে।

## বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাজগড়ত চ্যুকাফা দিৱসৰ আয়োজন

# সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'ব আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ১৭ নৱেম্বৰ ঃ** সদৌ টাই আহোম ছাত্ৰ সন্থা(আটাছু)ৰ ৰাজগড় আঞ্চলিক সমিতিৰ উদ্যোগত বৃহত্তৰ ৰাজগড়বাসী ৰাইজৰ সহযোগত টিংখাঙৰ ৰাজগড় মহাবিদ্যালয় প্ৰাঙ্গণত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সপ্তম বাৰ্ষিক 'চ্যুকাফা দিৱস'টি (অসম দিৱস) অহা ১ আৰু ২ ডিচেম্বৰত উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। অসমীয়া জাতিৰ অন্যতম কাৰুশিল্পী, বৰলুইতৰ পাৰৰ শ্ৰেষ্ঠতম অসমীয়া, আহোম জাতিৰ পিতৃপুৰুষ, সমন্বয়ৰ প্ৰতীক এই মহান ব্যক্তি গৰাকীৰ দিৱসটোৰ লগত সংগতি ৰাখি ১ ডিচেম্বৰত পুৱা পতাকা উত্তোলনৰ পাছতেই সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই কুইজ প্ৰতিযোগিতাখনি উদ্বোধন কৰিব টিংখাঙৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী বিমল বড়াই। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব আটাছু কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বসন্ত গগৈ। বিয়লি বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ দ্বিতীয় দিনা অৰ্থাৎ ২ ডিচেম্বৰৰ পুৱা পৰিবেশ নিকাকৰণৰ পাছতেই মৈদাম তৰ্পণ কৰিব প্ৰাক্তন শিক্ষক তথা ক্ৰীড়া সংগঠক ইন্দ্ৰ গগৈয়ে। চ্যুকাফাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অশোক গগৈয়ে। গছপুলি ৰোপণ কাৰ্যসূচীত মুখ্য ৰোপক হিচাপে থাকিব ৰাজগড় মহাবিদ্যালয়ৰ অধ্যক্ষ অম্বেশ্বৰ কোঁচ, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সাংস্কৃতিক মহাসভা অসম ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি প্ৰমোদ দত্ত, ৰাজগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ যোগমায়া গগৈ কোঁচ, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰেম বৰগোঁহাই আৰু টিংখাং ৰাজহ চক্ৰ কাৰ্যালয়ৰ কাননগো প্ৰিন্স লাহন। ইয়াৰ পিছতেই প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ 'ক' শাখাত আৰু ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ 'খ' শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। লগতে নৱম আৰু দ্বাদশ শ্ৰেণীৰ মাজত এক প্ৰবন্ধ অনলাইন প্ৰতিযোগিতা (বিষয়- সমাজ গঠনত চ্যুকাফা) অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। আনহাতে দুপৰীয়া জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান আৰু মুকলি সভা অনুষ্ঠিত হ'ব। উদ্‌যাপন সমিতিৰ সভাপতি মৃদুল দত্তৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা মুকলি সভাখন উদ্বোধন কৰিব আটাছুৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক মিলন বুঢ়াগোহাঁইয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰিব সাংবাদিক ৰাজদ্বীপ বাইলুং বৰুৱাই। সভাত বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে বিশিষ্ট অতিথি আৰু আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব। বিয়লি জনগোষ্ঠীয় সাজপাৰ প্ৰদৰ্শন আৰু সন্ধিয়া বন্তি প্ৰজ্বলন কৰি দুদিনীয়া অনুষ্ঠানৰ সামৰণি পৰিব। সেয়েহে উক্ত প্ৰতিযোগিতাসমূহত বিদ্যালয়, মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণ কৰিবলৈ উদ্‌যাপন সমিতিৰ সভাপতি মৃদুল দত্ত, কাৰ্যকৰী সভাপতি তপন চেলেং, যুটীয়া সম্পাদক কৃষ্ণ গগৈ আৰু ভাস্কৰজ্যোতি বৰুৱাই সাদৰে আহ্বান জনাইছে। প্ৰতিযোগীসকলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ উদ্‌যাপন সমিতিৰ মোবাইল নম্বৰ ৬০০১০-৯৬৬০৬, ৯১০১৩-৯৯১৯২, ৯৩৬৫০-১৫৫৬৪ আৰু ৬৯০১৬-৭৯৬১০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## উদমাৰী প্ৰাথমিক বিদ্যালয়ত কেন্দ্ৰীয় শিশু দিৱস পালন

## মণ্ডল সমন্বয়ক মাইনু ডেকাক ৰাজহুৱাভাৱে সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৭ নৱেম্বৰ ঃ** টেঙাবাৰী মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত উদমাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগনত উদমাৰী আঞ্চলিক ৰাইজৰ সহযোগত আয়োজন কৰে কেন্দ্ৰীয় শিশু দিৱস। পুৱা ৮ বজাত বন্তি প্ৰজ্বলনৰে আৰম্ভ হোৱা অনুষ্ঠানটিত ৮.১৫ বজাত পতাকা উত্তোলন কৰে সত্যৰাম বৰুৱাই। ৮.৩০ বজাত পণ্ডিত জৱাহৰলাল নেহেৰুৰ প্ৰতিচ্ছবিত মাল্যাপন কৰে তিলক চহৰীয়াই। ৮.৪৫ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচীটো ৰূপায়ণ কৰে জীতেন্দ্ৰ কুমাৰ ডেকাই। ১০ বজাত সাহিত্য প্ৰতিযোগিতা আৰু ১১-৩০ বজাৰ পৰা অনুষ্ঠিত হয় সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। দিনৰ ২ বজাত অনুষ্ঠিত হয় মুকলি সভা। গৰুবন্ধা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্পী শৰ্মাই সভাপতিত্ব কৰা সভাখন উদ্বোধন কৰে অৰুণোদয় মধ্য ইংৰাজী বিদ্যালয়ৰ পংকিতা শইকীয়াই। সভাখনত নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকে টেঙাবাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ শিশু জ্যোতিষ্মান চহৰীয়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে টেঙাবাৰী জনতা বিদ্যাপীঠৰ ময়ূৰী চৌধুৰী, উদমাৰী প্ৰাথমিক বিদ্যালয়ৰ শ্ৰুতি শৰ্মা, কলাগুৰু প্ৰাথমিক বিদ্যালয়ৰ আৰ্তিভ ইকবাল, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে জিলা আঁচনি বিষয়া ধনজিৎ ৰাজবংশী আৰু বিষয়া হেমপ্ৰভা ডেকা। উক্ত সভাখনতে টেঙাবাৰী মণ্ডল সমন্বয়ক তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা মাইনু ডেকাক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

# চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত বিশেষ গাঁও সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৭ নৱেম্বৰ ঃ** দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত আজি এখন বিশেষ গাঁও সভা অনুষ্ঠিত হৈ যায়। পঞ্চায়ত সভানেত্ৰী অলিদা বেগমৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সচিব ৰমেশ বেজ বৰুৱাই উদ্দেশ্যে ব্যাখ্যা কৰে। ইয়াৰ পাছতে উৰ্ধ্বৰ্তন বিভাগৰ পৰা দিয়া নিৰ্দেশনা অনুসৰি জি পি পি এফ টিৰ সম্পূৰ্ণভাৱে আলোচনা কৰা হয়। আনহাতে ২০২৩-২৪ বৰ্ষত পঞ্চায়ত উন্নয়ন পৰিকল্পনা সন্দৰ্ভটো আলোচনা কৰা হয় ।সভাৰ মাজতে কেই গৰাকী মান সচেতন লোকে পঞ্চায়তখনত কৰ্মচাৰীৰ উপস্থিতি নিয়মীয়া নোহোৱাৰ অভিযোগ উত্থাপন কৰি গাঁও সভাৰ দিনটোতো কৰ্মচাৰী কিয় নাই বুলি সভাপতি -সচিবক প্ৰশ্ন কৰি আগলৈ যাতে এনে নহয় তাৰ বাবে ব্যৱস্থা ল'বলৈ দাবী জনায়। কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতিৰ বাবে উন্নয়নত পঞ্চায়তখনে গতি লোৱাত বাধা হৈ পৰা বুলিও বক্তব্যত দাঙি ধৰে। সভাতে জিপিচিগৰাকীক পি এম গৃহ আৱন্টন ক্ষেত্ৰত কোনো প্ৰতিনিধি কিবা অন্য লোকৰ কথালৈ গুৰুত্ব নিদি আঁচনিৰ নীতি-নিয়ম বৰ্তাই কাম কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে গাঁও সভাখনত ৰাইজৰ উপস্থিতি একেবাৰে তাকৰীয়া হোৱাৰ বিষয়টিয়ে সচেতন লোকসকলক ভবাই তুলিছে।

O. O. No. 152

NOTICE INVITING TENDER

Separate sealed tender (Group wise) affixing non-refundable court fee stamp of Rs. 8.25 (Rupees Eight & paisa twenty five ) only are invited from Registered eligible Contractors/ Firms for civil works under SOPD Scheme (2022-23) to be executed in the Nagaon Forest Division(T), Nagaon as mentioned below:-

| Group No. | Name of Work | No. of unit | Estimated Cost (Rs) | Location | Earnest Money |
|---|---|---|---|---|---|
| A | Construction of Toilet | 1 No. | 1,50,000.00 | Nagaon Range, Nagaon | 2 % for Genl & 1% for ST/SC/ OBC |
| B | Construction of Toilet | 1 No. | 1,50,000.00 | Kathiatoli Range, Kathiatoli | |
| C | Construction of Toilet | 1 No. | 1,50,000.00 | Kampur Range, Kampur | |
| Total | | | 4,50,000.00 | | |

The tender will be received from **21/11/2022 to 20/12/2022** up to 3.00 P.M. (IST) in the office of the Divisional Forest Officer, Nagaon Division, Nagaon and will be opened on **21/12/ 2022** at 3.30 PM (IST) in presence of the interested tenderers or their authorized representatives. In the event of any, holiday etc. the same will be received and opened on the next working day at the same time and venue.

The details of particulars of the work may be seen in the office of the undersigned during office hours and tender paper may be obtained from the office of the undersigned on any working days up to 4.00 PM on payment of Rs. 200/- (Each Group) through Demand Draft in favour of the Divisional Forest Officer, Nagaon Division for each NIT & Tender Paper, which is non refundable.

The works are to be completed within 90 days from the date of issue of the final work order.

The acceptance of the tenders and issue of work order is subject to release of fund by the Govt. of Assam/Competent authority without thereby incurring any liabilities to the affected tenderers or any obligation to inform the affected tenderer on the grounds mentioned above.

The undersigned and higher authority reserves the right to accept or cancel any tender without assigning any reason thereof and does not bind himself to accept the lowest tender.

The undersigned reserves right to cancel the entire tender process without assigning any reason thereof at any time.

Divisional Forest Officer
Nagaon Division, Nagaon

*Janasanyog /C/14315/22*

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখা

# বৰছিলা চাহ বাগিচাত চাহ জনগোষ্ঠীয় লোকৰ ৭৮ ঘৰ সংগীৰে গঠন ৬খন প্ৰাথমিক শাখা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৭ নৱেম্বৰ ঃ** শেহতীয়াকৈ বিতৰ্কৰ ধুমুহাই জোকাৰি গৈছে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘক। চকলং বিয়াত উপস্থিত থকাৰ বাবে সংঘই বহিষ্কাৰ কৰিছিল চাৰিটাকৈ পৰিয়ালক। ইয়াকে লৈ সৰৱ হৈ উঠিছিল আহোম জনগোষ্ঠীয় সংগঠনসমূহ। পৰৱৰ্তী সময়ত সংঘৰ পদাধিকাৰে ক্ষমা খোজাৰ বাবে তেখেতক অপসাৰণ কৰাৰ যো-জা কৰাৰ বিষয় লৈও যথেষ্ট বিতৰ্কৰ সূত্ৰপাত হয়। সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাৰ আঞ্চলিকত কেইবাঘৰ সংগীয়ে সংঘৰ সংগী পদত্যাগ কৰাৰ বাতৰিয়ে দখল কৰে সংবাদ মাধ্যমৰ শিৰোনাম। এই সমগ্ৰ ঘটনাই ধুমুহাৰ সৃষ্টি কৰাৰ পাছত এটা ইতিবাচক খবৰে সকাহ দিছে শংকৰ সংঘক। শংকৰ দেৱ সংঘৰ নাজিৰা জিলা শাখাৰ দোপদৰ আঞ্চলিক শাখাত প্ৰায় ৭৮ ঘৰ নতুন সংগীয়ে যোৱা দেওবাৰে যোগদান কৰে শংকৰ সংঘত। শিৱসাগৰ জিলাৰ হালোৱাটিং বৰছিলা বাগানৰ চাহ জনগোষ্ঠীৰ সমাজৰ দ্বাৰা নতুনকৈ ৬ খন প্ৰাথমিক শাখা গঠন কৰি সৰ্বমুঠ ৭৮ ঘৰে নতুনকৈ যোগদান কৰে শংকৰ সংঘত। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ নাজিৰা জিলা অন্তৰ্গত দোপদৰ আঞ্চলিকৰ সম্পাদক প্ৰশান্ত বৰাৰ একক প্ৰচেষ্টাত গঠন কৰা হৈছে উক্ত প্ৰাথমিক কেইখন। বিতৰ্কৰ ধুমুহাৰ মাজতে এই ঘটনাই নিশ্চিতভাৱে সকাহ দিছে শংকৰ সংঘক।



## প্ৰথম পৃষ্ঠাৰ পৰা—

## বৃহৎ কেলেংকাৰিয়ে কঁপাইছে

সংবাদ মেলৰ জৰিয়তে এনে ভয়ংকৰ অভিযোগ কৰিছে। কেৱল সিমানেই নহয়, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰীক জাতিদ্ৰোহী আখ্যা দি শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰি আজি এক সংবাদ মেল সম্বোধন কৰে সংগঠনটোৱে। উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ এহাজাৰ কোটিটকীয়া বৃহৎ কেলেংকাৰিতকৈও অধিক কোটি টকাৰ কেলেংকাৰিয়ে এতিয়া কঁপাইছে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ আভ্যন্তৰীণ মহল। সদৌ সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি ৰতন কছাৰী আৰু সাধাৰণ সম্পাদক বুধিন সোণোৱালে সংবাদ মেলত কৰা গুৰুতৰ অভিযোগ অনুসৰি বৃহৎ বিত্তীয় কেলেংকাৰি কৰি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ধনেৰে অবাধ সম্পত্তিৰ পাহাৰ গঢ়িলে পূৰ্বৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰীয়ে। সংবাদ মেলত সম্বোধন কৰি সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাই কয় যে বহু কোটি টকা বিত্তীয় কেলেংকাৰিত নাম সাঙোৰ খাই পৰা সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী দিপুৰঞ্জন মাক্ৰাৰীক পৰিষদৰ মুখ্য কাৰ্যবাহী পদৰ পৰা অপসাৰিত কৰি তদন্ত অব্যাহত ৰাখিছে যদিও শামুকীয়া গতিৰে চলিছে তদন্ত। মাক্ৰাৰীৰ বিৰুদ্ধে চিআইডিৰ অনুসন্ধানত পোহৰলৈ অহা ৩৬২ কোটি টকাৰ বিত্তীয় কেলেংকাৰিয়েই নহয়, এহাজাৰ কোটিৰো অধিক কেলেংকাৰি সংঘটিত হোৱাৰ তথ্য সদৰী কৰিছে সোণোৱাল কছাৰী ছাত্ৰ সন্থাই। Tender noÊ. SKAC / 77 / NIQ / 2022- 21/88/69 Dated- 02/01/2022 অটল জ্যোতি যোজনাৰ অধীনত ১৯২০ কোটি টকাৰ এটি বৃহৎ কেলেংকৰিৰ তথ্য আজি সাংবাদ মেলত উত্থাপন কৰে সোণোৱাল কছাৰী ছাত্ৰ সন্থাই। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আবণ্টিত পুঁজি বুলি ভুৱা প্ৰচাৰ আৰু প্ৰৰোচনাৰে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ তদানীন্তন মুখ্য কাৰ্যবাহী সদস্য দীপুৰঞ্জন মাক্ৰাৰীয়ে সংঘটিত কৰিছিল অপৰিসীম দুৰ্নীতি। এক বৃহৎ বিত্তীয় কেলেংকাৰিৰ তদন্ত প্ৰক্ৰিয়া ইমান লেহেমীয়া কিয় বুলিও সজোৰে প্ৰশ্ন কৰে সংগঠনটোৱে। বিত্তীয় কেলেংকাৰিৰ তদন্ত কৰিবলৈ একাধিক বিভাগ থকাৰ পিছতো কেৱল চিআইডিৰ তদন্ততে অভিযান সামৰি, শাসকীয় দলৰ ব্যক্তি হোৱাৰ বাবেই অভিযুক্ত দীপুৰঞ্জন মাক্ৰাৰীক সুৰক্ষা দিয়াৰ অভিসন্ধি চৰকাৰখনে কৰা বুলি সন্দেহ প্ৰকাশ কৰিছে সংগঠনটোৱে। এই বৃহৎ কেলেংকাৰিৰ তদন্ত চিবিআই, ইডিলৈ হস্তান্তৰ কৰিবলৈ দাবী উত্থাপন কৰিছে সংগঠনটোৱে। দীপুৰঞ্জন মাক্ৰাৰীৰ প্ৰত্যক্ষ তত্বাৱধানত সংঘটিত হোৱা এই কেলেংকাৰি সন্দৰ্ভত ডিব্ৰুগড় সদৰ থানাত পৰিষদৰ প্ৰধান সচিবগৰাকীৰ এজাহাৰৰ ভিত্তিত পঞ্জীয়নভুক্ত হোৱা গোচৰ নং ১২৩/২০২২ৰ অগ্ৰগতি নোহোৱাৰো অভিযোগ তুলিছে সদৌ সোণোৱাল কছাৰী ছাত্ৰ সন্থাই। উল্লেখ্য যে ভুৱা নিবিদা আহ্বান আৰু কামৰ আবণ্টন পত্ৰসমূহত তদানীন্তন উপ-মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল আৰু প্ৰধান সচিব ৰীণা মেচৰ স্বাক্ষৰ জাল কৰি যোগানকাৰীসকলক ভুৱা যোগান নিৰ্দেশনা-পত্ৰ প্ৰদান কৰা বুলি তথ্য সহকাৰে এগৰাকী এচিএছ বিষয়া তথা অতিৰিক্ত উপায়ুক্ত ৰীণা মেচে (পৰিষদৰ প্ৰধান সচিব হিচাপে) তৰা এই গোচৰটোৱে পাবলগীয়া গুৰুত্ব পোৱা নাই বুলিও মন্তব্য কৰে ছাত্ৰ সংগঠনটোৱে। কেলেংকাৰিটোৰ সৈতে জড়িত থকাৰ সন্দেহজনক ব্যক্তি ভাস্কৰ আৰু দীপুৰঞ্জন মাক্ৰাৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া তথা ন'ডেল বিষয়াগৰাকীৰ প্ৰকৃত পৰিচয় সন্দৰ্ভতো প্ৰশ্ন তোলে সংগঠনটোৱে। ছাত্ৰ সংগঠনটোৱে প্ৰশ্ন কৰে যে দীপুৰঞ্জন মাক্ৰাৰীয়ে কি যুক্তি আৰু এক্তিয়াৰত তেওঁলোকক নিযুক্তি দিছিল? এই বিষয়টোও অসম চৰকাৰৰ WPT/BC বিভাগে ৰাজহুৱাকৈ পৰিষ্কাৰ কৰিবলৈ আহ্বান জনাইছে সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে। আনহাতে, প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমান কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অতি ঘনিষ্ঠ হোৱা বাবেই পৰিষদৰ পৰা অপসাৰিত হোৱা দুৰ্নীতিগ্ৰস্ত দীপুৰঞ্জনৰ বিৰুদ্ধে বিজেপি দলেও কোনো অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি কৈ ২০২৪ৰ পৰিষদীয় নিৰ্বাচনৰ সময়ত বিজেপি দলক সোণোৱাল কছাৰী জনগোষ্ঠীয়ে বৰ্জন কৰিব বুলি সকীয়নি দিয়ে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা সংবাদ মেলত সদৌ অসম সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সভাপতি ৰতন কছাৰী আৰু সাধাৰণ সম্পাদক বুধিন সোণোৱালসহ অন্যান্যসকল উপস্থিত থাকি পৰিষদৰ দুৰ্নীতিৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰি উচিত তদন্ত আৰু দুৰ্নীতিগ্ৰস্ত দীপুৰঞ্জন মাক্ৰাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰিলে সোণোৱাল কছাৰী ছাত্ৰ সন্থাই তীব্ৰ গণতান্ত্ৰিক আন্দোলন গ্ৰহণ কৰিব বুলি সকীয়নি দিয়ে।

## সকলো স্মাৰ্টফোনতে ব্যৱহাৰ

মূল্যৰ ফোনৰ বাবে এটা পৃথক 'ষ্টেণ্ডাৰ্ড' চাৰ্জাৰ থাকিব। ফলস্বৰূপে ভাৰতত ইউনিভাৰ্ছেল কমন চাৰ্জাৰৰ নিয়ম অনাগত দিনবোৰত প্ৰযোজ্য হ'ব। ই কেৱল গ্ৰাহকসকলক লাভৱান্বিত নকৰে। দেশত বৃহৎ পৰিমাণৰ ই-আৱৰ্জনা হ্ৰাস কৰাতো সহায় কৰিব। কেন্দ্ৰীয় উপভোক্তা সচিব ৰোহিত কুমাৰ সিঙে এই প্ৰসংগত কয় যে প্ৰতিটো ফোনৰ বাবে কোনো পৃথক চাৰ্জাৰ নাথাকিব। ভাৰতৰ সকলো স্মাৰ্ট ফোনত এটা ইউএছবি টাইপ চি চাৰ্জিং প'ৰ্ট থাকিব লাগিব। তেওঁ কয় যে এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ আন্তঃ মন্ত্ৰণালয়ৰ টাস্ক ফ'ৰ্চৰ এখন বৈঠকত এই সিদ্ধান্ত লোৱা হৈছে। চৰকাৰী বিশেষজ্ঞসকলে বৰ্তমান দুয়োটা ৰাষ্ট্ৰীয় চাৰ্জাৰৰ নিয়ম ৰূপায়ণৰ বিষয়ে আলোচনা কৰি আছে। সেই দুটা চাৰ্জাৰ নীতি হৈছে সকলো সু-সংগত ফোনৰ বাবে এটা ইউএছবি টাইপ চি চাৰ্জাৰ থাকিব। আনহাতে, কম ব্যয়ৰ ফোনৰ বাবে এটা পৃথক 'ষ্টেণ্ডাৰ্ড' চাৰ্জাৰ থাকিব। শেহতীয়া বৈঠকখনত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান কানপুৰ, মহাৰাজা আগ্ৰাসন ইনষ্টিটিউট অৱ টেকন'লজী, ভাৰতীয় উদ্যোগ পৰিষদ, ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীজ আৰু পৰিৱেশ, বন তথা জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। ৰোহিত কুমাৰ সিঙে কয় যে বৈঠকত সকলোৱে স্মাৰ্টফোন, টেবলেট আৰু লেপটপৰ দৰে ইলেক্ট্ৰনিক সঁজুলিৰ চাৰ্জিং প'ৰ্ট হিচাপে ইউএছবি টাইপ-চি ব্যৱহাৰ কৰাৰ বিষয়টোত সহমত প্ৰকাশ কৰিছে। উল্লেখ্য, বহুতো উন্নত অৰ্থনীতিত এই 'ষ্টেণ্ডাৰ্ড চাৰ্জিং ডিভাইচ' আৰু প'ৰ্টৰ নিয়ম ইতিমধ্যে প্ৰৱৰ্তন কৰা হৈছে। ইউৰোপীয় ইউনিয়নেও সকলো ডিভাইচৰ বাবে ইউএছবি-চি প'ৰ্ট ব্যৱহাৰৰ নীতি গ্ৰহণ কৰিছে। ব্লুমবাৰ্গৰ এক প্ৰতিবেদন অনুসৰি এই বছৰৰ ৭ জুনত, ইউৰোপীয় ইউনিয়নে এই সন্দৰ্ভত এখন আইন গৃহীত কৰিছে। এই আইনখনে ইউৰোপীয় ইউনিয়নত বিক্ৰী হোৱা সকলো স্মাৰ্টফোনত ইউএছবি-চি প'ৰ্ট চাৰ্জাৰৰ ব্যৱহাৰ বাধ্যতামূলক কৰিছে।

## তৃতীয় বৰ্গৰ কৰ্মচাৰী হ'ল

আৰু পৰিয়াল কল্যাণ বিভাগৰ যুটীয়া সচিব স্বাক্ষৰিত জাননীখনক লৈ এতিয়া সৰ্বত্ৰ চৰ্চা লাভ কৰিছে। প্ৰশ্ন উঠিছে তৃতীয় বৰ্গৰ কৰ্মচাৰীক কি ভিত্তিত ৰাজপত্ৰিত বিষয়া হিচাপে দায়িত্ব অৰ্পণ কৰিব পাৰে। অসম চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰাৰ বিপৰীতে একাংশ বিষয়া-আমোলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিশ্ৰুতিক লৈ ল'ৰা-ধেমালি কৰা কাৰ্য কিমান গ্ৰহণযোগ্য সেয়া সময়ত পোহৰলৈ আহিব।

## জুতি লওঁ আহক বিশ্বৰ

সুস্থ হৈ উঠিছিল। যুৱকজনৰ অনুসন্ধিৎসু মনৰ কথা বুজিব পাৰি সন্ন্যাসীগৰাকীয়ে তেওঁৰ হাতত তুলি দিছিল এটা গছৰ পুলি। আৰু সেই পুলিটোৱেই হ'ল 'দ্য হং পাও' চাহগছ জুপি। এইবিধ চাহত মিশ্ৰিত হৈ থাকে একাধিক মানৰ জীৱনৰ বাবে অতি প্ৰয়োজনীয় দ্ৰব্য। যাৰ বাবে বিশ্বৰ আটাইটকৈ দামী চাহ হিচাপে আজিও গৌৰৱেৰে বিজয় ধ্বজা উৰুৱাই আছে।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰতিবাদ

গুণ্ডাগিৰি আৰু অসভ্যালিৰ চৰম পৰ্যায় পাইছেগৈ বিশ্ববিদ্যালয়খনৰ হোষ্টেলত। সদ্যসমাপ্ত বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ পিছতেই মফিজুদ্দিন আহমেদ হাজৰিকা ছাত্ৰ নিৱাসত সংঘটিত হয় মঙলবাৰে ভয়াৱহ মাৰপিটৰ ঘটনা। যোৱা মঙলবাৰে নিৰ্বাচন শেষ হোৱাৰ পিছতেই নিশা মফিজুদ্দিন আহমেদ হাজৰিকা ছাত্ৰ নিৱাসত ভিতৰতে একাংশ উদণ্ড ছাত্ৰৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। মাৰপিটত লিপ্ত হোৱা একাংশ উদণ্ড ছাত্ৰৰ কাজিয়া এৰাবলৈ আহে বিশ্ববিদ্যালয়খনৰ নিৰাপত্তাৰক্ষীৰ দল। কিন্তু উদণ্ড ছাত্ৰ জঁপিয়াই পৰে বিশ্ববিদ্যালয়ৰ নিৰাপত্তাৰক্ষী দলৰ ওপৰত। আক্ৰমণ লক্ষ্য কৰি লয় বিশ্ববিদ্যালয়ৰ নিৰাপত্তাৰক্ষী বিষয়া পৱন তালুকদাৰ আৰু বিজয় থাপাক। ফলত ছাত্ৰৰ আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় দুয়োজন। দুয়োজনকে এম্বুলেন্সেৰে চিকিৎসাৰ বাবে লৈ যোৱা হয়। ইফালে এই ঘটনাৰ দোষী ছাত্ৰৰ ওপৰত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষোভিত বিশ্ববিদ্যালয়ৰ কাষৰে বৰপথাৰ অঞ্চলৰ লোক। আঘাতপ্ৰাপ্ত দুয়োজন বৰপথাৰৰ স্থানীয় লোক। আজি এই ঘটনাৰ উচিত তদন্ত আৰু দোষীক শাস্তিৰ দাবীৰে বিশ্ববিদ্যালয়খনৰ মূল প্ৰৱেশদ্বাৰ জ্যোতি বাটচ'ৰা আবদ্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে একাংশ স্থানীয় লোকে। প্ৰতিবাদৰ পিছত তেওঁলোকে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক এখন দাবীসম্বলিত স্মাৰক-পত্ৰ প্ৰদান কৰে ঘটনাৰ সৈতে জড়িত দোষীক শাস্তি বিহাৰ বাবে। ইফালে কালি এই ঘটনাৰ প্ৰতিবাদত বিশ্ববিদ্যালয়ৰ সমূহ কৰ্মচাৰীয়ে কৰ্মবিৰতি পালন কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

## দৰিদ্ৰতা নে প্ৰলোভন, কিন্তু

কৰিছে। উল্লেখ্য, চলিত মাহত এক গোপন সূত্ৰ পম খেদি জিলাখনৰ ভুটিয়াচাং চাহ বগিচা, নোনাইপাৰা চাহ বাগিচা, ওৱাংগাজুলি চাহ বাগিচা, বামুণজুলি চাহ বাগিচা তথা বাগিচাৰ কাষৰীয়া অঞ্চলসমূহৰ পৰা বহু কেইগৰাকী কিশোৰী পানেৰী থানাৰ আৰক্ষী আৰু জিলা আৰক্ষী প্ৰশাসনে চুবুৰীয়া ৰাজ্য অৰুণাচলৰ পৰা মানৱ সৰবৰাহকাৰীয়ে বিক্ৰী কৰাৰ পিছত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই সমগ্ৰ ঘটনা অসম আৰক্ষী আয়ুক্ত ভাস্কৰজ্যোতি মহন্তই বিশেষ গুৰুত্ব প্ৰদান কৰাৰ লগতে ওদালগুৰি জিলাৰ উক্ত অঞ্চলসমূহ তথা কিশোৰী কেইগৰাকী ঘৰত উপস্থিত হৈ অভিভাৱকসকলৰ সৈতে আলোচনা কৰে। তাৰ পিছতে সংবাদ মধ্যমৰ জৰীয়তে ঘোষণা কৰিছিল যে মানৱ সৰবৰাহকাৰীসকল চিনাক্ত কৰি উচিত শাস্তিৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে মানৱ সৰবৰাহকাৰী ঘটনা কঠোৰ হাতেৰে বন্ধ কৰা হ'ব। উক্ত ঘোষণাৰ পিছত পানেৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ তেৰাঙৰ নেতৃত্বত এটা দলে পুনৰ ১৫ নৱেম্বৰত এজন মানৱ সৰবৰাহকাৰী চুনু মুণ্ডাক নোনাইপাৰা চাহ বাগিচাৰ পৰা গ্ৰেপ্তাৰ কৰে। ধৃত চুনু মুণ্ডাই প্ৰকাশ কৰা মতে নোনাইপাৰা বাগানৰ অঞ্চল দুগৰাকী কিশোৰীক তেওঁৰ ঘৰৰ ওচৰত বাস কৰা শিলঘাটৰ লোক এজনৰ তত্ত্বাৱধানত বৰ্তমান দিল্লীত থকা এজন অসমীয়া লোকক দহ হাজাৰ টকাত বিক্ৰী কৰিছিল। লগতে উক্ত ছোৱালী দুজনীক দিল্লীত থকা লোকজনে জম্মু-কাশ্মীৰলৈ প্ৰেৰণ কৰা বুলি উল্লেখ কৰে। পানেৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকী সঞ্জীৱ তেৰাঙৰ নেতৃত্বত এতিয়ালৈ বাৰগৰাকীকৈ কিশোৰীক উদ্ধাৰ কৰাৰ লগতে আঠজন মানৱ সৰবৰাহকাৰী লোকক গ্ৰেপ্তাৰ কৰিছে। লগতে তেওঁ তদন্ত প্ৰক্ৰিয়া চলি থকা হেতুকে কিছু মন্তব্য প্ৰকাশ কৰাৰ পৰা বিৰত থাকে যদিও পৰৱৰ্তী সময়ত বহু লোক মানৱ সৰবৰাহকাৰীৰ পৰা বহু কিশোৰী উদ্ধাৰ হোৱাৰ লগতে বহু লোকক গ্ৰেপ্তাৰ কৰাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰে।

## ৰাহুল গান্ধীৰ নাৰীসীন সমদল

(১৭ নৱেম্বৰ, ২০২২) এই মন্তব্য কৰে দলৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে। ১৯ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া এই যাত্ৰাৰ দুয়োটা অধিৱেশনত (প্ৰাক দুপৰীয়াৰ আহাৰ আৰু দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পিছৰ) কংগ্ৰেছৰ মহিলা কৰ্মীসকলে অংশগ্ৰহণ কৰিব সেইদিনা ফুট মাৰ্চ, ৰমেশে ক'লে। দলটোৰ যোগাযোগ আৰু প্ৰচাৰ বিভাগৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰমেশে সাংবাদিকৰ আগত কয় যে ১৯ নৱেম্বৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্ম জয়ন্তী উপলক্ষে ৰাহুল গান্ধীৰ সৈতে কেৱল মহিলাসকলেহে যাত্ৰাত খোজ কাঢ়িব। গ্ৰেণ্ড অল্ড পাৰ্টিৰ গণ সংস্পৰ্শৰ পদক্ষেপ ভাৰত জোড়ো যাত্ৰা ৭ নৱেম্বৰত ৰাজ্যত উপস্থিত হোৱাৰ পিছৰে পৰা বৰ্তমান মহাৰাষ্ট্ৰৰ মাজেৰে পাৰ হৈ আছে। ১৯১৭ চনৰ ১৯ নৱেম্বৰত এলাহাবাদ (বৰ্তমান প্ৰয়াগৰাজ)ত জন্মগ্ৰহণ কৰা ইন্দিৰা গান্ধী আছিল ভাৰতৰ প্ৰথম আৰু আজিলৈকে একমাত্ৰ মহিলা প্ৰধানমন্ত্ৰী। ইফালে বৃহস্পতিবাৰে ৰাহুলৰ পদযাত্ৰা ৭১ সংখ্যক দিনত প্ৰৱেশ কৰি ২০ নৱেম্বৰত মধ্যপ্ৰদেশলৈ যোৱাৰ কথা। ৭ ছেপ্টেম্বৰৰ পৰা তামিলনাডুৰ কন্যাকুমাৰীৰ পৰা আৰম্ভ হোৱা ভাৰত জোড়ো যাত্ৰা জম্মু-কাশ্মীৰত সামৰণি পৰিব।



## ৰাজ্যত পথ দুৰ্ঘটনাত হতাহত

কলিতা আৰু গাড়ীখনৰ চালক ভাস্কৰ কলিতাৰ কথমপি প্ৰাণ ৰক্ষা পৰে যদিও তেওঁলোক দুয়োগৰাকী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। সম্প্ৰতি আহত দুয়োগৰাকী চিকিৎসাধীন হৈ আছে।

### খালিংদুৱাৰ বনাঞ্চলত টহলদাৰী বনকৰ্মীৰ হাতত চোৰাং চিকাৰী নিহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী ঃ** ওদালগুৰিৰ খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চলত বনকৰ্মীৰ টহলদাৰীৰ গুলীত চোৰাং কাঠ ব্যৱসায়ীৰ মৃত্যুৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। ঘটনা অনুসৰি কালি দিনৰ ২ বজাত খালিংদুৱাৰ বনাঞ্চলত ভাৰত-ভূটান সীমান্তত অতি ঘন অৰণ্যত নোনাই বনৰক্ষী দল এটাই টহল দিবলৈ গৈ থকা অবস্থাত এটা শব্দ শুনিছিল। পিছত বনৰক্ষী দলটোৱে চুপি চুপি গৈ জংঘলৰ মাজত এটা দহ-বাৰজনীয়া দলক দেখা পায় শূন্যলৈ গুলীচালনা কৰে। বনৰক্ষী দলটোত পৰ্যাপ্ত পৰিমাণৰ লোক নোহোৱাৰ বাবে সেই স্থানৰ পৰা পলায়ন কৰে, যাৰ ফলত চোৰাং কাঠ ব্যৱসায়ী দলটো আটক কৰিবলৈ সক্ষম নহ'ল। বনৰক্ষীৰ দল তথা ৰেঞ্জাৰ এন কে শইকীয়াই ততালিকে পানেৰী থানাত খবৰ কৰাৰ লগতে ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰাত জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকী সংৰক্ষিত বনাঞ্চলখনত উপস্থিত হয়। নিশা অতিৰিক্ত আৰক্ষী অধীক্ষক, বন বিষয়াৰ লগতে বনৰক্ষীৰ দল, পানেৰী থানাৰ আৰক্ষী আৰু সশস্ত্ৰ সীমা বলৰ লোকৰ সৈতে ঘটনাস্থলীত পুনৰ উপস্থিত হোৱাত ঘটনাস্থলীত এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা মৃত ব্যক্তিজনৰ লগতে বহু পৰিমাণৰ কাঠ, ধনেশ পক্ষী, কিছু অংশ বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰা বুলি প্ৰকাশ কৰে। আজি তথা ১৭ নৱেম্বৰত মৃত্যু হোৱা লোকজন নোনাইপাৰা চাহ বাগিচাৰ ৰাম সিং গড় বুলি পৰিয়ালৰ লোকে চিনাক্ত কৰে। মৰণোত্তৰ পৰীক্ষাৰ বাবে ওদালগুৰি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

### ৰহাৰ বাৰপূজীয়াত পথ দুৰ্ঘটনাত নিহত এজন ঃ প্ৰাতঃ ভ্ৰমণলৈ স্বামীৰ লগত আহি মৃত্যু হ'ল পত্নীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৭ নৱেম্বৰ ঃ** প্ৰাতঃভ্ৰমণলৈ আহি কৰুণ মৃত্যুক সাৱটিলে ৰহাৰ বাৰপূজীয়াৰ এগৰাকী মহিলাই। নগাঁও-মৰিগাঁও জিলা সদৰ সংযোগী চিধা পথটোৰ বাৰপূজীয়াত আজি পুৱাই সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনাটো। ৰহাৰ বাৰপূজীয়া নিজ মিকিৰ গাঁৱৰ ৰাজপথত এখন বলেৰ' গাড়ীৰ খুন্দাত থিতাতে মৃত্যু হয় বাৰপূজীয়াৰ চলহবড়ীৰ পিংকী বৰা ডেকা নামৰ ৩১ বছৰীয়া মহিলাগৰাকীৰ। জানিব পৰা আনদিনাৰ দৰে স্বামীৰ সৈতে প্ৰাতঃভ্ৰমণ আহিছিল মহিলাগৰাকী। ৰাজপথত প্ৰাতঃভ্ৰমণ কৰিব আহিয়েই এখন তীব্ৰ বেগী বলেৰ পিক্‌আপ বাহনৰ খুন্দাত কৰুণ মৃত্যুক সাৱটিলে মহিলাগৰাকীয়ে। ইপিনে দুৰ্ঘটনা সংঘটিত কৰিয়েই বাহনখন সেই ঠাইৰ পৰা পলায়ন কৰে। বহু সময়ৰ পিচত দুৰ্ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

### পথ দুৰ্ঘটনাত শোকাৱহ মৃত্যু তামুলপুৰৰ দুই যুৱকসহ আন দুজনৰ ঃ তামুলপুৰত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৭ নৱেম্বৰ ঃ** বুধবাৰে নিশা নলবাৰীৰ বানেকুছিত সংঘটিত এক ভয়াৱহ পথ দুৰ্ঘটনাত তামুলপুৰৰ কেকেৰিকুছিৰ প্ৰণৱ শালৈ (২৫) আৰু উৎপল শালৈ (২৫) নামৰ যুৱকৰ লগতে আন চাৰিজন যুৱকে থিতাতে মৃত্যুক আঁকোৱালি লয়। জানিব পৰা মতে, উৎপল শালৈ আৰু প্ৰণৱ শালৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত একেলগে কৰ্মৰত। কৰ্মসূত্ৰে চিনাকি আন দুই বন্ধুৰ সৈতে কালি প্ৰণৱ আৰু উৎপলে বৰপেটালৈ ৰাস চাবৰ বাবে গৈ আছিল। বৰপেটাৰ পৰা ৰাস চাই উভতাৰ সময়ত নিশা বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা ৰেলিঙত খুন্দিওৱাত চাৰি বন্ধুৰ ঠাইতে মৃত্যু হয়। স্থানীয় নলবাৰী আৰক্ষীয়ে বাহনখন উদ্ধাৰ কৰাৰ লগতে চাৰিওগৰাকীকে মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰীৰ শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আজি প্ৰণৱ আৰু উৎপলৰ মৃতদেহ তামুলপুৰৰ কেকেৰিকুছি গাঁৱত লৈ অহাৰ লগে লগে পৰিয়াল আৰু গাঁওবাসীৰ মাজত এক শোকাকুল পৰিবেশে বিৰাজ কৰে। গাঁৱৰ ৰাইজে জনোৱা মতে প্ৰণৱ আৰু উৎপল উদ্যমী যুৱক আছিল আৰু গাঁৱৰ প্ৰতিটো অনুষ্ঠানত সহযোগ আছিল দুই যুৱকৰ।

**তামুলপুৰ আছুৰ শোক প্ৰকাশ—** প্ৰণৱ শালৈ তামুলপুৰ আছুৰ এগৰাকী সক্ৰিয় সদস্য আছিল। প্ৰণৱৰ মৃত্যুত তামুলপুৰ মহকুমা ছাত্ৰ সন্থা, তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাই শোক প্ৰকাশ কৰাৰ লগতে সমগ্ৰ তামুলপুৰ জিলাৰ আছুৰ নেতৃত্বই প্ৰণৱৰ মৃত্যু সহজভাৱে মানি ল'ব পৰা নাই। সন্ধিয়া ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে দুই যুৱকৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

## ৰাজধানীত লাচিত জয়ন্তী

২৩ পৰা ২৫ নৱেম্বৰলৈ তিনিদিনীয়া বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা এই জন্ম-জয়ন্তীৰ প্ৰথম দিন অৰ্থাৎ ২৩ নৱেম্বৰৰ কাৰ্যসূচীত উপস্থিত থাকিব কেন্দ্ৰীয় বিত্ত আৰু কৰ্প'ৰেট বিভাগৰ মন্ত্ৰী নিৰ্মলা সীতাৰমন। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে এখন প্ৰদৰ্শনী উদ্বোধন কৰিব। তদুপৰি লাচিতৰ ওপৰত এখন বিশেষ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। ২৪ নৱেম্বৰৰ জন্ম-জয়ন্তীৰ কাৰ্যসূচীত উপস্থিত থাকিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। গৃহমন্ত্ৰীয়ে সেইদিনা অনুষ্ঠিত হ'ব লগা মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। তদুপৰি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ২৫ তাৰিখ ৪০০সংখ্যক লাচিত দিৱসৰ অন্তিম দিনৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সকলোকে সম্বোধন কৰিব।




## জুবিন ক্লাছিক যোগ সংস্কৃতি সংস্থা উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** জুবিন ক্লাছিক যোগ সংস্কৃতি সংস্থা নামৰ এক ক্ৰীড়া তথা সামাজিক সংগঠন আজি গুৱাহাটী প্ৰেছ ক্লাবত উদ্বোধন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে শেহতীয়াকৈ অৰ্জুন বঁটাৰে বিভূষিত, বিগত কমনৱেলথ গেমছত স্বৰ্ণপদক বিজয়ী লনবল খেলুৱৈ নয়নমণি শইকীয়া। জুবিন ক্লাছিক যোগ সংস্কৃতি সংস্থা নামৰ সংগঠনটোৰ সম্পাদক, প্ৰখ্যাত যোগ শিক্ষক অঞ্জনা দাসে আদৰণী ভাষণত কয় যে জুবিন ক্লাছিক যোগ সংস্কৃতি সংস্থা নামৰ এই সংগঠনটোৰ যোগেদি সমাজৰ সকলো স্তৰৰ লোকৰ মাজত সুস্থ জীৱনশৈলীৰ বাবে কাম কৰা হ'ব। নিয়মীয়াকৈ ছেমিনাৰ, যোগ প্ৰতিযোগিতা, স্বাস্থ্য সম্পৰ্কীয় সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। যোগাভ্যাসৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰি জীৱন ধাৰণৰ পদ্ধতিক উন্নত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জুবিন ক্লাছিক যোগ সংস্কৃতি সংস্থাৰ সভাপতিৰ দায়িত্বত থকিব বুলি স্বয়ং জুবিন গাৰ্গে সন্মতিসূচক স্বাক্ষৰ প্ৰদান কৰিছে। সভাত অৰ্জুন নয়নমণি শইকীয়াৰ লগতে যোগত অসমৰ প্ৰথমগৰাকী পি এইচ ডি ডিগ্ৰীধাৰী ড° মাধন বৰা, যোগাসনত বিশ্ব অভিলেখধাৰী কুঁহি ডেকা, চতুৰ্থ খেলো ইণ্ডিয়া যুথ গেমছৰ যোগত ৰূপৰ পদক জয়ী সুমিত দে, জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক উদয় বৰগোঁহাই, পতঞ্জলি যোগপীঠৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুৰব্বী বিকাশ গোস্বামী, ৰাষ্ট্ৰীয় পৰ্যায়ৰ টেনিছ খেলুৱৈ, ক্ৰীড়া সংগঠক কল্যাণ কুমাৰ দাস, জ্যেষ্ঠ সাংবাদিক তথা 'দিগন্তছ ফিজিঅ'থেৰাপী এণ্ড ৰিহেবিলিটেচন চেণ্টাৰ'ৰ প্ৰতিষ্ঠাতা দিগন্ত দাস উপস্থিত থাকে। এই অনুষ্ঠানতে অসম গৌৰৱ তথা জুবিন ক্লাছিক যোগ সংস্কৃতি সংস্থাৰ সভাপতি জুবিন গাৰ্গৰ ১৮ নৱেম্বৰৰ ৫০ বছৰীয়া জন্মদিনৰ আগদিনা অৰ্থাৎ ১৭ নৱেম্বৰত প্ৰাক্ জন্মদিন পালন কৰা হয়। অনুষ্ঠানত জুবিন ক্লাছিক যোগ সংস্কৃতি সংস্থা, গুৱাহাটীৰ হৈ উপস্থিত থাকে সম্পাদক অঞ্জনা দাস, কোষাধ্যক্ষ জবান ৰাভা, সদস্য দিব্যজ্যোতি ডেকা আৰু বিদ্যা ইংতি।

## অসম মাতৃৰ কলংকিত পুত্ৰ

এইটোৰ কামনাৰ বলি হৈছিল কিশোৰীগৰাকী। ধুৰন্ধৰ কৃষ্ণ কমলে আত্মহত্যাৰ ৰূপ দি খবৰ দিলে আৰক্ষীক।

জনহিতৰ জনস্বাৰ্থৰ নামত শপত লোৱা দুই পুলিচ, ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰা আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক ৰমেশ ফুকন উপস্থিত হ'ল ঘটনাস্থলীত। নিয়ম মাফিক কাম কৰি মৃতদেহটো প্ৰেৰণ কৰিলে মৰণোত্তৰ পৰীক্ষাৰ বাবে।

টকাৰ টোপোলা লৈ কৃষ্ণ কমল সাজু হ'ল নিজক বচাবলৈ। মেলি দিলে টকাৰ বজাৰ। ক'লা কাউৰীয়ে বগা ভাত দেখি পাগল হোৱাৰ দৰে টকাৰ জাপত জাঁপ মাৰি পৰিল আৰক্ষী। খেক্ খেক্ কৈ হাঁহিলে। নিশাটোৰ ভিতৰত ইমান টকা পাই নিমিষতে দলিয়াই দিলে বিবেক, মানৱীয়তা, কৰ্তব্যবোধ আৰু দায়বদ্ধতা। ইমান টকা যেন দেখাই নাছিল এখন জিলাৰ আইন-শৃংখলাৰ গধুৰ দায়িত্ব কান্ধ পাতি লোৱা আৰক্ষী অধীক্ষক ৰাজ মোহন ৰায়ে। খাকী পোছাকত কলংকৰ দাগ লগাই জেপত ভৰালে টকা আৰু টকা। এইবাৰ টকাৰ কাহিনী পৰিল জনতাৰ ভগৱানস্বৰূপ চিকিৎসকৰ কাণত। দুই কোৱাৰিৰে বৈ আহিল লেলাউটি। কি মানৱীয়তা? কি দায়িত্ব ? নাই নাই টকাৰ লগত 'ন' কম্প্ৰমাইজ'। তিনি চিকিৎসকে দাঁত উলিয়াই হাঁহিলে। এই কচাইসদৃশ চিকিৎসককেইটাৰ মাজত আকৌ এগৰাকী মহিলা। আমাক শৈশৱত শিকোৱা মহিলা বা নাৰী মমতাৰ প্ৰতীকৰ দৰে এইগৰাকী নহয়। টকাৰ বাবে মমতা বিক্ৰী কৰিব পৰা চিকিৎসাৰ দৰে পৱিত্ৰ বৃত্তিত জড়িত অজন্তা বৰদলৈ। আন দুটা হৈছে অৰুণ ডেকা আৰু অনুপম শৰ্মা ( চিকিৎসক বুলি লিখিবলৈ মনে নকয়)। মৰণোত্তৰ প্ৰতিবেদন লিখিলে কৃষ্ণ কমলৰ টকাৰ তেজেৰে। সকলোৱে টকা খালে যেতিয়া কি স'তেৰে বহি থাকেনো দণ্ডাধীশ আশীৰ্বাদ হাজৰিকা। টকাৰ 'আশীৰ্বাদ'পুষ্ট আশীৰ্বাদ হাজৰিকায়ো নেগুৰ কটা শিয়ালৰ ভাও দিবলৈ একপল বিলম্ব নকৰিলে। পিছে সময় বোলা বস্তু এটা সকলোৱে অগোচৰে চলি আছে। পৰিতাপৰ বিষয় আহোম শাসন বৰ্তমান নাই। গতিকে শাস্তি আমি বিচৰাৰ দৰে হ'ব পাৰে, নহ'বও পাৰে।

বিশ্বাস আছে ন্যায়ালয়ৰ ওপৰত। কাৰণ আদালত ন্যায় আৰু সততাৰে গঢ়া এক পৱিত্ৰ মন্দিৰ। আমি কামনা কৰিছো আদালতে এনে এক শাস্তি প্ৰদান কৰক যেন একোটা পৱিত্ৰ বৃত্তি ভৱিষ্যতে অপৱিত্ৰ কৰিবলৈ সাহস নকৰে। আমি অনুৰোধ কৰিম এই কুলাংগাৰকেইটাৰ পৰিয়ালক— আপোনালোকে সত্যৰ পক্ষত থাকি এক পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰক। অন্ততঃ দুৰ্ভগীয়া কিশোৰীগৰাকী সমাধিত অলপ হ'লেও শান্তি পাওক।

## নগাঁৱত গৰু চোৰ

কৰি নিয়াত অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নীনা হালৈ নামৰ গৃহস্থী গৰাকীৰ খীৰতি গাই দুজনী চুৰি কৰি নিয়াত পৰিয়ালটোত বৰ্তমান হাহাকাৰ সৃষ্টি হৈছে। ইতিমধ্যে পৰিয়ালৰ লোকে আৰক্ষীক অৱগত কৰিছে যদিও বৃহৎ গৰু চুৰি চক্ৰটোৰ কোনো এটা চোৰৰ দলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ যে আজি কিছুদিন ধৰি নগাঁও জিলাৰ বিভিন্ন স্থানত গৰু চুৰি কাৰ্য সংঘটিত হৈ আহিছে যদিও নগাঁও আৰক্ষীৰ ভূমিকাত সৰ্বসাধাৰণ ৰাইজে কোনো সুফল লাভ কৰা নাই। সম্প্ৰতি নগাঁও আৰক্ষীৰ ভূমিকাক ৰাইজে সহজভাৱে ল'ব পৰা নাই। আৰক্ষীক শীঘ্ৰে চুৰি চক্ৰটোক গ্ৰেপ্তাৰৰ দাবী জনাইছে সৰ্বসাধাৰণ ৰাইজে।

## নিবিদা অবিহনে কৰিছিল ৭

পৰ্যটনৰ বাবে বন্ধ আছিল যদিও প্ৰধানমন্ত্ৰীৰ গুজৰাট ভ্ৰমণৰ প্ৰাক্‌মুহূৰ্তত দলংখন মুকলি কৰা হৈছিল। আশ্চৰ্যজনক কথাটো হৈছে দলংখন পুনৰ নিৰ্মাণ কৰিবলৈ দায়িত্ব দিয়া হৈছিল ঘড়ী নিৰ্মাণ কৰা এটা কোম্পানীক। ইয়াৰ বাবে কোনো নিবিদাৰ আহ্বান কৰা হোৱা নাছিল। ৭ কোটি টকাত দলংখন পুনৰ নিৰ্মাণৰ বাবে স্থানীয় নগৰ পালিকাই কৰিছিল চুক্তি। গুজৰাট উচ্চ ন্যায়ালয়ত ঘটনাটোৰ সন্দৰ্ভত চলি থকা শুনানি কালত স্থানীয় নগৰ পালিকাই আদালতত কৈফিয়ৎনামা দাখিল কৰি দলং ভঙাৰ ঘটনাৰ দায়িত্ব স্বীকাৰ কৰে। প্ৰধানমন্ত্ৰীৰ গৃহ ৰাজ্যত নিবিদা অবিহনে ৭ কোটিৰ চুক্তি কৰা ঘটনাই গৃহৰাজ্য এতিয়াও তেওঁ দুৰ্নীতিমুক্ত কৰিবলৈ সক্ষম নোহোৱা বুলি সৰ্বত্ৰ চৰ্চা লাভ কৰিছে।

## পুৰা চাহ পিয়েই চিকিৎসাধীন

আনি ৰখা কীটনাশক ফুৰাডন দ্ৰব্য বিধ চাহপাতৰ লগত মিলাই থয়। পিছদিনা পুৱাই পুত্ৰ-বোৱাৰী আৰু দুই নাতিয়েকে চাহ খোৱাৰ পিছতেই গুৰুতৰভাৱে অসুস্থ হৈ পৰাত পৰিয়ালটোৱে চাহপাতখিনি পৰীক্ষা কৰাত অসুস্থতাৰ তথ্য পোহৰলৈ আহে। স্থানীয় লোকে লগে লগে গুৰুতৰভাৱে অসুস্থ হৈ পৰা পৰিয়ালটিক ১০৮ সেৱাৰ জৰিয়তে গোলাঘাট চিকিৎসালয়ত ভৰ্তি কৰিছে।

## নাজিৰাত গ্ৰেপ্তাৰ ভুৱা

পঞ্জীয়ন নং দেৱাশিস দত্তই ব্যৱহাৰ কৰি চিকিৎসা সেৱা আগবঢ়াই আহিছিল। গুৱাহাটীৰ লাচিত নগৰ নিবাসী তথা গুৱাহাটীৰ আৰ্য চিকিৎসালয়ত কৰ্মৰত এগৰাকী চিকিৎসকৰ অভিযোগৰ ভিত্তিত দেৱাশিস দত্ত নামৰ ভুৱা চিকিৎসকজনক আটক কৰে আৰক্ষীয়ে। অভিযোগকাৰীয়ে শিৱসাগৰ আৰক্ষী অধীক্ষকৰ ওচৰত তথ্য সংলগ্ন কৰি অভিযোগ দিছে। উক্ত অভিযোগৰ ভিত্তিত ভুৱা চিকিৎসকজনক গেলেকী আৰক্ষীয়ে আটক কৰি সোধা-পোছা কৰাৰ অন্তত গ্ৰেপ্তাৰ কৰি নাজিৰা মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতলৈ প্ৰেৰণ কৰে আৰু পৰৱৰ্তী সময়ত আদালতে জে'ল হাজোতলৈ প্ৰেৰণ কৰে। ইতিমধ্যে এই সংক্ৰান্তত গেলেকী থানাৰ ৫২/২০২২ নম্বৰত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩৩৬, ৪১৯,৪৬৮, ৪৭১ ৰুজু হৈছিল গোচৰ।

## যোগীলৈ পত্ৰ বিজেপি

প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক জঘন্য অপৰাধৰ সৈতে মোকাবিলা কৰা ৰাজ্যিক আইন সংশোধন কৰিবলৈ আহ্বান জনায়। শেহতীয়াকৈ দিল্লীত এগৰাকী যুৱতীক তেওঁৰ আন্তঃধৰ্মীয় প্ৰেমিকে কৰা নৃশংস হত্যাৰ পৰিপ্ৰেক্ষিতত 'লাভ জেহাদ'ৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ পোষকতা কৰে বিধায়কজনে। শ্ৰদ্ধা ৱাকাৰ হত্যাকাণ্ডৰ বিচাৰ ফাষ্ট ট্ৰেক আদালতত কৰা, অভিযুক্তক জামিন নিদিয়া, ধৰ্ষণ আৰু হত্যাৰ বাবে মৃত্যুদণ্ডৰ উপৰি সাক্ষীসকলক বিশেষ সুৰক্ষা প্ৰদান কৰা আদি বিষয়সমূহত জোৰ দিবলৈ বিধায়ক সিঙে আদিত্যনাথক আহ্বান জনায়। ফৌজদাৰী প্ৰক্ৰিয়াগত আইনৰ সংশোধনৰ দাবী জনাই সিঙে কয় যে 'লাভ জেহাদ'ৰ ক্ষেত্ৰত প্ৰলোভনৰ সংজ্ঞা বহল কৰাৰ প্ৰয়োজন আছে আৰু ইয়াত বিবাহ বা দাম্পত্য সম্পৰ্কৰ প্ৰতিশ্ৰুতি বা সেই সম্পৰ্কৰ মাজত বাস কৰাসকলকো অন্তৰ্ভুক্ত কৰিব লাগে । বিধায়কজনে আদিত্যনাথলৈ লিখা পত্ৰৰ এটা প্ৰতিলিপি কেন্দ্ৰীয় আইন মন্ত্ৰী কিৰেন ৰিজিজুলৈও প্ৰেৰণ কৰিছে। শাসকীয় দলৰ বিধায়কজনে পত্ৰখনত উল্লেখ কৰিছে— 'দিল্লী চহৰত এজন মুছলমান ব্যক্তিয়ে তেওঁৰ হিন্দু প্ৰেমিকাক নিৰ্মমভাৱে হত্যা কৰি মৃতদেহ ৩৫ টুকুৰা কৰি কাটি দিয়াৰ ঘটনাই শেহতীয়াকৈ সমগ্ৰ দেশত হোৱা 'লাভ জেহাদ' অপৰাধৰ কথা মনত পেলাই দিয়ে'। তেওঁ কয় যে তেওঁ ব্যক্তিগতভাৱে সমাজৰ বিভিন্ন শ্ৰেণীৰ সৈতে জড়িত হৈ আছে আৰু মুখ্যমন্ত্ৰীৰ বিবেচনাৰ বাবে তেওঁলোকৰ চিন্তাধাৰা সংবহন কৰিছে। বিধায়কজনে কয় যে আইনসভাৰ জৰিয়তে আইনখন সংশোধন কৰাটো প্ৰয়োজনীয়, যিদৰে অতীতত কৰা হৈছিল 'মহিলাৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আৰু ইয়াৰ দ্বাৰা ৰাজহুৱা শৃংখলা বজাই ৰখাৰ বাবে' এনে কৰাটো প্ৰয়োজনীয় হৈ পৰিছে বুলি সিঙে পত্ৰখনত উল্লেখ কৰে। সিঙে দিল্লীৰ শ্ৰদ্ধা ৱালকাৰৰ হত্যাৰ কথা পত্ৰখনত বিশেষভাৱে উল্লেখ কৰে। বিজেপি বিধায়কগৰাকীয়ে কয়, 'ভৱিষ্যতে এনে ধৰণৰ অপৰাধৰ পুনৰাবৃত্তি যাতে নহয় তাৰ বাবে আমি তদন্ত আৰু বিচাৰৰ বাবে সময়সীমা নিৰ্ধাৰিত কৰাটো প্ৰয়োজনীয়। যাতে অপৰাধ পঞ্জীয়ন আৰু তাৰ পিছত ৬০ দিনৰ ভিতৰত তদন্ত সম্পূৰ্ণ হয় আৰু ৬০ দিনৰ ভিতৰত বিচাৰ সম্পূৰ্ণ কৰিব পৰা যায়। তেওঁ লগতে উত্তৰ প্ৰদেশ ধৰ্মান্তকৰণ প্ৰতিৰোধ আইন (ইউপিপিচিআৰএ), ২০২১ ৰূপায়ণ কৰাৰ বাবে ৰাজ্য চৰকাৰক প্ৰশংসা কৰে আৰু জঘন্য অপৰাধৰ মোকাবিলা কৰাৰ বাবে এই আইনখনৰ পৰিসৰ বহল কৰাৰ প্ৰয়োজনীয়তা আছে বুলি উল্লেখ কৰে।

## মৰিগাঁৱৰ বৰচলাত গঁড়ৰ খড়্গসহ গ্ৰেপ্তাৰ এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেচামাৰী, ১৭ নৱেম্বৰ ঃ** মৰিগাঁও আৰক্ষীৰ চোৰাংচোৰা আৰু বৰচলা আৰক্ষীৰ এক যৌথ অভিযানত সন্দেহজনক গঁড়ৰ খড়্গসহ এজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আটকাধীন ব্যক্তিজন মৰিগাঁও জিলাৰ বৰচলা থানাৰ অন্তৰ্গত লাহৰিপাম গাঁৱৰ নুৰ মুহাম্মদ বুলি জানিব পৰা গৈছে। মৰিগাঁও আৰক্ষীৰ চোৰাংচোৰা আৰু বৰচলা আৰক্ষীৰ অভিযানটোত তিনিটা মিথোন গৰুৰ শিং আৰু এটা সন্দেহজনক গঁড়ৰ খড়্গসহ কিছুমান অবৈধ সামগ্ৰী জব্দ কৰে অভিযানকাৰী দলটিয়ে। ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা নুৰ মুহাম্মদক সোধা-পোছাৰ বাবে মৰিগাঁও সদৰলৈ স্থানান্তৰ কৰিছে বুলি জানিব পৰা গৈছে।

### শিৱসাগৰত সদৌ অসমভিত্তিক ভাওনা প্ৰতিযোগিতা

## ৰাস মহোৎসৱক লৈ উখল-মাখল পৰিৱেশ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৭ নৱেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মধুৰ জীকিৰ ৰচনাৰে সমন্বয়ৰ সেঁতু গঢ়া আজান ফকীৰৰ পূণ্য ভূমিত আকৌ এবাৰ বাজি উঠিছে সমন্বয় আৰু মানৱতাৰ জয়গান। বৃহত্তৰ জয়সাগৰ অঞ্চলৰ ৩৫খন গাঁৱৰ ৰাইজ আৰু জয়সাগৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত তথা শিৱসাগৰবাসীৰ সহযোগত শিৱসাগৰ জিলাৰ ঐতিহাসিক জয়সাগৰত ২০ নৱেম্বৰৰ পৰা ২৭ নৱেম্বৰলৈকে সাতদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া সদৌ অসম ভাওনা প্ৰতিযোগিতা আৰু ৰাস উদযাপনক লৈ পৰিলক্ষিত হৈছে এই সমন্বয়ৰ পৰিবেশৰ। জয়সাগৰস্থিত পৰাগধৰ চলিহা সোঁৱৰণি ষ্টেডিয়ামত সাত দিনীয়াকৈ অনুষ্ঠিত হব লগীয়া এই ৰাস আৰু ৰাজ্যিক ভিত্তিক ভাওনা প্ৰতিযোগিতাক লৈ আয়োজক সমিতিয়ে যুদ্ধকালীন তৎপৰতাৰে চলাই অহাৰ সময়তেই ভাওনাস্থলীত দেখা গৈছে এক অপূৰ্ব সমন্বয়ৰ নিদৰ্শন। ভাওনা স্থলীত দিনে নিশাই বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়াই আহিছে স্থানীয় ইছলাম ধৰ্মী যুৱকসকলে। সাতদিনীয়া ভাওনা কাৰ্যসূচীৰ দুটা দিনত দুসাজ সিদ্ধ আহাৰ জয়সাগৰ যুৱ জামাত আৰু ষ্টেচন ছাৰিআলি যুৱ জামাতে আগবঢ়ায়। ইতিমধ্যে যুৱ জামাতৰ তৰফৰ পৰা আদৰণী তোঁৰণ নিৰ্মাণৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছে । স্মৰ্তব্য যে ভাওনা, ৰাস মহোৎসৱৰ সফলতা কামনা কৰি কাইলৈ পৱিত্ৰ জুম্মা নামজাৰ পিছতেই স্থানীয় ইছলামধৰ্মী ৰাইজে নিৰ্মিয়মান মণ্ডপৰ সমীপতেই এক ৰাজহুৱা দোৱা অনুষ্ঠিত কৰিব বুলি উদ্‌যাপন সমিতিয়ে জানিবলৈ দিছে। ইফালে সুবিশাল পৰাগ চলিহা সোঁৱৰণী ষ্টেডিয়ামত মণ্ডপ নিৰ্মাণৰ কামও প্ৰায় আশী শতাংশ সম্পুৰ্ণ হৈছে ।ভাওনা, ৰাসৰ লগতে হাজাৰ হাজাৰ দশক সমবেত হ'ব পৰাকৈ বিশাল মণ্ডপৰ নিৰ্মাণ কাৰ্য দিনে নিশাই অব্যাহত আছে। মূল মণ্ডপৰ লগতে নামঘৰ, জিৰণি গৃহ, যান বাহণৰ বাবে পাৰ্কিং আস্থান, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, পৰ্যাপ্ত শৌচাগাৰ ইত্যাদি গুৰুত্বপূৰ্ণ আনুসাংগিক কামসমূহ প্ৰায় সম্পুৰ্ণ হৈ উঠিছে। আঠখন উপ সমিতিৰে পৰিৱেষ্টিত আয়োজক সমিতিয়ে ইতিমধ্যে মূল মণ্ডপৰ সমীপতেই অস্থায়ী কাৰ্যালয় নিৰ্মাণ কৰি সকলো কামৰ তদাৰক কৰি আহিছে। উল্লেখ্য অসমৰ বিভিন্ন স্থানত অনুষ্ঠিত ৰাজ্যিক ভিত্তিক ভাওনা প্ৰতিযোগিতাত শ্ৰেষ্ঠতা অৰ্জন কৰা মুঠ ১০টা দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ প্ৰায় নিশ্চিত হৈ পৰিছে। উদ্‌যাপন সমিতিৰ তৰফৰ পৰা প্ৰকাশ পোৱা অনুসৰি প্ৰথম দুটা দিনত ৰাস উদ্‌যাপন কৰা হ'ব। ইয়াৰ পৰৱৰ্তী দিনকেইটাত দৈনিক দুখনকৈ অৰ্থাৎ পাঁচটা দিনত মুঠ ১০ খন ভাওনা প্ৰদৰ্শন কৰা হ'ব। আনহাতে অসম ভিত্তিক ভাওনা প্ৰতিযোগিতা আৰু ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি উক্ত দিনকেইটাত প্ৰথমবাৰৰ বাবে গীতা, শ্লোক, ব্যাখ্যা আৰু পাঠৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বৃহত্তৰ জয়সাগৰৰ ৩৫খন গাঁৱৰ ৰাইজ আৰু জয়সাগৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত তথা শিৱসাগৰবাসীৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া সাতদিনীয়া ভাওনা প্ৰতিযোগিতা আৰু ৰাস উদ্‌যাপনৰ অন্তিম দিনা পুৰস্কাৰ বিতৰণ কাৰ্যসূচীত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। উদ্‌যাপন সমিতিৰ সভাপতি ড° সব্যসাচী মহন্ত আৰু যুটীয়া সম্পাদকদ্বয় চিতু বৰুৱা আৰু নিতুল শইকীয়াই অহা ২০ নৱেম্বৰৰ পৰা সাতদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই বৰ্ণাঢ্য কাৰ্যসূচীত শিৱসাগৰ জিলাৰ লগতে সমগ্ৰ অসমবাসী ৰাইজৰ উপস্থিতি, সহায়-সহযোগিতা কামনা কৰিছে।

## অৰণ্য মানৱ যাদৱ পায়েঙলৈ নতুন সংবাদ গোষ্ঠীৰ 'অৰণ্য ৰত্ন বটা-২০২২'

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ১৭ নৱেম্বৰ ঃ** সমগ্ৰ দেশ তথা ৰাজ্যৰ লগতে জাগীৰোডতো সাপ্তাহিক কাকত 'অসমীয়া নতুন সংবাদ' গোষ্ঠীৰ উদ্যোগত আয়োজন কৰা হয় ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। কাকতখনৰ বৰ্ষপূৰ্তি অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা এই অনুষ্ঠানত উপস্থিত থাকে অৰণ্য মানৱ যাদৱ পায়েং। উক্ত অনুষ্ঠানত পদ্মশ্ৰী বঁটাপ্ৰাপক যাদৱ পায়েঙক সংবাদ গোষ্ঠীটোৱে প্ৰদান কৰে 'অৰণ্য ৰত্ন বঁটা-২০২২'। একেদৰে জাগীৰোড অঞ্চলৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি, সাহিত্যিক আৰু সাংবাদিকৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ কেইবাগৰাকী যুৱ সাংবাদিকক সম্বৰ্ধনা জনায় কাকত গোষ্ঠীটোৱে। উক্ত অনুষ্ঠানত উপস্থিত থাকি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে অৰণ্য মানৱ যাদৱ পায়েঙে। সংবাদ মাধ্যম নহ'লে দেশ তথা জাতিৰ উন্নতি কেতিয়াও সম্ভৱ নহয় বুলি মন্তব্য কৰি পৃথিৱীখন সেউজীয়া কৰি ৰখাৰ স্বাৰ্থত প্ৰতিগৰাকী সাংবাদিক আৰু নৱ-প্ৰজন্মই নিজৰ জন্মদিনত এজোপা গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। আনহাতে, অপহৰণ কাণ্ডৰ বাবে আলফা নেতা পৰেশ বৰুৱাক ধমক দিয়াৰ লগতে অপহৃতক মুকলি কৰি দিয়াৰ কথাও সাংবাদিকৰ সৈতে ব্যক্ত কৰে যাদৱ পায়েঙে। ইফালে একাংশ আন্দোলনকাৰীক কটাক্ষ কৰি প্ৰাপ্তবয়স্ক নোহোৱালৈকে আন্দোলন নকৰিবলৈ নৱ-প্ৰজন্মক আহ্বান জনোৱাৰ লগতে অসম আন্দোলনৰ পৰা 'কা' আন্দোলনলৈ কেৱল নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰৰ মৃত্যু হোৱা বুলি আক্ষেপ প্ৰকাশ কৰে প্ৰকৃতিপ্ৰেমীগৰাকীয়ে। আনহাতে, প্ৰাথমিক পৰ্যায়ৰ পৰাই পৰিৱেশ বিজ্ঞান বিষয়টো বাধ্যতামূলক কৰি পৃথিৱীৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ চৰকাৰক আহ্বান জনায় অৰণ্য মানৱ যাদৱ পায়েঙে।

### অৱসান হ'ল ক'ভিডৰ আতংক

# বিমান যাত্ৰীৰ বাবে বাধ্যতামূলক নহয় মাস্ক



**নতুন দিল্লী, ১৭ নৱেম্বৰ ঃ** এতিয়াৰ পৰা আৰু বিমান যাত্ৰাৰ সময়ত যাত্ৰীসকলে বাধ্যতামূলকভাৱে মাস্ক পৰিধান কৰিব নালাগে। দেশত ক'ভিদ পৰিস্থিতি ক্ৰমে শাম কটাৰ প্ৰতি লক্ষ্য ৰাখি অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে আজি এই ঘোষণা কৰিছে।ক'ভিদকালীন সময়চোৱাত যাত্ৰীৰ বাবে মাস্ক বাধ্যতামূলক কৰাৰ পিছৰে পৰা বৰ্তমানলৈকে এই নিয়ম প্ৰযোজ্য হৈ আছিল।দেশৰ এয়াৰলাইন সমূহলৈ দিয়া এক নিৰ্দেশনাত মন্ত্ৰালয়ে ক'ভিদ ব্যৱস্থাপনা সন্দৰ্ভত চৰকাৰৰ শেহতীয়া নীতিৰ আধাৰত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে।অৱশ্যে মাস্ক ব্যৱহাৰ বাধ্যতামূলক নহ'লেও ক'ভিদৰ পৰা উদ্ভৱ হ'ব পৰা ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি পৰাপক্ষত যাত্ৰীসকলে মাস্ক পৰিধান কৰা উচিত বুলি মন্ত্ৰালয়ে উল্লেখ কৰে।উল্লেখ্য যে শেহতীয়া চৰকাৰী তথ্য অনুসৰি দেশত সক্ৰিয় ক'ভিদ সংক্ৰমিত ৰোগীৰ সংখ্যা মাত্ৰ ০০০২ শতাংশ। আনহাতে ক'ভিদৰ পৰা আৰোগ্য হোৱা ৰোগীৰ হাৰ ৯৮.৭৯ শতাংশলৈ বৃদ্ধি পাইছে।

# গুজৰাটত কংগ্ৰেছ বিধায়কৰ পদত্যাগ

## বিধানসভাৰ অধ্যক্ষৰ ওচৰত দাখিল পদত্যাগ-পত্ৰ

**আহমেদাবাদ, ১৭ নৱেম্বৰ ঃ** গুজৰাট বিধানসভাৰ নিৰ্বাচনী সূচী ঘোষণা কৰাৰ পিছত ৰাজনৈতিক দলবোৰৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। আনহাতে এনে ব্যস্ততাৰ মাজতে কংগ্ৰেছৰ এজন বিধায়কে দলীয় সদস্যপদ আৰু বিধানসভাৰ বিধায়কপদ ত্যাগ কৰিছে। এই বিষয়টোৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে বৃহস্পতিবাৰে বিধানসভাৰ অধ্যক্ষ ডাঃ নিমাবেন আচাৰ্যৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰিছে। তেওঁ বিজেপি দলত যোগদান কৰিব বুলি ধাৰণা কৰিছে। ২০১৭ চনৰ পৰা বৰ্তমানলৈকে মুঠ ১৮ জন কংগ্ৰেছ বিধায়কে এনেদৰে দল ত্যাগ কৰিছে। উল্লেখ্য যে বিধায়কজনৰ নাম হ'ল ভাগাভাই বাৰাদ, তেওঁ জোনাগড় জিলাৰ তালাল বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল। উল্লেখ্য যে যোৱা বৃহস্পতিবাৰে গুজৰাট বিধানসভাৰ নিৰ্বাচনী সূচী ঘোষণা কৰিছিল। বৰ্তমান ৰাজ্যখনত দুই দশকতকৈয়ো অধিক কাল বিজেপিৰ শাসন চলি



আছে। অহা ১ আৰু ৫ ডিচেম্বৰ তাৰিখে দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইতিমধ্যে কংগ্ৰেছৰ ২৬ জন জ্যেষ্ঠ নেতাই বিদ্ৰোহ কৰি বিজেপিত যোগদান কৰিছে। ফলত কংগ্ৰেছৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰ আৰু বিজেপিৰ দলীয় তত্বাৱধায়ক সুধন সিঙৰ উপস্থিতিত কংগ্ৰেছ ত্যাগী নেতাসকলে বিজেপিত যোগদান কৰিছে। ছিমলা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সঞ্জয় সুদ এই যোগদান কাৰ্যসূচীত উপস্থিত আছিল। ২০১৭ চনৰ নিৰ্বাচনত ১৮২ জনীয়া গুজৰাট বিধানসভাত বিজেপিয়ে ৯৯ আসনৰ বিপৰীতে কংগ্ৰেছে ৭৭ আসনত জয়লাভ কৰিছিল। কিন্তু বিগত পাঁচ বছৰত ইজনৰ পিছত সিজনকৈ কংগ্ৰেছ বিধায়কে দল ত্যাগ কৰিছে। আজি দল ত্যাগ কৰা ভাগাভাই বাৰাদ হ'ল অষ্টাদশ গৰাকী নেতা তথা বিধায়ক। গতিকে এই পদত্যাগে নিশ্চিতভাৱে আগন্তুক নিৰ্বাচনত কংগ্ৰেছক অধিক বিপদৰ মাজলৈ ঠেলি দিব বুলি চৰ্চিত হৈছে।



অহা ২৪ নৱেম্বৰত ভাৰত আৰু গাল্‌ফ কৰ্পৰেচন কাউন্সিলৰ মাজত মুক্ত বাণিজ্য আৰু আদান-প্ৰদানৰ বাবে বুজাবুজি চুক্তি স্বাক্ষৰ হ'ব, ফলত ভাৰতীয় উপ-মহাদেশ আৰু গাল্‌ফ দেশসমূহৰ মাজত বাণিজ্যিক সম্প্ৰসাৰণ দ্ৰুততৰ হ'ব বুলি ভাৰত চৰকাৰে আশা প্ৰকাশ কৰিছে

# মঞ্চতে অসুস্থ হৈ পৰিল কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী

## আধাৰশিলা স্থাপনৰ কাৰ্যসূচীত অঘটন



**নতুন দিল্লী, ১৭ নৱেম্বৰ ঃ** কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ বিভাগৰ মন্ত্ৰী নীতিন গাডকাৰী শিলিগুৰিত এক অনুষ্ঠানত অংশ গ্ৰহণ কৰি অসুস্থ হৈ পৰিছে। মন্ত্ৰীগৰাকীয়ে চাৰিলেনযুক্ত পথ এটাৰ আধাৰশিলা স্থাপন কৰিবলৈ আহিছিল।বালাচানৰ পৰা চেৱাক কেণ্টনমেণ্টলৈ চাৰিলেন পথৰ আধাৰশিলা অনুষ্ঠানলৈ আহিছিল গাডকাৰী। তেওঁ সেই পথটোৰ আধাৰশিলা স্থাপন অনুষ্ঠানলৈ অহাৰ সময়তে হঠাতে অসুস্থ হৈ পৰে।সূত্ৰ অনুসৰি, মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে গাডকাৰীৰ অসুস্থতাৰ বিষয়ে খবৰ লয়। তেওঁ শিলিগুৰিৰ আৰক্ষী অধীক্ষকক তেওঁৰ চিকিৎসাৰ বাবে সকলো ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে।জানিব পৰা গৈছে যে অনুষ্ঠানটোত কথা কোৱাৰ সময়ত তেওঁ অস্বস্তি অনুভৱ কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁক লগে লগে মঞ্চৰ পৰা উলিয়াই গ্ৰীণৰুমলৈ নিয়া হয়। প্ৰাথমিক চিকিৎসা প্ৰদানৰ পিছত তেওঁক স্থানীয় সাংসদ ৰাজু বিস্তাৰৰ ঘৰলৈ লৈ যোৱা হৈছে।ধাৰণা কৰা হৈছে যে ছুগাৰ লেভেল হ্ৰাস পাই যোৱাৰ বাবেই নীতিন গাডকাৰী অসুস্থ হৈ পৰিছে। সূত্ৰ সমূহৰ মতে, তেওঁৰ দিনটোৰ আন সকলো কাৰ্যসূচী বাতিল কৰি তেওঁক দিল্লীলৈ ওভতাই নিয়া হ'ব। শিলিগুৰিৰ বিশেষজ্ঞ চিকিৎসকসকলে বৰ্তমান তেওঁক পৰ্যবেক্ষণত ৰাখিছে। তেওঁলোকেই গাডকাৰীৰ চিকিৎসা কৰিছে।নীতিন গাডকাৰী বৃহস্পতিবাৰে পুৱা প্ৰায় ১১ বজাত শিলিগুৰিত আহি উপস্থিত হৈছিল। দাৰ্জিলিং চাৰিআলিৰ ওচৰৰ দাগাপুৰ খেলপথাৰত তেওঁৰ এখন ৰাজহুৱা সভা আছিল। বালাচানৰ পৰা সেৱক কেণ্টনমেণ্টলৈ চাৰি লেনৰ পথটো ১,০০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হ'ব। ইয়াৰেই আধাৰশিলা স্থাপন অনুষ্ঠানলৈ আহিছিল কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰী।

# ৰাজস্থান কংগ্ৰেছত বিসম্বাদ, অপসাৰিত হ'ব নেকি মুখ্যমন্ত্ৰী অশোক গেহলট

## তত্ত্বাৱধায়ক অজয় মাকেনৰ পদত্যাগক লৈ অস্বস্তিত শীৰ্ষ মহল

**জয়পুৰ, ১৭ নৱেম্বৰ ঃ** কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ সময়ত ৰাজস্থানৰ ৰাজনীতি আলোচনাৰ কেন্দ্ৰ বিন্দু হৈ পৰিছিল। ৰাজ্য খনৰ মুখ্যমন্ত্ৰী অশোক গেহলটে সভাপতি নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ পদ এৰি দিব বুলি কথা ওলোৱাৰ পিছতে মুখ্যমন্ত্ৰীৰ চকী খনকলৈ তুমুল টনা-আজোৰা আৰম্ভ হৈছিল। অৱশ্যে গেহলটে পিছত সভাপতি পদত প্ৰতিদ্বন্দ্বিতা নকৰে



বুলি ঘোষণা কৰাৰ পিছতে পৰিস্থিতি কিছু শান্ত হৈছিল।সেই সময়ত আৰম্ভ হোৱা ৰাজনৈতিক অচলাৱস্থাৰ পাৰ্শ্বক্ৰিয়া পিছে এতিয়াও অব্যাহত আছে। তাৰেই প্ৰমাণ হিচাবে কংগ্ৰেছ নেতা অজয় মাকেনে দলৰ ৰাজস্থানৰ দায়িত্বৰ পৰা পদ ত্যাগ কৰিছে। বিশেষ সূত্ৰই জনাইছে যে ছেপ্টেম্বৰৰ শেষৰ ফালে মুখ্যমন্ত্ৰী অশোক গেহলটে শেষ মুহূৰ্তত কংগ্ৰেছ সভাপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ গৈ পদ ত্যাগ কৰিবলৈ অস্বীকাৰ কৰাৰ সময়তে মাকেন অসন্তুষ্ট হৈ পৰিছিল।তাৰেই পৰিণতিত তেওঁ পদত্যাগ কৰা বুলি ধাৰণা কৰা হৈছে।উল্লেখ্য ইয়াৰ পূৰ্বে গেহলটৰ অনুগত ৯০ জনতকৈও অধিক বিধায়কে দলৰ এক গুৰুত্বপূৰ্ণ বৈঠকত উপস্থিত থাকিবলৈ অস্বীকাৰ কৰিছিল। তেওঁলোকে কংগ্ৰেছৰ সভাপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিলে ৰাজস্থানত গেহলটক তেওঁৰ প্ৰতিদ্বন্দ্বী শচীন পাইলটৰ প্ৰতিপক্ষ ৰূপে প্ৰক্ষেপ কৰাৰ ভাবুকি দিছিল।মাকেনে আশা কৰিছিল যে দলটোৱে বিধায়কসকলৰ বিৰুদ্ধে ব্যৱস্থা ল'ব, কিন্তু তেনে কোনো ঘটনা নঘটিল। ফলত তেওঁ কংগ্ৰেছৰ ৰাজস্থানৰ দায়িত্বৰ পৰা পদ ত্যাগ কৰাৰ সিদ্ধান্তত গ্ৰহণ কৰে। পদত্যাগ পত্ৰখনত মাকনে কয়, "যোৱা তিনি প্ৰজন্ম ধৰি কংগ্ৰেছৰ আদৰ্শৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি আহিছো। ৪০ বছৰতকৈও অধিক সময় ধৰি সক্ৰিয় ৰাজনীতিত থকাৰ বাবেই মই সদায় ৰাহুলজীৰ এজন উৎসাহী অনুগামী হৈ থাকিম, যাক মই বিশ্বাস কৰোঁ।"পত্ৰখনত মাকেনে কয় যে তেওঁ ট্ৰেড ইউনিয়ন আৰু অলাভজনক বিষয়ৰে জৰিয়তে কামত কামত মনোনিবেশ কৰিব বিচাৰে। তেওঁ বায়ু প্ৰদূষণৰ বিষয়টোত অধিক গুৰুত্ব দিব বিচাৰে। পথৰ কাষৰ বিক্ৰেতা আৰু বস্তিবাসীসকলৰ অধিকাৰৰ বাবেওঁ তেওঁ যুঁজ দি যাব।কেন্দ্ৰীয় মন্ত্ৰী আৰু ৰাজ্যিক মন্ত্ৰী হিচাপে তেওঁ এনেবোৰ বিষয়ত গুৰুত্ব দিছিল বুলিও কয়।উল্লেখ্য মাকনে দলটোক ডিচেম্বৰৰ প্ৰথম সপ্তাহৰ আগতে ৰাজস্থানৰ নতুন ভাৰপ্ৰাপ্ত বিষয়া নিয়োগ কৰিবলৈ কৈছিল।৪ ডিচেম্বৰত ৰাজ্য খনত এটা উপ-নিৰ্বাচনো আছে। ছেপ্টেম্বৰৰ সংকটৰ সময়ত মাকেনে তিনিজন বিধায়কৰ বিৰুদ্ধে ক্ৰমে মহেশ যোশী, ধৰ্মেন্দ্ৰ ৰাঠৌৰ, আৰু শান্তি ধাৰিৱালৰ বিৰুদ্ধে বিশেষভাৱে ব্যৱস্থা ল'বলৈ বিচাৰিছিল। কিন্তু সেয়া কৰাত তেওঁ বাধা পাইছিল।

### মহাৰাষ্ট্ৰত ভাৰত জোড়ো যাত্ৰাত অঘটন

# মঞ্চত ভাৰতৰ জাতীয় সংগীতৰ পৰিৱৰ্তে বাজি উঠিল নেপালী জাতীয় সংগীত



**মুম্বাই, ১৭ নৱেম্বৰ ঃ** ভাৰত জোড়ো যাত্ৰাত পুনৰ তীব্ৰ সমালোচনাৰ পাত্ৰ হ'ল কংগ্ৰেছ। বৃহস্পতিবাৰে মহাৰাষ্ট্ৰত সংঘটিত হ'ল এই অঘটন। ৰাজ্যখনৰ ৱাছিম অঞ্চলত কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী, নেতা কে চি বেণুগোপাল আৰু নানা পাটোলি আদিয়ে সভা সম্পূৰ্ণ কৰি ৰাষ্ট্ৰীয় সংগীতৰ বাবে ঠিয় দিছিল। কিন্তু শব্দযন্ত্ৰত ভাহি আহিল ভাৰতীয় ৰাষ্ট্ৰীয় সংগীতৰ পৰিৱৰ্তে নেপালৰ ৰাষ্ট্ৰীয় সংগীত। যাৰ বাবে কংগ্ৰেছ নেতৃত্ব মহা অস্বস্তিত পৰে। অৱশ্যে খন্তেক পিছতে উক্ত ৰাষ্ট্ৰীয় সংগীত বন্ধ কৰি দিয়া হয়। এই কাৰ্যৰ ভিডিঅ' ইতিমধ্যে ভাইৰেল হৈ পৰিছে। যাৰ বাবে বিজেপিৰ একাংশ নেতা আৰু কৰ্মীয়ে কংগ্ৰেছ তথা ৰাহুল গান্ধীক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰনবিছে কয় যে ৰাহুল গান্ধীৰ এই পদক্ষেপ নিন্দনীয়। কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব এনে ঘটনাৰ বাবে অস্বস্তিত পৰা বুলি কোৱা হৈছে। ইফালে সভাত মুকলিভাৱে ৰাহুল গান্ধীয়ে বিনায়ক দামোদৰ ছাভাৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। সংবাদ মেলত এখন বিশেষ পত্ৰ দাঙি ধৰে ৰাহুল গান্ধীয়ে। তেওঁ কয় যে ছাভাৰকাৰে ব্ৰিটিছ চৰকাৰলৈ ক্ষমা বিচাৰি পত্ৰ লিখিছিল। নিজকে ব্ৰিটিছ চৰকাৰৰ সেৱক বা ছাৰ্ভেণ্ট হিচাবে অভিহিত কৰিছিল। সদায় ব্ৰিটিছৰ সেৱক হিচাপে থাকি যোৱাৰ সুবিধা দিবলৈ কাতৰ ভাষাৰে অনুৰোধ কৰিছিল। ৰাহুল গান্ধীৰ এই পত্ৰ আৰু সংবাদ বাৰ্তাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শিৱসেনাৰ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই কয় যে ছাভাৰকাৰ সম্পৰ্কত প্ৰকাশ কৰা মন্তব্য তেওঁ সমৰ্থন নকৰে। ৰাহুল গান্ধীয়ে কি কৈছে সেয়া তেওঁৰ নিজৰ কথা। একেটা বিষয়টো মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰীয়েও ৰাহুল গান্ধীক মিছলীয়া আখ্যা দিছে। স্বাধীনতা সংগ্ৰামত কাৰাবাস খটা ছাভাৰকাৰে নিজৰ প্ৰাণ ভিক্ষা কৰি এনেদৰে ব্ৰিটিছ চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰা বুলিও ৰাহুল গান্ধীয়ে প্ৰকাশ কৰা তথ্য গ্ৰহণীয় নহয় বুলি ব্যক্ত কৰিছে। মুঠৰ ওপৰত মহাৰাষ্ট্ৰত ভাৰত জোড়ো যাত্ৰাৰ কাৰ্যসূচীক লৈ তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে।

### জম্মু-কাশ্মীৰত ভয়াৱহ দুৰ্ঘটনা

# খাৰৈত বাগৰি পৰিল যাত্ৰীবাহী বাহন, মহিলাসহ আঠগৰাকী নিহত

**শ্ৰীনগৰ, ১৭ নৱেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ কিষ্টৱাৰত বুধবাৰে সন্ধিয়া সংঘটিত হয় এক ভয়াৱহ দুৰ্ঘটনা। এখন যাত্ৰীবাহী টাটা চুম' যাত্ৰাৰ সময়ত পথৰ কাষত থকা এটা দ খাৰৈত বাগৰি পৰাৰ ফলত চাৰিগৰাকী মহিলাসহ আঠগৰাকী লোক নিহত হয়।কিষ্টৱাৰ আৰক্ষীয়ে ঘটনা সন্দৰ্ভত জানিবলৈ দিয়া মতে দুৰ্ঘটনাগ্ৰস্ত টাটা চুম'খন মাৰৱাহ এলেকাৰ আলিয়াচাৰৰ পৰা টাটাপানী অভিমুখে যাত্ৰা কৰাৰ সময়ত প্ৰায় ৮০০ ফুট দ খাৰৈটোত বাগৰি পৰে। দুৰ্ঘটনাৰ বিষয়ে খবৰ লাভ কৰাৰ পিছত মাৰৱাহ আৰক্ষীয়ে স্থানীয় লোকসকলৰ সৈতে লগে লগে উদ্ধাৰ অভিযান আৰম্ভ কৰে। আৰক্ষীয়ে লগতে উল্লেখ কৰা মতে চাৰিগৰাকী মহিলা আৰু চাৰিগৰাকী পুৰুষসহ আঠগৰাকী লোক ঘটনাস্থলীতে মৃত্যুবৰণ কৰে।ইতিমধ্যে উদ্ধাৰ অভিযানকাৰী দলে দুৰ্ঘটনাস্থলীৰ পৰা মৃতদেহ কেইটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা আৰু অন্যান্য আইনী আনুষ্ঠানিকতাৰ বাবে ওচৰৰ স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰিছে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।ইফালে নিহত আঠগৰাকীৰে সাতগৰাকীক চিনাক্ত কৰা হৈছে। আনহাতে আনগৰাকী অজ্ঞাত ব্যক্তিৰ পৰিচয় উদ্ধাৰৰ বাবে আৰক্ষীয়ে অনুসন্ধান চলাই আছে বুলি জানিব পৰা গৈছে।

### প্ৰাক্তন মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৰ অসহায় স্বীকাৰোক্তি

# ২০২৪ৰ নিৰ্বাচনত ৰাইজে ক্ষমতাত অধিষ্ঠিত নকৰিলে ৰাজনীতি ত্যাগ কৰাৰ ঘোষণা

**কাৰণুল, ১৭ নৱেম্বৰ ঃ** অন্ধ্ৰপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা তেলেগুদেশম পাৰ্টীৰ সভাপতি এন চন্দ্ৰবাবু নাইডুৱে বৃহস্পতিবাৰে নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সম্পৰ্কত অসহায় স্বীকাৰোক্তি প্ৰদান কৰিছে। ৰাজ্যখনত ২০২৪ চনত পুনৰ বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। বিগত নিৰ্বাচনত বেয়াকৈ পৰাজিত হ'ল নাইডু নেতৃত্বাধীন টিডিপি পাৰ্টী। আগন্তুক নিৰ্বাচনত যদিহে তেওঁৰ দলে পুনৰবাৰ ক্ষমতাৰ পৰা বঞ্চিত হয় তেনেহ'লে ব্যক্তিগতভাৱে তেওঁ ৰাজনীতিৰ পৰা অৱসৰ ল'ব বুলি আজি ঘোষণা কৰিছে। যদিহে ৰাজ্যখনৰ জনগণে তেওঁক সমৰ্থন কৰে আৰু ক্ষমতাত অধিষ্ঠিত কৰে তেনেহ'লে ৰাইজৰ মতামত শিৰোধাৰ্য কৰি নিজৰ কৰ্তব্য সম্পন্ন কৰিব। যদিহে



পুনৰ ক্ষমতাৰ পৰা অপসাৰিত কৰে তেনেহ'লে ৰাজনৈতিক জীৱন ত্যাগ কৰিব। উল্লেখ্য যে ১৭৫ জনীয়া অন্ধ্ৰপ্ৰদেশ বিধানসভাত বৰ্তমান তেলেগুদেশমৰ ২৩ জন বিধায়ক আছে। ইফালে শাসকীয় ৰাই এছ আৰ কংগ্ৰেছ দলে বিগত বৰ্ষৰ ৯ নৱেম্বৰ তাৰিখে বিধানসভাত বিৰোধী দলপতি তথা তেওঁৰ পত্নীক অপমানিত কৰিছিল। এই গোটেই ঘটনাটোৱে দলীয় কৰ্মীসকলক আজিও মৰ্মাহত কৰি ৰাখিছে। আগন্তুক সময়ত ৰাজ্যখনৰ শিশু আৰু যুৱক-যুৱতীসকলৰ স্বাৰ্থৰ বাবে তেওঁ কাম কৰি যোৱাৰ আশা প্ৰকাশ কৰিছে। গতিকে দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে অন্ধ্ৰপ্ৰদেশক উন্নীত কৰিবলৈ তেওঁ প্ৰতিশ্ৰুতিবদ্ধ বুলি ব্যক্ত কৰিছে। তেওঁ কয় যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেওঁৰ বয়স প্ৰায় সমান। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বিডেনৰ বয়স ৭৯ বছৰ। ইমান বেছি বয়সত যদিহে আমেৰিকাৰ দৰে ৰাষ্ট্ৰৰ মুৰব্বী পদত অধিষ্ঠিত হ'ব পাৰে তেনেহ'লে ৭২ বছৰীয়া হৈ তেওঁ কিয় ৰাজনৈতিকভাৱে সক্ৰিয় হৈ নাথাকিব। কিয়নো তেওঁৰ সৈতে একেবয়সৰ মোদী এতিয়া দেশৰ প্ৰধানমন্ত্ৰী হৈ আছে। বৰ্তমান জগনমোহন ৰেড্ডী অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী হৈ আছে আৰু তেওঁৰ কাৰ্যকালত সাধাৰণ ৰাইজ অসন্তুষ্ট হৈ পৰা বুলি ব্যক্ত কৰিছে। ধাৰৰ বোজা বাঢ়ি গৈছে আৰু দেশখনৰ সা-সম্পদবোৰ বহুজাতিক প্ৰতিষ্ঠান আৰু বেংকৰ ওচৰত বন্ধক দিব লগা হোৱা বুলিও প্ৰাক্তন মুখ্যমন্ত্ৰীজনে অভিযোগ কৰিছে।



দক্ষিণৰ নতুনকৈ মুক্তিলাভ কৰা 'কান্তাৰা' শীৰ্ষক চলচ্চিত্ৰখনৰ প্ৰতি দৰ্শকৰ ব্যাপক সঁহাৰিৰ পিছত ছুপাৰষ্টাৰ ৰজনীকান্তে উক্ত চলচ্চিত্ৰৰ মুখ্য চৰিত্ৰত অভিনয় কৰা ঋষভ ছেট্টীক এডাল সোণৰ চেইন উপহাৰ দিছে

# দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনৰ জামিন নামঞ্জুৰ, সংগীসহ কাৰাগাৰতে থাকিব লাগিব দীৰ্ঘদিনৰ বাবে

**নতুন দিল্লী, ১৭ নৱেম্বৰ ঃ** ধনৰ অবৈধ সৰবৰাহৰ গোচৰত এনফোৰ্চমেণ্টৰ দ্বাৰা গ্ৰেপ্তাৰবৰণ কৰাৰ পিছত বিগত পাঁচ মাহতকৈ অধিক কাল কাৰাৰুদ্ধ হৈ থকা আম আদমি পাৰ্টীৰ নেতা তথা দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনৰ জামিন আবেদন বৃহস্পতিবাৰে অগ্ৰাহ্য কৰা হৈছে। দিল্লীৰ ৰৌজ এভিনিউ আদালতে নাকচ কৰিছে এই জামিন আবেদন। ন্যায়াধীশ বিকাশ ঢোলৰ বিচাৰপীঠে জামিন নাকচ কৰি কয় যে তেওঁ মুক্তি লাভ কৰিলে ৰাজনৈতিক ক্ষমতাৰে তথ্যপ্ৰমাণ নষ্ট কৰিব পাৰে। সেয়েহে আদালতে তেওঁৰ জামিনৰ আবেদন অগ্ৰাহ্য কৰিব লগা হ'ল। সত্যেন্দ্ৰ জৈনৰ সৈতে কাৰাগাৰত আৱদ্ধ হৈ আছে অংকুশ জৈন আৰু বৈভৱ জৈন। উল্লেখ্য যে এনফোৰ্চমেণ্টৰ দ্বাৰা তদন্তৰ সময়ত সত্যেন্দ্ৰ জৈনৰ বাসগৃহত ৪.৮১ কোটি টকাৰ অনিয়মৰ তথ্য লাভ কৰিছিল। এই বৃহৎ ধনৰাশি ক'ৰ পৰা আহিল তাক লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে। সমান্তৰালভাৱে আম আদমিৰ এইজন মন্ত্ৰীয়ে আহৰণ কৰা সা-সম্পদৰ সম্পৰ্কত এক উচ্চ পৰ্যায়ৰ তদন্ত হ'ব লাগে বুলি একাংশই ব্যক্ত কৰিছে। ২০১৭ চনৰ পৰাই সত্যেন্দ্ৰ জৈনে দিল্লীৰ আম আদমি চৰকাৰৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ইয়াৰ মাজতে তেওঁক কাৰাৰুদ্ধ কৰি ৰখা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে ৰাজনৈতিক দলটোৱে



# পশ্চিমবংগত সাংসদৰ গাড়ীৰ খুন্দাত প্ৰাণ গ'ল চাৰি বছৰীয়া শিশুৰ, প্ৰতিক্ৰিয়া

**কলকাতা, ১৭ নৱেম্বৰ ঃ** পশ্চিম বংগত এগৰাকী সাংসদৰ গাড়ীৰ খুন্দাৰ ফলত প্ৰাণ হেৰুৱাইছে এটি চাৰি বছৰীয়া শিশোৱে। ৰাজ্যখনৰ মুৰ্ছিদাবাদত আজি এই দুৰ্ঘটনা সংঘটিত হৈছে।মুৰ্ছিদাবাদৰ সাংসদ তথা তৃণমূল কংগ্ৰেছৰ নেতা আবু তাহেৰ খানৰ গাড়ীৰ খুন্দাত শিশুটিৰ মৃত্যু হয়।পথৰ কাষত খেলি থকা শিশুটিয়ে অভিভাৱকৰ অলক্ষিতে খেল এৰি পথৰ মাজলৈ আহে আৰু সাংসদগৰাকীৰ গাড়ীৰ সমুখত অতৰ্কিতে আহি



পৰাৰ ফলত এই শোকাৱহ দুৰ্ঘটনা সংঘটিত হয় বুলি জানিব জানিব পৰা গৈছে।অৱশ্যে শিশুটিক খুন্দা মৰাৰ পিছতে সাংসদ আবু তাহেৰ খানে তাৎক্ষণিকভাৱে নিজৰ গাড়ীতে কাষৰ এখন চিকিৎসালয়লৈ লৈ যায়।কিন্তু আঘাত গুৰুতৰ হোৱাৰ বাবে চিকিৎসালয়ত উপস্থিত হোৱাৰ পাছতে শিশুটিৰ মৃত্যু হয়।চিকিৎসালয়ৰ বাহিৰত সাংবাদিকৰ আগত ঘটনা সন্দৰ্ভত সাংসদ খানে কয়, "শিশুটি হঠাতে আমাৰ বাহনখনৰ সন্মুখলৈ আহি পৰিছিল। আমি তেওঁক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ গৈছিলো। এই শোকাৱহ ঘটনা মোৰ সন্মুখতে ঘটিছিল। হয়তো তেওঁৰ মগজুত আঘাত লাগিছিল।"ইফালে এই শোকাৱহ ঘটনাৰ পাছতে শোকত ভাগি পৰে নিহত শিশুটিৰ পিতৃ-মাতৃ। সাংসদ আবু তাহেৰ খানে এই ঘটনাত শোক প্ৰকাশ কৰি পৰিয়ালটোক উচিত ক্ষতিপূৰণ দিব বুলি প্ৰতিশ্ৰুতি দিয়ে।



অজয় দেৱগন অভিনীত দৃশ্যম চলচ্চিত্ৰৰ দ্বিতীয় খণ্ডৰ শুভমুক্তি হ'ব শুকুৰবাৰে, পৰিচালক অভিষেক পাঠকৰ মতে যদিহে পছন্দৰ চিত্ৰনাট্য লাভ কৰে তেনেহ'লে দৃশ্যম ত্ৰিলোজী নিৰ্মাণৰ বাবে সাজু আছে

# বিহাৰত এনাছথেছিয়া অবিহনে ২৪ মহিলাৰ অস্ত্ৰোপচাৰ

## কৰ্তব্যত গাফিলতি কৰা চিকিৎসকৰ বিৰুদ্ধে তদন্তৰ নিৰ্দেশ

**পাটনা, ১৭ নৱেম্বৰ ঃ** বিহাৰত ঘটিছে এক শিহৰণকাৰী ঘটনা। কোনো ধৰণৰ এনাছথেছিয়া প্ৰয়োগ নকৰাকৈয়ে ২৪ গৰাকী মহিলাৰ অস্ত্ৰোপচাৰ কৰাৰ ঘটনাই এতিয়া সমগ্ৰ ৰাজ্য খনৰ লগতে দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ২০১২ চনতো বিহাৰত কোনো এনাছথেছিয়া প্ৰয়োগ নকৰাকৈ ৫৩ গৰাকী মহিলাৰ অস্ত্ৰোপচাৰ কৰা হৈছিল। উক্ত ঘটনাৰ বাবে আনকি তিনি জন লোকক গ্ৰেপ্তাৰো কৰা হৈছিল। এইবাৰ পুনৰ ঘটিছে একে ধৰণৰ ঘটনা।জানিব পৰা মতে ৰাজ্য খনৰ খাগৰীয়াত ২৪ গৰাকী মহিলাৰ অস্ত্ৰোপচাৰ কোনো এনাছথেছিয়া প্ৰয়োগ নকৰাকৈয়ে কৰা হৈছে।খাগৰীয়া জিলাৰ গ্ৰাম্য স্বাস্থ্য কেন্দ্ৰত মহিলাসকলক বন্ধ্যাকৰণৰ কৰিবলৈ টিউবেকটমী অস্ত্ৰোপচাৰ কৰা হৈছিল। ফলত বিষ-যন্ত্ৰণাত চটফটাবলগীয়া হৈছিল মহিলাসকলে। এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ পিছতে প্ৰশাসনে এক উচ্চ স্তৰীয় তদন্তৰ নিৰ্দেশ দিছে। উল্লেখ্য টিউবেকটমী অস্ত্ৰোপচাৰ কৰাৰ পিছত মহিলাসকলে পিছলৈ গৰ্ভৱতী হ'ব নোৱাৰে। এনাছথেছিয়া ব্যৱহাৰ নকৰাকৈ এনে অস্ত্ৰোপচাৰ কৰিব নোৱাৰি যদিও বিহাৰত সেয়া কৰা হৈছে।ঘটনাৰ প্ৰতিক্ৰিয়াৰ মাজতে খাগৰীয়াৰ জিলা দণ্ডাধীশ আলোক ৰঞ্জন ঘোষে বিষয়টোৰ তদন্ত আৰম্ভ কৰিছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।ইপিনে কেইজনমান চিকিৎসকে দাবী কৰিছে যে সঠিক প্ৰক্ৰিয়া মতেই অস্ত্ৰোপচাৰ কৰা হৈছিল। স্বাস্থ্য কেন্দ্ৰটোৰ এজন বিষয়াই কয়, "এটা ঔষধে সকলোৰে শৰীৰত একেধৰণে কাম কৰিব বুলি অৰ্থ নাই। অস্ত্ৰোপচাৰৰ আগতে অজ্ঞান কৰাৰ ঔষধ প্ৰয়োগ কৰা হৈছিল। কিন্তু কিছুমানৰ ক্ষেত্ৰত ই কাম নকৰিলে।'' সকলো কথা তদন্তৰ পিছতহে স্পষ্ট হ'ব বুলি ধাৰণা কৰা হৈছে।



ঢকুৱাখনাত সোণালী বৰণ ধৰা ধানৰ গচি, বৃহস্পতিবাৰৰ ছবি

# মোৰাঝাৰত আজুৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন

## সাংবাদিক, শিক্ষাবিদ, সমাজ সেৱকক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৭ নৱেম্বৰ ঃ** হোজাইৰ মোৰাঝাৰত সদৌ অসম সাংবাদিক সন্থা চমুকৈ আজুৰ হোজাই জিলা সমিতিৰ উদ্যোগত আৰু বিভিন্ন প্ৰেছ ক্লাবৰ এইবেলি ১৬ নৱেম্বৰ দিনটো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস হিচাপে উদ্‌যাপন কৰা হয়। কাৰ্যসূচী মতে পুৱা ৯ বজাত পতাকা উত্তোলন কৰে জ্যেষ্ঠ সাংবাদিক দিলৱাৰ হুছেইনে, স্মৃতি তৰ্পণ কৰে আজুৰ জিলা সমিতিৰ উপ-সভাপতি আব্দুল হেকিমে, প্ৰদীপ প্ৰজ্বলন কৰে অভ্যৰ্থনা সমিতিৰ সম্পাদক শ্বহিদুল আলমে আৰু সহযোগ কৰে সমূহ সাংবাদিকে। দিনৰ ১০ বজাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লাইভ ৰিপ'ৰ্টিং প্ৰতিযোগিতা অনুষ্ঠিত হয়। তাৰ পিছত দিনৰ ১১ বজাত মূল আলোচনা-চক্ৰ তথা মুকলি সভা আজুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ছাদিকুজ জামানৰ সভাপতিত্বত অনুষ্ঠিত হয়। এই আলোচনা-চক্ৰৰ উদ্বোধনী ভাষণ আগবঢ়াই আজুৰ জিলা সমিতিৰ উপদেষ্টা ইছমাইল আলীয়ে। আলোচনাৰ বিষয় হিচাপে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া বিষয় 'ৰুলছ অৱ মিডিয়া ইন নেচন বিল্ডি' আৰু সাম্প্ৰতিক সময়ত ডিজিটেল মিডিয়াৰ ওপৰত ৰাইজৰ কি দৃষ্টিভংগী? এই বিষয়ত আলোচনা চক্ৰত মুখ্য আলোচক হিচাপে বিশিষ্ট সাংবাদিক নেত্ৰজিৎ বৰা উপস্থিত থাকি বিষয়টোৰ ওপৰত আলোকপাত কৰে। লগতে বিশিষ্ট অতিথি হিচাপে শিক্ষাবিদ মছদ্দৰ আলী লস্কৰ, নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞা, মোৰাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফখৰ উদ্দিন চৌধুৰী, আজমল আই এ এছ একাডেমীৰ প্ৰশিক্ষক অৰুণ পাণ্ডেই বিষয়টোৰ ওপৰত তত্ত্ব গধুৰ আলোচনা আগবঢ়ায়। এই অনুষ্ঠানত স্থানীয় জিলা পৰিষদৰ সদস্য ৰেজিয়া চুলতানা, বিশিষ্ট নাগৰিক অলিউৰ ৰহমান, জ্যেষ্ঠ শিক্ষক আব্দুল মজিদ আৰু যুৱ সমাজ সেৱক তথা অসম জাতীয় পৰিষদৰ নেতা মিনাজ উদ্দিনে ভাষণ আগবঢ়ায়। এই অনুষ্ঠানত ডবকা নগৰ সমিতিৰ সভাপতি মিনাৰা বেগম, সংযুক্ত যুৱ সচেতন মঞ্চৰ সভাপতি বিলাল উদ্দিন, সম্পাদক নুৰ উদ্দিন,পদুমনি জাতীয় বিদ্যালয়ৰ সঞ্চালক নজৰুল ইছলাম, জ্ঞানজ্যোতি একাডেমীৰ অধ্যক্ষ আফচানা বেগম, আমছু নেতা আব্দুল হাচিব, প্ৰয়াত সাংবাদিক মুছলিম উদ্দিন পৰিয়ালৰ হৈ যমুনাপৰীয়া শাখা সাহিত্য সভাৰ উপ-সভাপতি আবু ছুফিয়ান, জ্যেষ্ঠ সাংবাদিক আব্দুল হেকিম আৰু আজুৰ জিলা সমিতিৰ ভালেমান বিষয়ববীয়া উপস্থিত থাকে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি সাংবাদিক জাবেদ আহমেদ আঁত ধৰা বিশেষ সম্বৰ্ধনা অনুষ্ঠান কাৰ্যসূচীত শিক্ষাবিদ হিচাপে ফাইজ মহম্মদ বৰভূঞা, মছদ্দৰ আলী লস্কৰ, ফখৰ উদ্দিন চৌধুৰীক গামোচা, জাপি, সম্বৰ্ধনা-পত্ৰৰে সম্বৰ্ধনা জনোৱাৰ উপৰি সমাজ সেৱকক মোৰাঝাৰ জিলা পৰিষদৰ সদস্য ৰেজিয়া চুলতানা, ডবকা টাউন কমিটীৰ অধ্যক্ষ মিনাৰা বেগম, আমছুৰ হোজাই জিলাৰ উপ-সভাপতি চেলিম উদ্দিন, আশ্ৰাফুল হক আৰু সাংবাদিক শিতানত জ্যেষ্ঠ সাংবাদিক মাহমুদ আলী, জিয়াউৰ ৰহমান, শ্বহিদুল আলম, আজুৰ ছাদিকুজ জামান, গুৱাহাটীৰ পৰা নেত্ৰজিৎ বৰাক বিশেষভাৱে সম্বৰ্ধনা জনাই জীৱন যুঁজত নিজৰ কৰ্মক্ষেত্ৰত আগবাঢ়ি যাবলৈ প্ৰেৰণা দিয়া হয়। লগতে আজমল আই এ এছ একাডেমীৰ অৰুণ পাণ্ডেকো সম্বৰ্ধনা জনোৱা হয়।





# ভাস্কৰ নগৰত বিনামূলীয়া স্বাস্থ্য শিবিৰ সফলতাৰে সম্পন্ন

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** গুৱাহাটী পৌৰ নিগমৰ ৩৭নং ৱাৰ্ডৰ ভাস্কৰ নগৰৰ অৰুণাচল পথস্থিত শ্ৰীশ্ৰীকালী মন্দিৰ প্ৰাংগণত আজি শনিবাৰে গেট হাস্পতালৰ উদ্যোগত আৰু ৩৭নং ৱাৰ্ডৰ পাৰিষদ স্বপ্না দেৱী শৰ্মা তথা বিদ্যা ভাৰতীৰ প্ৰাক্তন ছাত্ৰ পৰিষদ, পূৰ্বোত্তৰ ক্ষেত্ৰৰ সহযোগত লগতে কালী মন্দিৰ পৰিচালনা সমিতিৰ তত্ত্বাৱধানত এটা বিনামূলীয়া স্বাস্থ্য শিবিৰ সফলতাৰে সম্পন্ন হয়। এই শিবিৰটোৰ সংযোজক হিচাপে দায়িত্ব গ্ৰহণ কৰে বিশিষ্ট সমাজ কৰ্মী দিগন্ত চৌধুৰী আৰু বুথ সভাপতি অখিল চক্ৰৱৰ্তীয়ে। আজিৰ স্বাস্থ্য শিবিৰত উপস্থিত থাকে ৩৪নং ৱাৰ্ডৰ পাৰিষদ জোনমণি ডেকা, ৫৩নং ৱাৰ্ডৰ পাৰিষদ লিপিকা পাটোৱাৰী, ভাৰতীয় জনতা পাৰ্টীৰ পূব গুৱাহাটী সমষ্টিৰ মণ্ডল সভাপতি অনুপ বৰ্মন। চিকিৎসা সেৱা আগবঢ়ায় ক্ৰমে ড° মৃন্ময় বৰ্মন, ড° চিম্পী দুৱৰা, ড° জাহ্নৱী শৰ্মা, গেট হাস্পতালৰ মুৰব্বী চিকিৎসক বেদব্ৰত পাঠকৰ হৈ ছিনিয়ৰ মেনেজাৰ ৰাজেন চাংকাকতি আৰু গেট হাস্পতালৰ শুশ্ৰূষা কৰ্মীসকলে। এই শিবিৰত ৰোগীসকলক বিনামূল্যে বিভিন্ন ৰোগৰ ঔষধ আৰু ভিটামিন আদিৰো যোগান ধৰা হয়।

# অভয়পুৰত ইণ্ডিয়ান বেংকৰ 'উত্তৰ গুৱাহাটী' শাখা মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৭ নৱেম্বৰ ঃ** দেশৰ অৰ্থনীতিত ইণ্ডিয়ান বেংকে এক যোগাত্মক অৰিহণা যোগাই আহিছে। ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ ভিতৰত ৰাইজৰ মাজত ইণ্ডিয়ান বেংক এটি জনপ্ৰিয় বেংক প্ৰতিষ্ঠান। গাঁও-চহৰ সকলোতে ইণ্ডিয়ান বেংক এটি পৰিচিত নাম। কামৰূপ জিলাৰ অন্তৰ্গত উত্তৰ গুৱাহাটীৰ অভয়পুৰত আজি ১৬ নৱেম্বৰ বুধবাৰে ইণ্ডিয়ান বেংকৰ উত্তৰ গুৱাহাটী শাখাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ইণ্ডিয়ান বেংক, ইণ্ডিয়ান বেংকৰ কৰ্মচাৰী আৰু গ্ৰাহকসকলক এটা পৰিয়ালৰ দৰে লৈ বেংকিং সেৱাসমূহ আগবঢ়াই আহিছে। মহিলা সবলীকৰণত ইণ্ডিয়ান বেংকৰ বিশেষ ভূমিকা আছে। জনতাৰ ধন সুৰক্ষিত ৰাখি উত্তম সেৱা প্ৰদান কৰা ইণ্ডিয়ান বেংকৰ লক্ষ্য। উত্তৰ গুৱাহাটী শাখাটোৰ যুটীয়াভাৱে উদ্বোধনী কৰে কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লি আৰু ইণ্ডিয়ান বেংকৰ কাৰ্যবাহী সঞ্চালক ইমৰান আমিন চিদ্দিকীয়ে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ইণ্ডিয়ান বেংকৰ কাৰ্যবাহী সঞ্চালক ৰাজেশ কুমাৰ সিং, ফিল্ড জেনেৰেল মেনেজাৰ, গুৱাহাটী, ইণ্ডিয়ান বেংকৰ চন্দনেশ্বৰ গোস্বামী, ইণ্ডিয়ান বেংকৰ জ'নেল মেনেজাৰৰ লগতে উত্তৰ গুৱাহাটী অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলৰ উপৰি শতাধিক স্থানীয় ব্যক্তিয়ে উদ্বোধনী অনুষ্ঠানত ভাগ লয়। ইণ্ডিয়ান বেংকে আগবঢ়োৱা আঁচনিসমূহ অতিকৈ প্ৰশংসনীয়। উত্তৰ গুৱাহাটী অঞ্চলৰ ৰাইজৰ বহুদিনীয়া আশা এটা আজি পূৰণ হ'ল। কাৰণ বৃহত্তৰ উত্তৰ গুৱাহাটীবাসী অঞ্চলৰ গ্ৰাহকে নিতৌ টকা-পইচা লেনদেন তথা আঁচনিসমূহ সহজ লভ্য হ'ব। গ্ৰাহকসকলে পূৰ্বে সন্মুখীন হোৱা বহু সমস্যাৰ অন্ত পৰিল। এতিয়া গুৱাহাটীত থকা তেওঁলোকৰ ইণ্ডিয়ান বেংকৰ একাউণ্ট এই শাখালৈ আনিব পাৰিব। ৰাইজে এই শাখাৰ পৰা ঘৰ বনাবলৈ, দুচকীয়া, চাৰিচকীয়া, শিক্ষা বাবে, দোকান-ব্যৱসায় কৰিবলৈ, খেতিয়কে খেতিৰ বাবে কৃষি ঋণ ল'বলৈ সুবিধা পাব বুলি বেংক কৰ্তৃপক্ষৰ পৰা জানিব পৰা গৈছে।

# যোৰহাট আদৰ্শ সংযুক্ত বিদ্যালয়ত দিগ্‌দৰ্শন প্ৰকাশনৰ 'কিতাপ পঢ়োঁ আহা' অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৭ নৱেম্বৰ ঃ** শিশু দিৱসৰ লগত সংগতি ৰাখি সমাজক এক নতুন বাৰ্তা দিয়াৰ চেষ্টাৰে যোৰহাটৰ দিগ্‌দৰ্শন প্ৰকাশন গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত শিশু আৰু কিশোৰৰ পযেকীয়া আলোচনী 'জ্ঞানজ্যোতি'ৰ সৌজন্যত আৰু যোৰহাটৰ যোৰহাট আদৰ্শ সংযুক্ত বিদ্যালয়ৰ সহযোগত 'কিতাপ পঢ়োঁ আহা' শীৰ্ষক এক ব্যতিক্ৰমী কাৰ্যসূচী সোমবাৰে আয়োজন কৰা হয়। নৱ-প্ৰজন্মক কিতাপৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ চিন্তাৰে আয়োজিত দিনজোৰা এই কাৰ্যসূচীত উপস্থিত সকলোকে গ্ৰন্থৰ টোপোলা প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক কিতাপ পঢ়াৰ লগতে আনকো কিতাপ পঢ়িবলৈ উৎসাহ দিয়াৰ উদ্দেশ্যে দিগ্‌দৰ্শন প্ৰকাশনে ছাত্ৰ-ছাত্ৰীক শিশু আৰু কিশোৰৰ উপযোগী গ্ৰন্থ প্ৰদান কৰা বুলি দিগ্‌দৰ্শন প্ৰকাশনৰ হৈ 'দিগদৰ্শন'ৰ সম্পাদক পংকজ কুমাৰ দাসে জানিবলৈ দিয়ে। উল্লেখ্য যে শিশু দিৱসৰ দিনা দিগ্‌দৰ্শন প্ৰকাশনে প্ৰতি বছৰে ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ শিশু উপযোগী গ্ৰন্থ প্ৰদান কৰি আহিছে। চলিত বৰ্ষৰ এই অনুষ্ঠানটি চৈধ্য নৱেম্বৰত যোৰহাটৰ যোৰহাট আদৰ্শ সংযুক্ত বিদ্যালয়ত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হয়। পুৱা ৮.৩০ বজাৰ পৰা ৩ বজালৈ আয়োজিত এই অনুষ্ঠানত উপহাৰস্বৰূপে ৩০০ শিশুক বিনামূলীয়াকৈ অসমীয়া শিশু সাহিত্যৰ গ্ৰন্থৰ টোপোলা আগবঢ়োৱা হয়। কণ কণ শিশুসকলৰ মাজত চিত্ৰাংকন আৰু প্ৰশ্নোত্তৰ প্ৰতিযোগিতাৰ লগতে কবিতা পাঠ, সাধু কোৱা, নৃত্য প্ৰদৰ্শনৰে জীপাল হৈ উঠা এই অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক তথা দিগ্‌দৰ্শন প্ৰকাশনৰ প্ৰাক্তন সভাপতি ইন্দ্ৰেশ্বৰ দাস, বিশিষ্ট অতিথিৰূপে যোৰহাট চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গৌতম কুমাৰ বৰদলৈ, বিশিষ্ট লেখিকা দীপ্তি বুঢ়াগোহাঁই বৰুৱা, অদিতি দেৱী, বিনুপ্ৰভা কলিতা কাকতি, সাংবাদিক ৰমেন শইকীয়া আদি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়। বিশ্বনাথ জিলাৰ চতিয়াৰ বিশিষ্ট লেখিকা, শিশুপ্ৰেমী লৰণু শইকীয়াক এটি স্মাৰক, গ্ৰন্থৰ টোপোলা আৰু মানপত্ৰৰে 'শিশু মহীয়ান' সন্মানেৰে সন্মানিত কৰাৰ লগতে একেটা অনুষ্ঠানতে দিগ্‌দৰ্শন প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত লৰণু শইকীয়াৰ 'ঈশ্বৰ আৰু ধৰ্ম' শীৰ্ষক এখন গ্ৰন্থও উন্মোচন কৰা হয়। যোৰহাট আদৰ্শ সংযুক্ত বিদ্যালয়ৰ অধ্যক্ষ মৌচুমী বৰুৱা, শিক্ষয়িত্ৰী মীনা শইকীয়ায়ে ভাষণ দিয়া অনুষ্ঠানৰ আঁত ধৰে অৰুন্ধতী দেৱীয়ে।



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা সাংস্কৃতিক অধ্যয়ন কেন্দ্ৰৰ দ্বাৰা পৰিৱেশন কৰা নৃত্যানুষ্ঠান

# বোকাখাতত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দুখনকৈ আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ১৭ নৱেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বোকাখাত জিলা সমিতিৰ অন্তৰ্গত বোকাখাত নগৰ আঞ্চলিক সমিতি আৰু ৰজাবাৰী আঞ্চলিক সমিতিৰ এখন প্ৰতিনিধি সভা দেওবাৰে অনুষ্ঠিত হৈ যায়। এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিয়া মতে, বোকাখাত নগৰ আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাখন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বোকাখাত জিলা সমিতিৰ কাৰ্যালয়ৰ 'জ্যোতি বিষ্ণু' ভৱনত অনুষ্ঠিত হয়। ইয়াৰ সমান্তৰালভাৱে ৰজাবাৰী আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাখন ৰজাবাৰীস্থিত 'শিক্ষক ভৱন'ত অনুষ্ঠিত হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে এক বিবৃতিৰ দ্বাৰা জানিবলৈ দিয়া মতে, অনুষ্ঠিত হোৱা উক্ত প্ৰতিনিধি সভাতেই অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বোকাখাত নগৰ আঞ্চলিক সমিতি আৰু ৰজাবাৰী আঞ্চলিক সমিতিখন নতুনকৈ গঠন কৰা হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক বিপুল বৰাৰ উপস্থিতিত অনুষ্ঠিত উক্ত প্ৰতিনিধি সভাই নয়ন পাঠকক সভাপতি আৰু দুলন বাহকক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১জনীয়া বোকাখাত নগৰ আঞ্চলিক সমিতিখন নতুনকৈ গঠন কৰা হয়। ইপিনে, ৰজাবাৰীস্থিত 'শিক্ষক ভৱন'ত অনুষ্ঠিত হোৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উক্ত প্ৰতিনিধি সভাই বিশ্বজিৎ পূজাৰীক সভাপতি আৰু ধ্ৰুৱজ্যোতি বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১জনীয়া ৰজাবাৰী আঞ্চলিক সমিতিখনো নতুনকৈ গঠন কৰা হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উক্ত প্ৰতিনিধি সভাত উপস্থিত থাকে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক বিপুল বৰা, বোকাখাত জিলা সমিতিৰ সভাপতি নীলোৎপল খাউণ্ড, উপ-সভাপতি প্ৰাঞ্জল ভৰালী, বিত্ত সম্পাদক অভিজিৎ ফুকনৰ লগতে কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে। কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদকৰ উপস্থিতিত নতুনকৈ গঠন হোৱা দুয়োখন আঞ্চলিক সমিতিকে শুভেচ্ছা জ্ঞাপন কৰি অনাগত দিনত সংগঠনটোৰ নীতি-আদৰ্শৰে ৰাইজৰ হকে কাম কৰি যাবলৈ আহ্বান জনায় বোকাখাত জিলা সমিতিৰ সভাপতি নীলোৎপল খাউণ্ডে ।

# মৰিয়নি জিলা কৰ্মচাৰী পৰিষদৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ১৭ নৱেম্বৰ ঃ** মৰিয়নি জিলা কৰ্মচাৰী পৰিষদৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশন আজি কৰঙা গজপুৰীয়া আঞ্চলিক কৰ্মচাৰী পৰিষদৰ উদ্যোগত কৰঙা গজপুৰীয়া হাইস্কুলত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰধান শিক্ষক বিষ্ণু বৰাই। কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলন কৰে মৰিয়নি জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মনোজ কুমাৰ শৰ্মাই। শ্বহীদ তৰ্পণ কৰে ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ক্ষীৰোদ গগৈয়ে। আদৰণী ভাষণ আগবঢ়ায় প্ৰধান শিক্ষক বিষ্ণু বৰাই। প্ৰতিনিধি সভাত সভাপতিত্ব কৰে মনোজ কুমাৰ শৰ্মাই। শিক্ষক ধ্ৰুৱজ্যোতি বৰা আৰু মহেন্দ্ৰ ৰাজখোৱাই আঁত ধৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মৰিয়নিৰ সম্পাদক প্ৰদীপ বৰাই। কেন্দ্ৰীয় কৰ্ণধাৰ সমিতিৰ সদস্য নাজিৰাৰ দিলীপ দত্ত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। এই সভাতেই মনোজ কুমাৰ শৰ্মাক সভাপতি আৰু প্ৰদীপ বৰাক সম্পাদক হিচাপে লৈ বৰ্তমানৰ কাৰ্যনিৰ্বাহক সমিতিখনকে পৰৱৰ্তী কাৰ্যকালৰ বাবে বাহাল ৰখা হয়। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি প্ৰদীপ ৰাজখোৱাই। সভাত কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন উপ-সভাপতি নৃপেন ভূঞা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। মৰিয়নি জিলা কৰ্মচাৰী পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি হিৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ লগতে কৰ্মচাৰী পৰিষদৰ কেইবাগৰাকী বিষয়ববীয়াক সম্বৰ্ধনা জনোৱা হয়। সভাত কুকিল ফুকনক সভাপতি আৰু উৎপল বৰাক সম্পাদক হিচাপে লৈ কৰঙা গজপুৰীয়া আঞ্চলিক কৰ্মচাৰী পৰিষদখন পুনৰ গঠন কৰা হয়। জাতীয় সংগীত পৰিৱেশনেৰে অধিৱেশনৰ সামৰণি পৰে।

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সোৱণশিৰি আঞ্চলিক শাখাৰ বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৭ নৱেম্বৰ ঃ** 'মায়াৰ যোনীৰে আমি জন্ম লৈছোঁ। গতিকে মানৱ জাতি মায়াত মজি থকাটোৱে স্বাভাৱিক। মায়াৰ আন্ধাৰৰ মাজেদিয়েই আমি জ্ঞানৰ পথৰ সন্ধানত গতি কৰিব লাগিব কৃষ্ণ ভকতিৰ জৰিয়তে।' -এই মন্তব্য শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূলৰ প্ৰাক্তন সদস্য তথা শংকৰদেৱ সংঘৰ এগৰাকী অন্যতম প্ৰচাৰক দেৱ গগৈৰ। ১৩-১৫ নৱেম্বৰলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঢকুৱাখনাৰ বাটচ'ৰামুখত অনুষ্ঠিত হৈ যোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ঢকুৱাখনা জিলা শাখাৰ অন্তৰ্গত সোৱণশিৰি আঞ্চলিক শাখাৰ ৩০সংখ্যক বাৰ্ষিক অধিৱেশন আৰু গুৰুজনাৰ ৫৭৪সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ সামৰণী অনুষ্ঠানৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি সু-বক্তা দেৱ গগৈয়ে আই-বাপসকলক উদ্দেশ্যি মুকলি সভাত আৰু কয় যে-'ঐশ্বৰিক চৈতন্য শক্তিৰ অবিহনে আমাৰ এই পাৰ্থিৱ জগতৰ শৰীটোৰ কাম-কাজ সুচল নহয়। আমি মনুষ্যগণে শুদ্ধ চিন্তে পৰম ঈশ্বৰৰ চৰণত নিজক সমৰ্পিত কৰি জীৱন পাত কৰিলেহে আমাৰ মানৱ জীৱন সফল হ'ব।' উল্লেখ্য, দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি প্ৰাতঃ প্ৰসংগৰ পিছতে শৰাই-প্ৰতিষ্ঠা, নাম-কীৰ্তন, সংঘৰ ধৰ্ম ধ্বজা উত্তোলনৰ পিছতে বৰ্ণাঢ্য ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত ভাগৱত পাঠ কৰি যোৱা শোকমুনি, বিষ্ণুৰ অনন্ত শয্যা, ভীষ্মৰ শৰশয্যাকে আদি কৰি অনেক মনোমোহা দৃশ্যৰ অৱতাৰণা কৰা হয় দৰ্শকক আকৃষ্ট কৰিবলৈ। শোভাযাত্ৰা সামৰণিৰ পিছতে দুপৰীয়া ১১ বজাৰ পৰা যুৱ সমাৰোহ আৰু বিয়লি ৩ বজাৰ পৰা সাংস্কৃতিক সমাৰোহৰ কাৰ্যসূচী আৰম্ভ হয়।



মহাবীৰ লাচিন বৰফুকনৰ ৪০০ বছৰীয়া জন্ম-জয়ন্তী উপলক্ষে গায়িকা ড° সংগীতা কাকতি বৰুৱাৰ এটা ভিডিঅ' এলবাম মুকলি কৰিছে, পল্টন বজাৰত

# শিক্ষক ডিম্বেশ্বৰ ভাজনীৰ পৰলোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ১৭ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত দাইচা বৰদলৈ নগৰস্থিত বিজয়লক্ষ্মী মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ডিম্বেশ্বৰ ভাজনীৰ মঙলবাৰে সন্ধিয়া ৮ বাজি ৪০ মিনিটত নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৬৪ চনত অবিভক্ত শিৱসাগৰ জিলাৰ জাঁজি বনাইৰ পৰা কৰ্মসূত্ৰে আহি অতি পিছপৰা দাইচা অঞ্চলত শিক্ষকতাৰ লগতে অঞ্চলটোত বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠান গঢ় দি এগৰাকী অগ্ৰণী সমাজ সংগঠক হিচাপে পৰিচিত হৈ পৰিছিল। শিক্ষকতাৰ কালছোৱাত তেওঁ সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থা, তিনিচুকীয়া জিলা সমিতিৰ চাৰিটা কাৰ্যকালৰ সভাপতিৰ পদ অলংকৃত কৰাৰ লগতে তিনিচুকীয়াৰ সদৰ বৰগুৰিত শিক্ষক সংস্থাৰ স্থায়ী ভৱন নিৰ্মাণ কৰাত মুখ্য ভূমিকা পালন কৰিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৮৩ বছৰ হৈছিল। মৃতকে মৃত্যুৰ সময়ত পত্নীসহ তিনি পুত্ৰ বোৱাৰী, এগৰাকী কন্যা আৰু নাতি-নাতিনী ইহ সংসাৰত এৰি থৈ গৈছে।

# পৰ্বতঝোৰাৰ খুঁটাবাগৰাত ধৰ্মীয় সভাৰ লাইখুঁটা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ১৭ নৱেম্বৰ ঃ** দাৰুল উলুম খুঁটাবাগৰা বৰভিটা হুছাইনীয়া আহমদীয়া মাদ্ৰাছাৰ দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব বাৰ্ষিক ধৰ্মীয় সভা। বি টি আৰৰ কোকৰাঝাৰ জিলা আৰু নামনি অসমৰ ধুবুৰী জিলাৰ সীমামুৰীয়া অঞ্চল খুটাবাগৰাত ১৮ আৰু ১৯ ডিচেম্বৰত অনুষ্ঠিত হব এই ধৰ্মীয় সভা। যাৰ বাবে আজি মাদ্ৰাছাখনৰ ছাত্ৰ-শিক্ষক পৰিচালনা সমিতিৰ লগতে স্থানীয় ৰাইজৰ সহযোগত লাইখুটা স্থাপন কৰে। বাৰ্ষিক সভাখনৰ মুখ্য বক্তা হিচাপে উপস্থিত থাকিব দৰং জিলাৰ মুফতি মকিবুৰ ৰহমান। অহা ডিচেম্বৰ মাহৰ ১৮ তাৰিখে শিক্ষামূলক সজাগতা সভা অনুষ্ঠিত হ'ব আৰু ১৯ ডিচেম্বৰত ধৰ্মীয় সভা অনুষ্ঠিত হ'ব। এই সভাত উপস্থিত থাকিব গৌৰীপুৰৰ বিধায়ক নিজানুৰ ৰহমান, এবিএমছুৰ কেন্দ্ৰীয় সভাপতি আশ্ৰাফুল ইছলাম, আমছুৰ কেন্দ্ৰীয় সভাপতি ৰেজাউল কৰিম সৰকাৰ, ধুবুৰী আদালতৰ জ্যেষ্ঠ অধিবক্তা এন আই চৌধুৰী। এই সভাৰ জৰিয়তে সকলো জাতি - জনগোষ্ঠীৰ মাজত শান্তি - সম্প্ৰীতি আৰু ভাতৃত্ববোধ কঢ়িয়াই অনাৰ কামনা কৰে। লগতে এই ধৰ্মীয় সভাৰ জৰিয়তে বিশ্ববাসীৰ বাবে শান্তি কামনাৰে দোৱা অনুষ্ঠিত হ'ব।

# বঙাইগাঁও মহাবিদ্যালয়ত অসম শিশু সুৰক্ষা অয়োগৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৭ নৱেম্বৰ ঃ** অসম শিশু সুৰক্ষা অয়োগৰ উদ্যোগত বুধবাৰে বঙাইগাঁও মহাবিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত আয়োগৰ অধ্যক্ষ ড° পিলু হাজৰিকা, বঙাইগাঁও জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব তৰুণ দে, মহকুমা আৰক্ষী বিষয়া নিতুমণি দাস, জিলা প্ৰশাসনৰ বিষয়া শ্যামশ্ৰী শইকীয়া আৰু জিলা শিশু সুৰক্ষা বিষয়া বনজিৎ চৌধুৰী, বঙাইগাঁও জিলাৰ বিভিন্ন গাঁও পঞ্চায়তৰ সদস্য, শিক্ষক-শিক্ষয়িত্ৰী, ছুপাৰভাইজাৰ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। সজাগতা সভাত বঙাইগাঁও জিলা আইন সেৱা প্ৰাধিকৰণৰ বিষয়া তৰুণ দে'ই শিশুৰ ওপৰত হোৱা যৌন নিৰ্যাতন আৰু বিভিন্ন আইনী দিশসমূহ নিজৰ বক্তব্যত দাঙি ধৰে। আনহাতে, বঙাইগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীনেশ দাসে শিশু শ্ৰমিকৰ ওপৰত বক্তব্য আগবঢ়ায়। একেখন সভাত মহকুমা আৰক্ষী বিষয়া নিতুমণি দাসে পিঅ'চিএছঅ' আৰু শিশুৰ ওপৰত হোৱা যৌন নিৰ্যাতনৰ বিষয়ৰ ওপৰত বক্তব্য আগবঢ়োৱাৰ লগতে ইয়াৰ আইনী দিশসমূহ দাঙি ধৰে। অনুষ্ঠানৰ অন্তত জিলা শিশু সুৰক্ষা বিষয়া বনজিৎ চৌধুৰীয়ে শলাগৰ শৰাই আগবঢ়াই সজাগতা সভাৰ সামৰণি মাৰে।

# বংকুৱাল অপৰাজিতা শিল্পী গোষ্ঠীৰ ৰাস উৎসৱৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৭ নৱেম্বৰ ঃ** বোকাখাত মহকুমাৰ বানাক্ৰান্ত বংকুৱালত "বংকুৱাল অপৰাজিতা শিল্পী গোষ্ঠী"ৰ সহযোগত আৰু বংকোৱাল উদীয়মান যুৱক সংঘৰ সৌজন্যত বিগত বৰ্ষৰ দৰে এই বৰ্ষৰ ২৬ আৰু ২৭ নৱেম্বৰত দুদিনীয়াকৈ এক ব্যতিক্ৰমী কাৰ্যসূচীৰে বালিচাপৰি নাট্য মন্দিৰত ৰাস উৎসৱ আয়োজন কৰিছে। ইতিমধ্যে প্ৰহ্লাদ লইঙক সভাপতি লুইত কুমাৰ মৰাঙক সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠনেৰে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ২৮ নং ধনশিৰি দিচৈ সমষ্টিৰ সদস্য সুধিৰ চন্দ্ৰ মৰাঙে মঞ্চ উদ্বোধন কৰিবলগীয়া ৰাস উৎসৱত মুল নাটক কংস বধ নাটকখন পৰিচালনা কৰিব অপৰাজিতা শিল্পী গোষ্ঠীৰ উপদেষ্টা পদ্মকান্ত লইং আৰু সৰুধন মৰাঙে।নৃত্য পৰিচালক চিনেশ্বৰ লইঙে পৰিচালনা কৰিব লগা দশ অৱতাৰ, শিশু লীলা আৰু শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস ক্ৰীড়াত গ্ৰাম্য অঞ্চলৰ শিল্পী সকলে নৃত্য, অভিনয় কৰিব।এই বৰ্ষত অপৰাজিতা শিল্পী গোষ্ঠীৰ মঞ্চত ৰাসপ্ৰেমী ৰাইজে ৰাস উৎসৱৰ এক নতুনত্ব বানাক্ৰান্ত বংকুৱালৰ গ্ৰামাঞ্চলৰ নৃত্য-অভিনয়ৰ আমোদ পাব বুলি ৰাস উদ্‌যাপন সমিতিৰ সভাপতি সম্পাদকে জানিবলৈ দিয়াৰ লগতে প্ৰত্যেক বৰ্ষতে ৰাইজৰ বিপুল সঁহাৰি পোৱা ৰাস সমিতিয়ে এই বৰ্ষটো ৰাইজৰ মৰম তথা সহযোগ কামনা কৰিছে ৰাসৰ আখৰা থলীৰ পৰা।

# আম্বানিৰ চিৰিয়াখানাৰ পৰা দুষ্প্ৰাপ্য বন্যপ্ৰাণী ঘূৰাই অনাৰ দাবী

## চিৰিয়াখানা সুৰক্ষা মঞ্চৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৭ নৱেম্বৰ ঃ** নীতি বহিৰ্ভুতভাৱে আম্বানিৰ চিৰিয়াখানালৈ অসম ৰাজ্যিক চিৰিয়াখানাৰ পৰা দুষ্প্ৰাপ্য বন্যপ্ৰাণী সৰবৰাহ কৰা কাৰ্যৰ বিৰুদ্ধে আজি চিৰিয়াখানা সুৰক্ষা মঞ্চই অসম ৰাজ্যিক চিৰিয়াখানাৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য ৮ নৱেম্বৰত অনুষ্ঠিত মঞ্চৰ কাৰ্যনিৰ্বাহক সভাই আম্বানিৰ চিৰিয়াখানালৈ প্ৰেৰণ কৰা বন্যপ্ৰাণী সাত দিনৰ ভিতৰত অসমৰ চিৰিয়াখানালৈ ঘূৰাই আনিবলৈ আৰু ২০১৯ চনৰ পৰা এতিয়ালৈ মুঠ কিমান বন্যপ্ৰাণী আম্বানিৰ চিৰিয়াখানালৈ নিয়া হৈছে, তাৰ এক শ্বেতপত্ৰ প্ৰেৰণ কৰিবলৈ চৰকাৰক দাবী জনাইছিল। এইক্ষেত্ৰত চৰকাৰে কোনো গুৰুত্ব নিদিয়াত মঞ্চৰ জৰুৰী বৈঠকত আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছিল। এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বিজ্ঞপ্তিত মঞ্চৰ সভাপতি দীপক কুমাৰ পাঠক আৰু সাধাৰম সম্পাদক ৰাজকুমাৰ বৈশ্যই কয়— চিৰিয়াখানাক চৰকাৰী উদ্যোগতে বিভিন্ন জন্তুৰ নখ, ছাল, হাড়, জকাকে ধৰি বিভিন্ন দুষ্প্ৰাপ্য আৰু আপুৰুগীয়া জন্তুৰ চোৰাং বেপাৰৰ এক কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰি থকা হৈছে। চিৰিয়াখানা এতিয়া আন্তঃৰাষ্ট্ৰীয় চোৰাংচিকাৰীৰ কৰিডৰত পৰিণত হৈছে। ইয়াৰ বিৰুদ্ধে সমগ্ৰ অসমত প্ৰৱল জনমত গঢ়ি তোলা হ'ব। নেতাদ্বয়ে আৰু কয়— চৰকাৰে চিৰিয়াখানা চলাব নোৱাৰিলে আমি ৰাইজৰ হাতত তুলি দিব লাগে। আম্বানিৰ হাতত চিৰিয়াখানা হস্তান্তৰৰ কথা কোনো কাৰণতে মানি লোৱা নহ'ব বুলি মঞ্চই স্পষ্ট কৰি দিয়ে। জন্তু আদান প্ৰদানৰ ক্ষেত্ৰত বননীতি, বন্যপ্ৰাণী আদান প্ৰদানৰ নীতি আৰু চেণ্ট্ৰেল জু অথৰিটিৰ গাডলাইন সম্পূৰ্ণৰূপে উলংঘা হৈছে বুলি মঞ্চই তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। জন্তু আদান-প্ৰদানৰ চাৰিটা নীতি হৈছে— (১) চিৰিয়াখানাত জন্ম নোহোৱা জন্তু সালসলনি কৰিব নোৱাৰিব। (২) মতা-মাইকী জোৰা লগাই সালসলনি কৰিব নোৱাৰিব। (৩) চিৰিয়াখানাত জন্ম নোহোৱা বাহিৰৰ পৰা অনা জন্তু বিনিময় হ'ব নোৱাৰে আৰু (৪) নিশাৰ আন্ধাৰত জন্তু পঠাব নোৱাৰে। চিৰিয়াখানা ৰক্ষাৰ বাবে ৰাইজৰ লগতে সকলো দল-সংগঠনক মাৰবান্ধি ওলাই আহিবলৈ মঞ্চই সকলোকে আহ্বান জনাইছে চিৰিয়াখানা সুৰক্ষা মঞ্চই। আজিৰ এই প্ৰতিবাদস্থলীত উপস্থিত থাকে মঞ্চৰ নেতৃবৰ্গৰ উপৰিও প্ৰকৃতিপ্ৰেমী মুৰিনা আখতাৰ, চেভ ভৰলুৰ ধ্ৰুৱজ্যোতি শইকীয়া, সনাতন ধৰ্মসভাৰ ৰাজেশ শৰ্মা, অখিল চন্দ্ৰ গোস্বামী, চিৰিয়াখানা পথ জ্যেষ্ঠ নাগৰিক সন্থা।

# এছিয়ান বক্সিং চেম্পিয়নশ্বিপত পদক লাভ কৰা অসমৰ তিনি তাৰকা বক্সাৰক সম্বৰ্ধনা




**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** সদ্য সমাপ্ত এছিয়ান বক্সিং চেম্পিয়নশ্বিপত পদক লাভ কৰা অসমৰ তিনি তাৰকা বক্সাৰক আজি গুৱাহাটীত সম্বৰ্ধনা জনাই অসম এমেচাৰ বক্সিং সন্থাই। এই উপলক্ষ্যে আয়োজিত অনুষ্ঠানত উপস্থিত থাকে ভাৰতীয় বক্সিং ফেডাৰেছনৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতা, ৰাজ্য চৰকাৰৰ মন্ত্ৰী অতুল বৰা, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, ক্ৰীড়া সঞ্চালক নিবেদন পাটোৱাৰী, অসম বক্সিং সন্থাৰ সভাপতি কমল গয়াৰী, ক্ৰীড়া সংগঠক কল্যান গগৈ, ভৱজ্যোতি গোস্বামী আদি। উল্লেখ্য যে অভিলেখ জৰ্দানত হোৱা এছিয়ান চেম্পিয়নশ্বিপত পদক লাভ কৰিছে অসমৰ তিনিগৰাকী বক্সাৰে। প্ৰতিযোগিতাত অলিম্পিক পদকজয়ী লাভলীনা বৰগোহাঁয়ে সোণৰ পদক লাভ কৰে। ফাইনেলত লাভলীনাই ৫-০ ৰ ব্যৱধানত উজবেকিস্তানৰ ৰুজমেতোভা ছ'খিবাক হেলাৰঙে পৰাস্ত কৰি ৭৫ কিলোগ্ৰাম শাখাত প্ৰথমখন আন্তৰ্জাতিক প্ৰতিযোগিতাতে সোণ লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী তথা খেলৰত্ন সন্মান লাভ কৰা প্ৰথম অসমীয়া লাভলীনাই আত্মবিশ্বাসৰে খেলি ছেমিফাইনেলত ৫-০ ৰ ব্যৱধানত পৰাস্ত কৰিছিল কোৰিয়াৰ ছুয়েঅ'ন চেঅ'ঙক। আনহাতে, কোৱাৰ্টাৰ ফাইনেলত কাজাখস্তানৰ ভালেণ্টিনা খালজ'ভাৰক ৩-২ ৰ ব্যৱধানত হৰুৱায়। উল্লেখ্য যে লাভলীনাই ৭৫ কিলোগ্ৰাম শাখাত প্ৰথমখন আন্তৰ্জাতিক প্ৰতিযোগিতা খেলিয়ে দেশক পদক দিবলৈ সক্ষম হৈছে। পূৰ্বে লাভলীনাই ৬৯ কিলোগ্ৰামতহে খেলিছিল। ইফালে, দুবাৰকৈ অলিম্পিক খেলা অসমৰ শিৱ থাপাই ফাইনেলত প্ৰৱেশ কৰি স্বৰ্ণ জয়ৰ আশা কৰিছিল যদিও খেলৰ মাজতে পোৱা আঘাতৰ বাবে আধাতে মেচ সামৰাত ৰূপৰ পদকতে সন্তুষ্ট থাকে। শিৱৰ ফাইনেলত প্ৰতিদ্বন্দ্বী আছিল উজবেকিস্তানৰ আব্দুলাভ। উল্লেখ্য যে ছেমিফাইনেলত অসম সন্তান শিৱ থাপাই তাজিকিস্তানৰ বাখ'ডুৰ উছম'ন'ভক ৪-১ ৰ ব্যৱধানত হেলাৰঙে পৰাস্ত কৰি প্ৰতিযোগিতাত একমাত্ৰ ভৰতীয় পুৰুষ বক্সাৰৰূপে ফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত শিৱই ৪-১ ব্যৱধানত কোৰিয়াৰ মিনছু চুইক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশৰে পদক জয় নিশ্চিত কৰিছিল। এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ছটা পদক লাভ কৰা শিৱ ভাৰতৰ প্ৰথম বক্সাৰৰূপে এইবাৰ পৰিগনিত হৈছে। পূৰ্বে পাঁচবাৰৰ এছিয়ান চেম্পিয়নশ্বিপত পদক লাভ কৰা শিৱই এইবাৰ ৬৩.৫ কিলোগ্ৰাম শাখাত খেলি অভিযান মেচত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত মংগোলিয়াৰ ব্যামবাটছগট টুগুলডুৰৰ বিৰুদ্ধে ৩-২ ত জয়লাভ কৰিছিল। ইফালে, অসম কন্যা অংকুশিতাই ছেমিফাইনেলত প্ৰতিদ্বন্দ্বী উজবেকিস্তানৰ খামিড'ভা নাবাখ'ৰ বিৰুদ্ধে ১-৪ ৰ ব্যৱধানত পৰাস্ত হৈ ব্ৰঞ্জ লাভ কৰে। কিন্তু কেৰিয়াৰৰ প্ৰথমখন ছিনিয়ৰ আন্তৰ্জাতিক প্ৰতিযোগিতাতে পদক লাভ কৰে বিশ্ব জুনিয়ৰৰ চেম্পিয়ন অংকুশিতাই। মহিলাৰ ৬৬ কিলোগ্ৰাম শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰা অংকুশিতাই প্ৰথম মেচতে জাপানৰ টছুবাতা আৰ্ছিয়াক ৫-০ ৰ ব্যৱধানত হেলাৰঙে পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰি ইতিহাস গঢ়িছিল।

## উদ্বোধনী খেলত জয়ী হৈ গ্ৰীণ ক্লাবৰ অগ্ৰগতি

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** যোৰহাট জিলা ঠেঙাল কছাৰী ছাত্ৰ সন্থাৰ উদ্যোগত দেৰেশ্বৰ নেওগ সোঁৱৰণী প্ৰাইজমনী ফুটবল প্ৰতিযোগিতা আজিৰে পৰা তিতাবৰৰ মৰধলী খেলপথাৰত আৰম্ভ হৈছে। আজি গ্ৰীণ ক্লাব আৰু নৱজ্যোতি যুৱ সংঘৰ মাজত হোৱা খেলখন উদ্বোধন কৰে ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰীয়ে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে দাতা পৰিয়ালৰ হৈ সদৌ অসম ঠেঙাল কছাৰী মহিলা সংগঠনৰ সভানেত্ৰী অণিমা নেওগে। প্ৰফুল্ল শইকীয়াই আঁত ধৰা অনুষ্ঠানত ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ ক্ৰীড়া বিভাগৰ সদস্য শ্যামল কৃষ্ণ বৰা, চুতীয়া জাতি যুৱ সন্মিলন কেন্দ্ৰীয় সমিতিৰ ক্ৰীড়া সম্পাদক যদুমনি চুতীয়া, তিতাবৰ জিলা ক্ৰীড়া সন্থাৰ সম্পাদক তৰুণ দত্ত আদি উপস্থিত থাকে। খেলত গ্ৰীণ ক্লাৱে নৱজ্যোতি যুৱ সংঘৰক ৪-০ গ'লত পৰাজিত কৰে। ৰেফাৰী আছিল ভীমা গোৱালা, অনিল শইকীয়া, মজিন শইকীয়া আৰু পবিত্ৰ শইকীয়া।

## এছিয়ান চেম্পিয়নশ্বিপলৈ ভাৰতীয় দল ৰাওনা

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** থাইলেণ্ডত অনুষ্ঠিত হ'ব লগা চতুৰ্দশ এছিয়ান ড্ৰেগন নাও খেল প্ৰতিযোগিতালৈ ভাৰতীয় দলটি আজি কলিকতাৰ পৰা ৰাওনা হৈছে । ভাৰতীয় পুৰুষ দলটোত অসমৰ ৰূপেন ৰাভা বুদ্ধদেব ৰাভা আৰু ৰাজু আহমেদে স্থান লাভ কৰিছে । দলত পৰিচালক ৰূপে ভাৰতীয় ড্ৰেগন বোট ফেডাৰেচনৰ সভাপতি অনুপ চৌধুৰী আৰু জ্যেষ্ঠ উপ-সভাপতি তাহেৰ আহমেদো গৈছে ।

## এম এল এ কাপ ক্ৰিকেট

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** নাহৰকটীয়াত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত আন্তঃবিভাগ ক্ৰিকেট প্ৰতিযোগিতা এম এল এ কাপত বিধায়ক একাদশে চূড়ান্ত বিজয়ী সন্মান লাভ কৰিছে। নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত হোৱা প্ৰতিযোগিতাৰ চূড়ান্ত খেলত নামৰূপ পুলিচক একাদশক ছয় উইকেটত পৰাজিত কৰি এই সন্মান লাভ কৰে। নামৰূপ পুলিচে বেট কৰি পোন্ধৰ অভাৰত ১৫৯ ৰাণ কৰে। প্ৰত্যুত্তৰত বিধায়ক একাদশে ১৪ অভাৰত চাৰিটা উইকেট হেৰুৱাই প্ৰয়োজনীয় ৰাণখিনি কৰে। ইয়াৰ আগতে ছেমি ফাইনেলত বিধায়ক একাদশে নাহৰকটীয়া পৌৰ সভাক আৰু নামৰূপ পুলিচে জয়পুৰ পুলিচক পৰাজিত কৰি ফাইনেলত উপনীত হয়।

## সমন্বয় কাপ ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি অঞ্চলৰ বৰগড়া সমন্বয় যুৱক সংঘৰ উদ্যোগত অনুষ্ঠিত দ্বিতীয় বাৰ্ষিক বৰগড়া সমন্বয় কাপ আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন ডিব্ৰু ইউনাইটেড এফ চি আৰু কাকপথাৰ ফুটবল ক'চিং চেণ্টাৰৰ মাজত অনুষ্ঠিত হয়। ইউনাইটেড এফ চিয়ে ২-০ গলত জয়ী হৈ চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে। শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ লাভ কৰে হিমাংশু বৰুৱাই। চূড়ান্ত খেলখন উদ্বোধন কৰে প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজে। খেলখন পৰিচালনা কৰে কুলেশ্বৰ মৰাণে। তেওঁক সহায় কৰে অনুপ গোঁহাই, নোৰেল কাশ্যপ আৰু চতুৰ্থত ৰাতুল মৰাণে। বঁটা বিতৰণী সভাখনি সঞ্চালনা কৰে বৰগড়া সমন্বয় যুৱক সংঘৰ সভাপতি দলিন মৰাণ আৰু খেল পৰিচালনা সমিতিৰ সভাপতি লাভেশ্বৰ মৰাণে। অনুষ্ঠানটো আঁত ধৰে বৰগড়া সমন্বয় যুৱক সংঘৰ উপদেষ্টা নীৰেন মৰাণে।

## ছিকিমৰ বিৰুদ্ধেও অসমৰ বৃহৎ জয়লাভ

### ৰিয়ান পৰাগৰ বিস্ফোৰক ১২৮ ৰাণ



**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** নৰ্থ ইষ্ট অলিম্পিক গেমছ নহয়। অসমে বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটত উত্তৰ-পূৰ্বৰ অন্য দলৰ বিৰুদ্ধে বৃহৎ জয়ৰ সফলতা লাভ কৰিছে। যোৱা মেচত মেঘালয়ক ১৬৪ ৰাণত পৰাস্ত কৰা অসমে আজি ছিকিমৰ বিৰুদ্ধে ১৮০ ৰাণত বৃহৎ জয় সাব্যস্ত কৰে। পোনতে বেটিং কৰা অসমে ৰিয়ান পৰাগৰ দ্বিতীয়টো শতকৰ সহায়ত আঠ উইকেটত ৩০৭ ৰাণ কৰে। ৰিয়ানে ১২৮ ৰাণ কৰাৰ বিপৰীতে শিৱশংকৰ ৰয়ে ৫০ আৰু অম্লানে ৪৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, ছিকিম ৩৬ অভাৰত ১২৭ ৰাণতে ইনিংছ সামৰে। স্মৰ্তব্য যে কলকাতাত হোৱা বিজয় হাজাৰে ট্ৰফী ক্ৰিকেটৰ প্ৰথম মেচত অসমে ৰাজস্থানৰ বিৰুদ্ধে ১৪৩ ৰাণত জয়লাভ কৰাৰ পাছত দ্বিতীয় খেলত ঝাৰখণ্ডৰ বিৰুদ্ধে আঠ উইকেটত পৰাজয়ৰ সন্মুখীন হৈছিল। ৰাজস্থানৰ বিৰুদ্ধে টছত হাৰি বেটিং কৰা অসমে ২৭১ ৰাণ কৰিছিল। শতক অৰ্জন কৰে ৰিয়ানে। প্ৰত্যুত্তৰত, ৰাজস্থানে ৩৩.৩ অভাৰত ১২৮ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, ঝাৰখণ্ডৰ বিৰুদ্ধে খেলা মেচখনত পোনতে বেটিং কৰা অসমে ৩৯.৪ অভাৰতে ১৬৩ ৰাণত আটাইকেইটা উইকেট হেৰুৱাই ইনিংছ সামৰে। প্ৰত্যুত্তৰত ঝাৰখণ্ডে ৩৫ অভাৰতে দুটা উইকেট হেৰুৱাই ১৬৬ ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনীত হয়। যোৱা মেচত অসমে ১৬৪ ৰাণত পৰাস্ত কৰে মেঘালয়ক। পোনতে বেটিং কৰা অসমে ন উইকেটত ২২১ ৰাণ কৰে। প্ৰত্যুত্তৰত মেঘালয়ে ৫৭ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।

## ইণ্টাৰনেচনেল কাৰাটে চেম্পিয়নশ্বিপলৈ সাতজনীয়া দল

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** নতুন দিল্লীত অনুষ্ঠিত হবলগা ইণ্টাৰনেচনেল কাৰাটে চেম্পিয়নশ্বিপত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যে অসমৰ ছ্‌ট'কাই কাৰাটে সন্থাৰ তৰফৰ পৰা চেনচেই ৰাজকুমাৰ বৰাৰ তত্বাৱধানতত এটি সাতজনীয়া খেলুৱৈৰ দলে আজি নতুন দিল্লী অভিমুখে যাত্ৰা কৰিছে । দলটোত আছে শিবাংশ দাস, বৰ্ণিল বৰা, অনন্যা দিপা বৰা, নিশিগন্ধা গায়ন কাশ্যপ, বৃষ্টি গগৈ, নৱজ্যোতি আৰু য়াটি গুপ্তা। দলটোৰ প্ৰশিক্ষক হিচাপে থাকিব পূজা ৰানী বৰা আৰু দলীয় মেনেজাৰ হিচাবে থাকিব সৌৰভ বৰা।

## আজি ঘৰত জয়ৰ আশা ইষ্ট বেংগলৰ, সন্মুখত ওড়িছা এফ চি



**কলকাতা, ১৭ নৱেম্বৰ ঃ** বাংগালুৰু এফ চিক গৃহভূমি শ্ৰীকান্তিৰাবা ষ্টেডিয়ামত ১-০ গ'লত পৰাস্ত কৰি ঘৰলৈ অহা ইষ্ট বেংগল এফ চিয়ে চলিত নৰম হিৰো ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ত কাইলৈ কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ'বলগা মেচত ওড়িছা এফ চিৰ মুখামুখি হ'ব। কিন্তু চাপত আছে ঘৰুৱা দলটো। কাৰণ এতিয়ালৈ ঘৰত জয়ৰ মুখ দেখা নাই ইষ্ট বেংগলে। উল্লেখ্য যে ইষ্ট বেংগলে চলিত আই এছ এলত তিনিখন মেচ ঘৰত খেলাৰ পাছতো সমৰ্থকক নিৰাশ কৰিছে। চেন্নাইয়ান এফ চিয়ে ১-০ গ'লত, কলকাতা ডাৰ্বিত এ টি কে মোহন বাগানে ২-০ ত আৰু এফ চি গোৱাই ২-১ ত পৰাস্ত কৰিছে ইষ্ট বেংগলক। স্মৰ্তব্য যে এইবাৰ ইষ্ট বেংগলে কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে পৰাস্ত হৈ ছিজনৰ আৰম্ভনি কৰিছিল। যোৱা মেচত তিনি পইণ্ট লাভ কৰাৰ পূৰ্বে দলৰ একমাত্ৰ সফলতা আছিল নৰ্থ ইষ্ট ইউনাইটেডক ৩-১ গ'লত পৰাস্ত কৰাটো। কিন্তু ইষ্ট বেংগলৰ বিৰুদ্ধে ওড়িছাতকৈ বেছি গ'ল অন্যই দিব পৰা নাই (১৫)। ডিফেণ্ডিং চেম্পিয়ন হায়দৰাবাদ এফ চিৰ বিৰুদ্ধে একমাত্ৰ গ'লত পৰাস্ত হৈ কলকাতালৈ আহিছে ওড়িছা এফ চি। ইয়াৰপূৰ্বে দলে ঘৰত ক্ৰমাগত দুখন মেচত জয়লাভ কৰিছিল। কলিংগ ষ্টেডিয়ামত বাংগালুৰুক একমাত্ৰ গ'লত পৰাস্ত কৰা দলে কেৰালা ব্লাষ্টাৰ্ছকো ২-১ গ'লত হৰুৱাইছিল। উল্লেখ্য যে জামছেদপুৰক ৩-২ ত হৰুৱাই অভিযান কৰা ওড়িছাই দ্বিতীয় মেচত মুম্বাই চিটীৰ বিৰুদ্ধে ২-০ ত পৰাস্ত হৈছিল। কাইলৈৰ মেচ সন্দৰ্ভত ইষ্ট বেংগলৰ মুখ্য প্ৰশিক্ষক ষ্টিফেন কনষ্টেণ্টাইনে কয় 'যি হৈ গ'ল তাত মই গুৰুত্ব নিদিওঁ। এতিয়া আগুৱাই যোৱাৰ লক্ষ্য। ওড়িছা এটা অতি ভাল দল। যোচেপ (গমবাউ) এজন অতি ভাল প্ৰশিক্ষক আৰু তেওঁৰ এটা ধাৰণা আছে যে দলটোৱে খেলখন কেনেকৈ খেলাটো বিচাৰে। আমি সেইবোৰ চাইছো আৰু সেইবোৰৰ বাবে প্ৰস্তুতি চলাইছো। গ'লৰ সংখ্যা সন্দৰ্ভত মই ভৱিষ্যদ্বাণী কৰিব নোৱাৰো, কিন্তু আশা কৰিছো কাইলৈৰ মেচত জয়ৰ।' ইফালে, ওড়িছা দলৰ প্ৰশিক্ষক যোচেপে কয়, 'অন্তিম খেলৰ পিছত আমাৰ দীঘলীয়া বিৰতি আছিল। আমি জিৰণি ল'বলৈ অধিক সময় পাইছিলো। কেইদিনমান ছুটী লৈছিলো আৰু তাৰ পিছত প্ৰশিক্ষণলৈ উভতি আহিছিলো। এতিয়া কাইলৈৰ খেলৰ বাবে আমি সাজু। দলটোৱে বহুত ভাল প্ৰশিক্ষণ লৈ আছে আৰু আমি সকলোৱে এই ষ্টেডিয়ামত খেলিবলৈ উৎসাহিত হৈছো। আশাকৰোঁ আমি ভাল ফলাফল পাম।'

## মিষ্টাৰ অসম খিতাপ দখল নাজিৰাৰ ৰাহুল হাজৰিকাৰ




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নাজিৰা, ১৭ নৱেম্বৰ ঃ** আন্তঃ ৰাষ্ট্ৰীয় শৰীৰ চৰ্চা সংস্থা ৱৰ্ল্ড ফিটনেছ ফেডাৰেচন চমুকৈ W F F দ্বাৰা শিৱসাগৰ জিলাত যোৱা ১২ আৰু ১৩ নৱেম্বৰত আয়োজিত মিষ্টাৰ অসম প্ৰতিযোগিতাত শ্ৰেষ্ঠতাৰে সোণৰ পদক আজুৰি আনি " মিষ্টাৰ অসম" খিতাপ ল'বলৈ সক্ষম হয় নাজিৰাৰ শৰীৰ চৰ্চা বিদ ৰাহুল হাজৰিকাই। অসমৰ ভিন্ন প্ৰান্তৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰা তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক প্ৰতিযোগিতাখনত ২০১৪ চনৰ পৰাই শৰীৰ চৰ্চা কৰি অহা ৰাহুলে ৮ বছৰৰ কঠোৰ অনুশীলন তথা একাগ্ৰতাৰে মনোনিবেশ কৰি মিষ্টাৰ অসমৰ মুকুট পৰিধান কৰিবলৈ সক্ষম হোৱাত উৎফুল্ল হৈ পৰে নাজিৰাবাসী। যিসকলে বডী বিল্ডিঙত সফলতা অৰ্জন কৰিব বিচাৰে তেওঁলোকে কঠোৰ অনুশীলন ধৈৰ্য তথা অধ্যৱসায়ৰ জৰিয়তে আগবাঢ়িব লাগিব বুলি মতপোষণ কৰাৰ লগতে ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে প্ৰস্তুতি চলাব বুলি মন্তব্য কৰে মিষ্টাৰ অসম ৰাহুল হাজৰিকাই।



অষ্ট্ৰেলিয়া আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত প্ৰথমখন এদিনীয়াত অষ্ট্ৰেলিয়াৰ অ'পেনাৰ ডেভিদ ৱাৰ্ণাৰৰ শ্বট

## আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ ছোৱালীৰ একক শাখাত অঘটন

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** চলিত আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত আজিও অঘটন ঘটে ছোৱালীৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত। উল্লেখ্য যে সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা ১৮ বছৰ অনূৰ্ধ্ব আন্তৰ্জাতিক প্ৰতিযোগিতাখনৰ আজি ল'ৰা-ছোৱালী উভয় শাখাৰে একক শাখাৰ কোৱাৰ্টাৰ ফাইনেল মেচ অনুষ্ঠিত হয়। ছোৱালীৰ কোৱাৰ্টাৰ ফাইনেলত দুটা অঘটন ঘটে। থাইলেণ্ডৰ বাছনি বিহীন খেলুৱৈ মায়া বুনিয়াৰুনেটে ভাৰতৰ চতুৰ্থ বাছনিৰ খেলুৱৈ অস্মি আডকাৰক ৬-৪, ৬-২ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ পৰা বিদায় দি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইফালে, আন এখন কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰে বাছনি বিহীন খেলুৱৈ প্ৰিছা নিখিল সিন্দে সতীৰ্থ তথা প্ৰতিযোগিতাৰ তৃতীয় বাছনি লাভ কৰা নন্দিনী দীক্ষিতক তিনিটা ছেটৰ অন্তত ৬-০, ৪-৬, ৬-০ ত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। ছোৱালীৰ একক শাখাৰ আন দুখন কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ মাৰ্গট ফাম্বালাই ভাৰতৰ নিয়াতি কুক্ৰেটিক ৬-২, ৬-১ ৰ পোনপটীয়া ব্যৱধানত তথা ভাৰতৰ সোনাল পাটিলে দেশৰে তামান্না টাকোৰিয়াক ৬-২, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। কাইলৈ পুৱা ল'ৰা আৰু ছোৱালীৰ একক ছেমিফাইনেল আৰু দুপৰীয়া উভয় শাখাৰ ডাবলছৰ ফাইনেল অনুষ্ঠিত হ'ব বুলি জনাইছে সদৌ অসম টেনিছ সন্থাৰ সম্পাদক তথা প্ৰতিযোগিতাখনৰ সঞ্চালক অংকুশ দত্তই । উল্লেখ্য যে ১৮ বছৰ অনূৰ্ধ্বৰ আন্তৰ্জাতিক প্ৰতিযোগিতাখনত আয়োজক ৰাষ্ট্ৰ ভাৰতসহ মুঠ আঠ খন দেশৰ প্ৰায় ৯০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। অহা ১৯ নৱেম্বৰত ফাইনেল অনুষ্ঠিত হ'ব।

## সদৌ অসম শৈলাৰোহণ প্ৰশিক্ষণ

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** অসমৰ দুঃসাহসিক খেল জগতৰ অগ্ৰণী সংগঠন এক্সপ্ল'ৰাৰ্ছে প্ৰতি বছৰৰ দৰে এই বছৰো অহা ২৭ নৱেম্বৰৰ পৰা সদৌ অসম ভিত্তিত বাৰ্ষিক শৈলাৰোহণ প্ৰশিক্ষণ কাৰ্যসূচী হাতত লৈছে। একাদিক্ৰমে পাঁচটা দেওবাৰ জুৰি এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। প্ৰশিক্ষণ শিবিৰৰ কালত প্ৰশিক্ষাৰ্থীসকলক ক্ৰমে শৈলাৰোহণ, অৱৰোহণ, ট্ৰেকিং তথা খৰস্ৰোতা নৈ অতিক্ৰম কৰা পদ্ধতি আদিৰ বিষয়ে সম্যক জ্ঞান দিয়া হ'ব। আনহাতে এই প্ৰশিক্ষণৰ পৰাই নিৰ্বাচিত প্ৰশিক্ষাৰ্থীৰ এটা দলক সংগঠনটোৰ পৰৱৰ্তী হিমালয় অভিযানত অংশ লোৱাৰ সুযোগ প্ৰদান কৰা হ'ব। উল্লেখ্য যে এই প্ৰশিক্ষণ এভাৰেষ্ট আৰোহী নন্দ দুলাল দাস আৰু কন্দৰ্প বেজবৰুৱাৰ তত্ত্বাৱধানত অনুষ্ঠিত হ'ব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীক ৯৫০৮০-৯৯৯৯৫, ৯৭০৭০-৯৯৬৪৭, ৯১০১৬-৪৫৮৮০, ৯৮৬৪০-৯৫৪২৬ এই নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ কৰিছে।

## অঘটনৰে শীৰ্ষ বাছনিৰ অমনক বিদায় দিলে ছুইজাৰলেণ্ডৰ ৱিলেঙে

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত আজি এক বৃহৎ অঘটন ঘটে। উল্লেখ্য যে প্ৰতিযোগিতাৰ ল'ৰাৰ একক শাখাত শীৰ্ষ বাছনিপ্ৰাপ্ত ভাৰতৰ অমন দহিয়াই দ্বিতীয় ৰাউণ্ডতে পৰাস্ত হৈ অভিযান সামৰিবলৈ বাধ্য হয়। ছুইজাৰলেণ্ডৰ বাছনিবিহীন খেলুৱৈ লাক ৱিলেঙে তিনিটা ছেটৰ অন্তত দহিয়াক ১-৬, ৬-৪, ৬-০ ব্যৱধানত পৰাস্ত কৰি চাঞ্চল্য সৃষ্টিৰে কোৱাৰ্টাৰ ফাইনেল প্ৰৱেশ কৰে। উল্লেখ্য যে সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত চলি থকা আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখনৰ আজি হোৱা ল'ৰা আৰু ছোৱালীৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জয়ী হৈ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰা অন্য খেলুৱৈসকল হ'ল ঃ আয়ুষ পি ভাট, কৃষ ত্যাগী, হনু পেটেল, তেজস আহুজা, সমৰ্থ সাহিতা, আলেকজেণ্ডাৰ ডাস্কালোভিক আৰু ধনঞ্জয় আত্ৰেয়া। ছোৱালী ঃ সোণাল পাটিল, মায়া বুনিয়াৰুনেট, প্ৰিশা নিখিল সিন্ধে, অস্মি আদকাৰ, নন্দিনী দিক্ষিত, তামান্না টাকোৰিয়া, নিয়াতি কুক্ৰেটি। সদৌ অসম টেনিছ সন্থাৰ সম্পাদক তথা প্ৰতিযোগিতাখনৰ সঞ্চালক অংকুশ দত্তই জনোৱা অনুসৰি ল'ৰা আৰু ছোৱালীৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ সকলো মেচ আজি সমাপ্ত হ'ব আৰু কাইলৈ পুৱাৰ পৰা আৰম্ভ হ'ব কোৱাৰ্টাৰ ফাইনেল। উল্লেখ্য যে ১৮ বছৰ অনূৰ্ধ্বৰ আন্তৰ্জাতিক প্ৰতিযোগিতাখনত আয়োজক ৰাষ্ট্ৰ ভাৰতসহ মুঠ আঠ খন দেশৰ প্ৰায় ৯০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। অহা ১৯ নৱেম্বৰত ফাইনেল অনুষ্ঠিত হ'ব।

## আজি ডাবল্‌ছৰ ফাইনেল, একক শাখাৰ ছেমি ফাইনেল



**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** গুৱাহাটীৰ চচলত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ ল'ৰাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ কৃষ ত্যাগীয়ে ছাৰ্বিয়াৰ আলেকজেণ্ডাৰ ডাস্কালোভিকক ৬-১, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে কালি বৃহৎ অঘটনৰে শীৰ্ষ বাছনিপ্ৰাপ্ত ভাৰতৰ অমন দহিয়াক বিদায় দিয়া ছুইজাৰলেণ্ডৰ লাক ৱিলেঙে আজি তেজাছ আহুজাক ৬-৭ , ৬-১, ৬-৩ ত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে কালি দ্বিতীয় ৰাউণ্ডৰ মেচত তিনিটা ছেটৰ অন্তত দহিয়াক ১-৬, ৬-৪, ৬-০ ব্যৱধানত পৰাস্ত কৰি চাঞ্চল্য সৃষ্টি কৰিছিল ছুইজাৰলেণ্ডৰ বাছনি বিহীন খেলুৱৈগৰাকীয়ে। ইফালে, আন দুখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ দুই খেলুৱৈ হানু পেটেল আৰু আয়ুষ পি ভাটে ক্ৰমে ভাৰতৰ সামৰ্থ সাহিতাক ৬-১, ৬-৪ ৰ ব্যৱধানত আৰু ধনঞ্জয় আত্ৰেয়াক ৬-৩, ৬-১ ত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইফালে, আজি হোৱা ল'ৰাৰ ডাবলছ শাখাৰ ছেমিফাইনেলত ছাৰ্বিয়াৰ আলেকজেণ্ডাৰ ডাস্কালিভিক আৰু ছুইজাৰলেণ্ডৰ লাক ৱিলেঙে যুটীয়ে ভাৰতৰ ধনঞ্জয় আত্ৰেয়া আৰু দেবাশিষ সাহুক ৫-৭, ৬-২, ১০-৮ ত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনখন ছেমিফাইনেলত আমেৰিকাৰ আয়ুষ পি ভাট আৰু ভাৰতৰ অমন দহিয়াই আমেৰিকাৰ ভেংকট ঋষি বাটলাংকী আৰু ভাৰতৰ চন্দন শিৱৰাজ যুটীক ৬-২, ৬-৪ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি খিতপ জয়ৰ যুঁজলৈ অগ্ৰগতি লাভ কৰে। কাইলৈ পুৱা ল'ৰা আৰু ছোৱালীৰ একক ছেমিফাইনেল আৰু দুপৰীয়া উভয় শাখাৰ ডাবলছৰ ফাইনেল অনুষ্ঠিত হ'ব।

## আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত অসমৰ প্ৰত্যাহ্বান সমাপ্ত

**গুৱাহাটী, ১৭ নৱেম্বৰ ঃ** গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত বুধবাৰৰ দিনটো অসমৰ বাবেও সুখৰ নাছিল। উল্লেখ্য যে অসমৰ অন্তৰীক্ষ তামুলী ল'ৰাৰ ডাবলছ শাখাত তথা অসম কন্যা তানিয়া কুমাৰী ছোৱালীৰ একক শাখাত পৰাস্ত হৈ বিদায় লৈছে। ফলত গুৱাহাটীত চলি থকা আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখনত অসমৰ প্ৰত্যাহ্বান ইমানতে অন্ত পৰিল। কালি হোৱা ছোৱালীৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অসমৰ তানিয়াক দেশৰে নন্দিনী দীক্ষিতে ৬-০, ৬-১ ৰ ব্যৱধানত পৰাস্ত কৰে। উল্লেখ্য যে ৱাইল্ড কাৰ্ড লাভ কৰি মূল ৰাউণ্ডত খেলাৰ সুযোগ লাভ কৰা অসমৰ তানিয়াই প্ৰথম ৰাউণ্ডৰ মেচত সতীৰ্থ বিষুঃপ্ৰিয়াক ৬-০, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল। ইফালে, ল'ৰাৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ অন্তৰীক্ষ তামুলী আৰু তেওঁৰ মণিপুৰৰ সংগী অশ্যজিত সেঞ্জামক আমেৰিকাৰ ভেংকট ঋষি বাটলাংকি আৰু ভাৰতৰ চন্দন শিৱৰাজ যুটিয়ে ৬-৩, ৬-৪ ৰ পোনপটীয়া ছেটত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ইয়াৰপূৰ্বে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অন্তৰীক্ষ আৰু অশ্যজিত যুটিয়ে তিনিটা ছেটৰ ৰোমাঞ্চকৰ মেচৰ অন্তত ২-৬, ৬-৩, ১০-৮ ৰ ব্যৱধানত পৰাস্ত কৰিছিল বিভু চাল্লাগুণ্ডলা আৰু তেওঁৰ আমেৰিকাৰ সংগী দেৱহৰ্ষিত নীলমক। ল'ৰাৰ ডাবলছৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰা আন এটা যুটী হ'ল আয়ুষ পি ভাট (আমেৰিকা) আৰু অমন দহিয়া (ভাৰত)।

## ফেচ অৱ দ্য ডে’



■ নাম ঃ লিপিকা দাস
■ জন্মস্থান ঃ গোৱালপাৰা

প্ৰেৰণ কৰক আপোনাৰ আলোকচিত্ৰ

e-mail:newsdbarta2010@gmail.com

অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ পদক্ষেপ

# পুনৰ নিৰ্মাণ কৰিব ক’হিমাৰ সাহিত্য সভা ভৱন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৭ নৱেম্বৰ ঃ** ১৮৯৫ চনত স্থাপিত হোৱা কহিমা সাহিত্য সভাৰ ঐতিহ্যমণ্ডিত ভৱনটো পৰম্পৰাগত ঐতিহ্য অটুট ৰাখি অত্যাধুনিক ৰূপত পুনৰ নিৰ্মাণ কৰাৰ বাবে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অসম চৰকাৰৰ সহযোগত এক অভিলাষী আঁচনি গ্ৰহণ কৰাৰ বাবে ব্যৱস্থা লোৱা হ’ব বুলি ১৭ নৱেম্বৰ তাৰিখে কহিমা সাহিত্য সভাৰ কাৰ্যালয়ৰ চৌহদত উপস্থিত হৈ কহিমা সাহিত্য সভাক অৱগত কৰিছে। এই সন্দৰ্ভত অধ্যক্ষগৰাকীয়ে অতি সোনকালে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত আলোচনা কৰি এক আৰ্হি প্ৰকল্প প্ৰস্তুত কৰা হ’ব বুলি মত প্ৰকাশ কৰিছে। সাহিত্য সভা ভৱনত কহিমা সাহিত্য সভাৰ কৰ্মকৰ্তাসকলৰ লগত হোৱা এক গাম্ভীৰ্যপূৰ্ণ আলোচনাত অংশ গ্ৰহণ কৰি অধ্যক্ষগৰাকীয়ে কয় যে, অসম সাহিত্য সভাৰ জন্মৰ আগতেই এই ঐতিহাসিক ভৱনটো সাহিত্য চৰ্চাৰ আৰম্ভ হৈছিল আৰু এই সমগ্ৰ পৰিক্ৰমাৰ নেতৃত্ব বহন কৰিছিল পদ্মনাথ গোহাঞিবৰুৱাই। ইয়াৰ পিছতেই তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ দায়িত্ব লৈ অসমীয়া ভাষা, সাহিত্যৰ সৰ্বোপ্ৰকাৰ উন্নয়নৰ কামত ব্ৰতী হৈছিল। ১৮৯৫ চনতেই স্থাপিত এই সাহিত্য সভাৰ ভৱনটো বৃহত্তৰ অসমৰ কেইবাগৰাকীও বিশিষ্ট মণিষী আৰু সাহিত্যিকে পৰিদৰ্শন কৰিছে। এই কাৰণে এই ভৱনটোৰ লগত অসমৰ বৰ্ণিল ইতিহাস জড়িত হৈ আছে। এই ভৱনটোৰ মাধ্যমেৰে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ সমন্বয়ৰ বান্ধোন আজিও শক্তিশালী হৈ আছে। অধ্যক্ষগৰাকীৰ লগত হোৱা আলোচনাৰ সময়ত অসম বিধান সভাৰ প্ৰধান সচিব হেমেন দাস, কহিমা সাহিত্য সভাৰ সভাপতি চন্দন চাংমাইকে ধৰি সাহিত্য সভাৰ কেইবাগৰাকীও সদস্য আৰু সাহিত্য অনুৰাগী উপস্থিত থাকে। অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাস, প্ৰধান সম্পাদক গিৰিধৰ ৰয় আৰু প্ৰচাৰ কোষৰ সভাপতি যুগান্ত বায়নে ১৮৯৫ চনতেই অসমীয়া ভাষা সাহিত্যৰ উত্তৰণৰ বাবে স্থাপন হোৱা কহিমা সাহিত্য সভা ভৱনটোৰ পূৰ্বৰ ঐতিহ্য অক্ষুণ্ণ ৰাখি নতুনকৈ নিৰ্মাণ কৰাৰ লগতে এক সাংস্কৃতিক ‘Heritage’ হিচাপে গঢ়ি তুলিবলৈ অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে গ্ৰহণ কৰা পদক্ষেপক আদৰণি জনাইছে। নাট্য সন্মিলনে দৈমাৰীৰ এনেধৰণৰ ব্যতিক্ৰমী প্ৰচেষ্টাই অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ মাজত পৰম্পৰাগত সম্পৰ্ক অধিক সুদৃঢ় হ’ব বুলি আশা প্ৰকাশ কৰিছে।

# মদাৰখাত বালিকা বিদ্যালয়লৈ ৬০ যোৰ বেঞ্চ-ডেস্ক, দুখনকৈ টেবুল-চকী আৰু দুটা আলমিৰা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৭ নৱেম্বৰ ঃ** অসমৰ প্ৰখ্যাত এটা চাহ কোম্পানী ৰ’ছেল ইণ্ডিয়া লিমিটেডৰ অৰ্ন্তগত লাহোৱাল সমষ্টিৰ অন্যতম এখন সৰ্ববৃহৎ চাহ বাগিচা হৈছে ৰমাই চাহ বাগিচা। ৰমাই চাহ বাগিচাই কেৱল সুস্থিৰে চাহ বাগিচাখন পৰিচালনা কৰাই নহয়। সামাজিক দায়বদ্ধতা পালন কৰি ৰমাই চাহ বাগিচাই মদাৰখাত মৌজাৰ অৰ্ন্তগত কেইবাখনো বিদ্যালয়লৈ দীৰ্ঘদিনৰ পৰা বিভিন্ন সাহায্য আগবঢ়াই অহা পৰিলক্ষিত হৈছে। আজি মদাৰখাত বালিকা বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰমাই চাহ বাগিচাই আগবঢ়োৱা অনুদান উপলক্ষে এখনি সভা অনুষ্ঠিত কৰা হয়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি বিনয় সেনাপতিয়ে সভাপতিত্ব কৰা সভাখনিত ৰমাই চাহ বাগিচাৰ পৰিচালক অম্বৰীশ বৰঠাকুৰ, ৰ’ছেল ইণ্ডিয়া লিমিটেডৰ সঞ্চালক প্ৰধান যতীন্দ্ৰ সাহা, মদাৰখাত বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক যতীন গোহাঁই, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ভদ্ৰা কোঁৱৰ, মদাৰখাত সীতাৰাম চৌখানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা অৰ্পণা বৰগোহাঁই, লাহোৱাল জিলা পৰিষদৰ সদস্য ভূপেন কুমাৰ গগৈকে প্ৰমুখ্যে কৰি বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। আজি অনুষ্ঠিত সভাখনিতে ৰছেল ইণ্ডিয়া লিমিটেডৰ এটা অন্যতম শাখা ৰমাই চাহ বাগিচাই মদাৰখাতৰ একমাত্ৰ মহিলাৰ শিক্ষানুষ্ঠান মদাৰখাত বালিকা বিদ্যালয়লৈ ৬০ যোৰ বেঞ্চ-ডেস্কৰ লগতে দুখনকৈ টেবুল-চকী আৰু দুটা আলমিৰা প্ৰদান কৰে। বিদ্যালয়খনৰ সহ-শিক্ষয়িত্ৰী জোনালী গগৈয়ে আঁত ধৰা সভাখনিত ৰমাই চাহ বাগিচাই সামাজিক দায়বদ্ধতাৰ আঁচনিৰ অধীনত বিদ্যালয়সমূহলৈ আগবঢ়োৱা পদক্ষেপক বহুকেইজন সমল ব্যক্তিয়ে ভাষণৰ প্ৰসংগতে একেমুখে শলাগ লোৱাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে বৃহত্তৰ লাহোৱাল সমষ্টিত ১৫ খনৰো অধিক সৰু বৰ চাহ বাগিচা আছে যদিও ৰমাই চাহ বাগিচাৰ বাদে কোনো এখন চাহ বাগিচাই কিন্তু বৰ্তমানলৈকে সামাজিক দায়বদ্ধতাৰ আঁচনিৰ অধীনত অৱদান আগবঢ়োৱা পৰিলক্ষিত হোৱা নাই বুলি বহুকেইজন ব্যক্তিৰ লগতে লাহোৱাল জিলা পৰিষদৰ সদস্য ভূপেন কুমাৰ গগৈয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। বিদ্যালয়ৰ অন্যান্য শিক্ষক - শিক্ষিয়িত্ৰীৰ লগতে শতাধিক ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনিৰ শেষত বিদ্যালয়ৰ ছাত্ৰী শিক্ষিতা হাতীবৰুৱাই এটা আধুনিক গীত পৰিবেশন কৰাৰ লগতে শলাগৰ শৰাই আগবঢ়াই বিদ্যালয়ৰ সহ- শিক্ষক দিগন্ত দত্তই।

# অভয়পুৰত ইণ্ডিয়ান বেংকৰ ‘উত্তৰ গুৱাহাটী শাখা’

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ১৭ নৱেম্বৰ ঃ** দেশৰ অৰ্থনীতিত ইণ্ডিয়ান বেংকে এক যোগাত্মক অৰিহণা যোগাই আহিছে। ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ ভিতৰত ৰাইজৰ মাজত ইণ্ডিয়ান বেংক এটি জনপ্ৰিয় বেংক প্ৰতিষ্ঠান। গাওঁ-চহৰ সকলোতে ইণ্ডিয়ান বেংক এটি পৰিচিত নাম। কামৰূপ জিলাৰ অন্তৰ্গত উত্তৰ গুৱাহাটীৰ অভয়পুৰত কালি ১৬ নবেম্বৰ বুধবাৰে ইণ্ডিয়ান বেংকৰ উত্তৰ গুৱাহাটী শাখাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ইণ্ডিয়ান বেংক, ইণ্ডিয়ান বেংকৰ কৰ্মচাৰী আৰু গ্ৰাহকসকলক এটা পৰিয়ালৰ দৰে লৈ বেংকিং সেৱাসমূহ আগবঢ়াই আহিছে। মহিলা সবলীকৰণত ইণ্ডিয়ান বেংকৰ বিশেষ ভূমিকা আছে। জনতাৰ ধন সুৰক্ষিত ৰাখি উত্তম সেৱা প্ৰদান কৰা ইণ্ডিয়ান বেংকৰ লক্ষ্য। উত্তৰ গুৱাহাটী শাখাটোৰ যুটীয়াভাৱে উদ্বোধন কৰে কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লি আৰু ইণ্ডিয়ান বেংকৰ কাৰ্যবাহী সঞ্চালক ইমৰান আমিন চিদ্দিকীয়ে। সভাত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে ইণ্ডিয়ান বেংকৰ কাৰ্যবাহী সঞ্চালক ৰাজেশ কুমাৰ সিং, ফিল্ড জেনেৰেল মেনেজাৰ, গুৱাহাটী, ইণ্ডিয়ান বেংকৰ চন্দনেশ্বৰ গোস্বামী, ইণ্ডিয়ান বেংকৰ জ’নেল মেনেজাৰ লগতে উত্তৰ গুৱাহাটী অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলৰ উপৰিও শতাধিক স্থানীয় ব্যক্তিয়ে উদ্বোধনী অনুষ্ঠানত ভাগ লয়। ইণ্ডিয়ান বেংকে আগবঢ়োৱা আঁচনিসমূহ অতিকৈ প্ৰশংসনীয়। উত্তৰ গুৱাহাটী অঞ্চলৰ ৰাইজৰ বহুদিনীয়া আশা এটা কালি পূৰণ হ’ল কাৰণ বৃহত্তৰ উত্তৰ গুৱাহাটীবাসী অঞ্চলৰ গ্ৰাহকে নিতৌ টকা-পইচা লেনদেন তথা ঋণ আঁচনিসমূহ সহজ লভ্য হ’ব। গ্ৰাহকসকলে পূৰ্বে সন্মুখীন হোৱা বহু সমস্যাৰ অন্ত পৰিল। এতিয়া গুৱাহাটীত থকা তেওঁলোকৰ ইণ্ডিয়ান বেংকৰ একাউণ্ট এই শাখালৈ আনিব পাৰিব। ৰাইজে এই শাখাৰ পৰা ঘৰ বনাবলৈ, দুচকীয়া, চাৰিচকীয়া, শিক্ষাৰ বাবে, দোকান-ব্যৱসায় কৰিবলৈ, খেতিয়কে খেতিৰ বাবে কৃষি ঋণ লবলৈ সুবিধা পাব বুলি বেংক কৰ্তৃপক্ষৰ পৰা জানিব পৰা গৈছে।



# তামাৰহাটত পথ দুৰ্ঘটনা ঃ নিয়ন্ত্ৰণ হেৰুৱাই চাৰিচকীয়া বাহন সোমাল মেটেকাৰ তলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৭ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত ভাটিপেটলা গাঁৱত আজি এখন চাৰিচকীয়া বাহন নিয়ন্ত্ৰন হেৰাই পথৰ দাঁতিত থকা বিলত পৰি মেটেকাৰ তলত সোমাই যায় যদিও গাড়ী খনত থকা যাত্ৰী দুগৰাকী নিশ্চিত মৃত্যুৰ পৰা কথমপি ৰক্ষা পৰে। জানিব পৰা মতে এ এছ ০১এফ জি ৮৬৩৬ নম্বৰৰ এছ-প্ৰেছো চাৰি চকীয়া বাহন খনে তামাৰহাটৰ পৰা ধুবুৰী-কচুগাঁও লোক নিৰ্মাণ পথেৰে ধুবুৰী অভিমুখে গৈ থকাৰ সময়ত ডাটিপেটলা নামৰ ঠাইত গাড়ী খনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা বিল এটাত পৰিগৈ মেটেকাৰ তলত সোমাই যায়। স্থানীয় লোকে উক্ত দুৰ্ঘটনা প্ৰত্যক্ষ কৰি গাড়ী খন তৎক্ষনাত বিলৰ পানীৰ পৰা উদ্ধাৰ কৰাৰ লগতে গাড়ীত থকা যাত্ৰী দুই গৰাকীক জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পিছত স্থানীয় ৰাইজে পাগলাহাট আৰক্ষী নিৰীক্ষণ কেন্দ্ৰত খবৰ দিয়ে। খবৰ পাই পাগলাহাট আৰক্ষীয়ে ঘটনাস্থলিত উপস্থিত হৈ দুৰ্ঘটনাত পতিত হোৱা গাড়ী খন আৰক্ষী নিৰীক্ষণ কেন্দ্ৰলৈ লৈ যায়।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু দ্যা জনমভূমি প্ৰেছ প্ৰাঃ লিঃ, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩, মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৭১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি